

“ভাৰতৰ কাৰ্যপন্থা আৰু দূৰদৃষ্টিত সকলোৱে বিশ্বাস আছে, আমি সকলো উন্নয়নশীল দেশৰ বিষয়বোৰ উত্থাপন কৰিছোঁ।”

কেন্দ্ৰীয় বন, পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱৰ সৈতে বিশেষ সাক্ষাৎকাৰ | পঢ়ক ৩০ৰ পৰা ৩৩ পৃষ্ঠাত

দ্বিতীয় বছৰ, সংখ্যাঃ ১১

# নিউ ইণ্ডিয়া সমাচাৰ

১-১৫ ডিচেম্বৰ, ২০২১

বিনামূলীয়া বিতৰণ



#COP26

## মানৱতা ৰক্ষাৰ বাবে ভাৰতে লৈছে নেতৃত্ব

**পৰিৱেশ সুৰক্ষাৰ পঞ্চামৃতৰ সংকল্পৰ সৈতে গ্লাছগ্লোত ভাৰতে বিশ্বক পথ প্ৰদৰ্শন কৰিছে।**



# ক্ৰীড়াক উৎসাহিত কৰি খেলুৱৈক সন্মানিত কৰি অহা হৈছে

খেলুৱৈসকলে যেতিয়া সন্মান লাভ কৰে তেতিয়া স্বয়ংক্ৰীয়ভাৱে তেওঁলোকৰ মনলৈ নতুন উৎসাহ, উদ্যম আৰু নতুন সম্ভাৱনাৰ সৃষ্টি হয়। এই উদ্যমে তেওঁলোকক ক্ৰীড়াংগনত কিবা এটা কৰিবলৈ উৎসাহিত কৰে। ৰাষ্ট্ৰপতি ৰামনাথ কোৱিন্দে ১৩ নৱেম্বৰ তাৰিখে ২০২১ বৰ্ষৰ খেল পুৰস্কাৰ বিজেতাসকলক পুৰস্কাৰ বিতৰণ কৰে। এই খেলজগতৰ বঁটা দিয়া অনুষ্ঠানত ৬টা শ্ৰেণীত সৰ্বমুঠ ৪৭ গৰাকী খেলুৱৈক বঁটাৰে সন্মানিত কৰা হয়। ১২ গৰাকী খেলুৱৈক মেজৰ ধ্যানচান্দ খেল ৰত্ন বঁটা আৰু ৩৫ গৰাকী খেলুৱৈক অৰ্জুন বঁটা দিয়া হয়...



নিউ ইণ্ডিয়া
# সমাচাৰ

দ্বিতীয় বৰ্ষ, সংখ্যা ১১    ১-১৫ ডিচেম্বৰ,২০২১

**সম্পাদক**
**জয়দীপ ভাটনাগৰ,**
মুখ্য সঞ্চালক প্ৰধান,
প্ৰেছ ইনফ'ৰমেশ্বন ব্যুৰ'
নতুন দিল্লী

**জ্যেষ্ঠ পৰামৰ্শদাতা সম্পাদক**
**সন্তোষ কুমাৰ**

**জ্যেষ্ঠ সহায়ক পৰামৰ্শদাতা সম্পাদক**
**বিভোৰ শৰ্মা**

**সহায়ক পৰামৰ্শদাতা সম্পাদক**
**চন্দন কুমাৰ চৌধুৰী**

**ভাষা সম্পাদকসকল**
শোণিত কুমাৰ গোস্বামী (অসমীয়া),
সুমিত কুমাৰ (ইংৰাজী),
অনিল পেটেল (গুজৰাটী),
নাদিম আহমেদ (উৰ্দু),
বিনয়া পি.এছ.(মালায়লম),
পৌলমী ৰক্ষিত(বাঙালী)
হৰিহৰ পাণ্ডা (উড়িয়া)

**জ্যেষ্ঠ ৰূপাংকনকৰ্তা**
**শ্যাম শংকৰ তিৱাৰী**
**ৰবীন্দ্ৰ কুমাৰ শৰ্মা**

**ৰূপাংকনকৰ্তা**
দিব্যা তলৱাৰ
অভয় গুপ্তা

**মুদ্ৰক আৰু প্ৰকাশক**
**সত্যেন্দ্ৰ প্ৰকাশ,**
মুখ্য সঞ্চালক প্ৰধান, বিঅ'চি
ব্যুৰ' অৱ আউটৰীচ্ছ এণ্ড
কমিউনিকেশ্বনৰ হৈ

**মুদ্ৰণঃ**
আৰাৱলী প্ৰিন্টাৰ্চ এণ্ড পাব্লিচাৰ্চ
প্ৰাইভেট লিমিটেড, ডাব্লিউ-৩০,
অ'খলা ইণ্ডাষ্ট্ৰিয়েল এৰিয়া, ফেজ-২,
দিল্লীঃ ১১০০২০

**যোগাযোগৰ ঠিকনা আৰু ই-মেইলঃ**
কোঠা নং-২৭৮, ব্যুৰ' অৱ
আউটৰীচ্ছ এণ্ড ক'মিউনিকেশ্বন,
দ্বিতীয় মহলা, সূচনা ভৱন
নতুন দিল্লীঃ ১১০০০৩
**মেইল- response-nis@pib.gov.in**

RNI No. : DELASS/2020/78827

# ভিতৰৰ পৃষ্ঠাবোৰত...

## গোলকীয় উত্তাপৰ পৰা বিশ্বক ৰক্ষাৰ বাবে ভাৰতে লৈছে নেতৃত্ব




**প্ৰচ্ছদ লেখা** ভাৰতে 'পঞ্চামৃত'ৰ সংকল্পৰ সহায়ত বিশ্বক নতুন দিশৰ সন্ধান দিছে আৰু বিকাশশীল দেশবোৰকো "জলবায়ু ন্যায়"ৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰিছে। পৃষ্ঠা ১৬-২৯



### পঞ্চতীৰ্থৰ পৰা স্নেহভূমি লক্ষ্ণৌলৈ বাবা চাহেবৰ জীৱন হৈ পৰিছে প্ৰেৰণা

বাবা চাহেব আম্বেদকাৰৰ স্নেহ ভূমি লক্ষ্ণৌত ডাঃ ভীমৰাও আম্বেদকাৰ সাংস্কৃতিক কেন্দ্ৰৰ মাধ্যমত চৰকাৰে সমাজৰ উত্থানৰ হকে কাম কৰিব। পৃষ্ঠা ৬-৮

### দিব্যাংগজনৰ বাবে সুগম্য ভাৰতৰ নিৰ্মাণ



সুগম্য ভাৰত অভিযানৰ মাধ্যমত কেন্দ্ৰ চৰকাৰে দিব্যাংগজনৰ বাবে সম-অধিকাৰৰ সমাজ গঢ় দিয়াৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। পৃষ্ঠা ৪০-৪২

**সংক্ষিপ্ত খবৰ** পৃষ্ঠা ৪-৫

**ভাৰতৰ প্ৰথম নিৰ্বাসিত চৰকাৰ গঠন কৰাজন**
ব্যক্তিত্ব শিতানত এইবাৰ পঢ়ক ৰাজা মহেন্দ্ৰ প্ৰতাপ সিঙৰ বিষয়ে পৃষ্ঠা-৯

**পূৰ্বাঞ্চল এক্সপ্ৰেছঃ দিল্লীৰ পৰা বিহাৰলৈ দূৰত্ব হ্ৰাস**
পূৰ্বাঞ্চল এক্সপ্ৰেছ ঘাইপথৰ খবৰ পৃষ্ঠা ১০-১২

**বাবা কেদাৰনাথৰ নগৰৰ উন্নয়ন**
৩০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হোৱা কেদাৰনাথ ধামৰ উন্নয়নৰ খবৰ। পৃষ্ঠা ১৩-১৫

**সাক্ষাৎকাৰ**
কেন্দ্ৰীয় পৰিৱেশ মন্ত্ৰীৰ সৈতে সাক্ষাৎকাৰ পৃষ্ঠা ৩০-৩৩

**জনজাতি লোকসকলে লাভ কৰিছে সুবিধা**
ভগৱান বীৰছা মুণ্ডাৰ জয়ন্তীত জনজাতীয় গৌৰৱ দিৱস পৃষ্ঠা ৩৪-৩৫

**সম্পূৰ্ণ টিকাকৰণৰ সংকল্প**
এতিয়া ঘৰে ঘৰে চলা টিকাকৰণ অভিযানে সম্পূৰ্ণ টিকাকৰণক আগবঢ়াই নিছে পৃষ্ঠা ৩৬-৩৯

**কুঁহিয়াৰ, মৰাপাট খেতিয়কৰ বাবে ভাল খবৰ**
কেবিনেটৰ সিদ্ধান্তবোৰ পৃষ্ঠা ৪৩

**নতুন ভাৰতৰ শক্তিশালী ছবি**
দেশৰ প্ৰকৃত নায়কসকলক সন্মান পৃষ্ঠা ৪৪-৪৭

**অ'টিটি প্লেটফৰ্মকো সুবিধা**
৫২ সংখ্যক আন্তঃৰাষ্ট্ৰীয় ভাৰতীয় ছবি মহোৎসৱ পৃষ্ঠা ৫২



### যিসকলে সাহস আৰু নিঃস্বাৰ্থতাৰ আদিপাঠ দিছিল

অমৃত মহোৎসৱৰ এইবাৰৰ শিতানত পঢ়ক সেইসকল মহান ব্যক্তিত্বৰ বিষয়ে যিসকলে জ্ঞান, সাহস আৰু ত্যাগৰ জৰিয়তে প্ৰেৰণা আৰু নিঃস্বাৰ্থতাৰ পাঠ দি গৈছে। পৃষ্ঠা ৪৮-৫১

# সম্পাদকীয় কলম...

সাদৰ নমস্কাৰ,

প্ৰকৃতিৰ সৈতে ভাৰতীয় সভ্যতাৰ সংযোগ পৰম্পৰাগত। এই ধৰাৰ সৈতে ভাৰতীয় সমাজৰ দায়িত্বৰ অংশস্বৰূপে বৰ্তমানৰ কেন্দ্ৰ চৰকাৰে স্বচ্ছ আৰু নবীকৰণ শক্তি, সৌৰশক্তি, বন সুৰক্ষা আৰু জৈৱ বৈচিত্ৰতাৰ বিস্তাৰৰ বাবে দায়বদ্ধতা প্ৰদৰ্শন কৰি মহত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি আহিছে। আজি দেশে জলবায়ু পৰিৱৰ্তন প্ৰতিৰোধৰ বাবে তথা এই ক্ষেত্ৰত শৃংখলাবদ্ধ, উমৈহতীয়া বহুদেশীয় সহযোগিতাৰে আগবঢ়াৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে।


আজি বিশ্বই যিসময়ত এই ধৰাৰ তাপমাত্ৰা ডেৰ ডিগ্ৰীৰ অধিক বৃদ্ধি প্ৰতিহত কৰাৰ বাবে পৰিকল্পনা যুগুত কৰিছে তেনে সময়ত ভাৰতেও পণ্ডিত দীনদয়াল উপাধ্যায়ৰ পৰিৱেশ সুৰক্ষাৰ দীক্ষা গ্ৰহণ কৰি পদক্ষেপ গ্ৰহণ কৰি আহিছে। লগতে প্ৰকৃতিৰ অবাধ ধ্বংস প্ৰতিৰোধৰ বাবেও কেন্দ্ৰ চৰকাৰে কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰি আহিছে। ভাৰত হৈছে এনে এখন দায়িত্বশীল দেশ যিখনে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত নেতৃত্ব বহন কৰি আন্তঃৰাষ্ট্ৰীয় সৌৰ সন্মিলন, লীডআইটি আৰু দুৰ্যোগ প্ৰতিৰোধ আন্তঃগাঁথনিমূলক সন্মিলনক উৎসাহিত কৰি আহিছে। এই বিশ্বত ১২২খন এনে দেশ আছে যিকেইখনত ৩০০ দিনতকৈ অধিক দিন সূৰ্যৰ ৰশ্মি তীব্ৰ হৈ থাকে, গতিকে এই দিশত বিশ্বৰ অন্যতম দেশ হিচাপে ভাৰতে নেতৃত্ব বহন কৰি সৌৰ শক্তি (বিকল্প ইন্ধন) উৎপাদত বিশষ গুৰুত্ব দি আহিছে।

শতিকাজুৰি ভাৰতে এই কথাটো বিশ্বাস কৰি আহিছে যে প্ৰকৃতিৰ সৈতে সম্বন্ধ স্থাপন কৰাৰ ওপৰত গুৰুত্ব দিব লাগে, সংঘাট নহয়। এখন সংবেদনশীল আৰু দায়িত্বশীল ৰাষ্ট্ৰ হিচাপে ভাৰতৰ এই চিন্তাই আজি বিশ্বক দিশৰ সন্ধান দিছে। প্ৰধানমন্ত্ৰীয়ে দিয়া এটা সূৰ্য, এখন বিশ্ব, এটা গ্ৰীডৰ মন্ত্ৰটো আজি বিশ্বৰ আমোঘ মন্ত্ৰলৈ পৰিৱৰ্তিত হৈছে। বৃটেইনৰ গ্লাছগোত অনুষ্ঠিত হৈ যোৱা কোপ-২৬ৰ বৈঠকত ভাৰতে লোৱা পঞ্চামৃতৰ সংকল্প, জলবায়ু ন্যায়ৰ বাবে লোৱা সিদ্ধান্ত তথা কাৰিকৰী দিশত হ'বলগীয়া হস্তান্তৰ প্ৰক্ৰিয়াৰ বাবে লোৱা পদক্ষেপবোৰে বিশ্বত চৰ্চা লাভ কৰিছে। এইবাৰৰ প্ৰচ্ছদ লেখাত আমাৰ পৃথিৱীখন আৰু মানৱতাৰ ৰক্ষাৰ বাবে বিশ্বই লোৱা পদক্ষেপবোৰত ভাৰতে লোৱা নেতৃত্বৰ ওপৰত আলোকপাত কৰা হৈছে। ইয়াৰ লগতে কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দ্ৰ যাদৱৰ সাক্ষাৎকাৰটোৰে মানৱতাৰ প্ৰতি ভাৰতৰ থকা দায়ৱদ্ধতাৰ কথা সদৰি কৰিছে।

ইয়াৰ লগতে আঁচনিবোৰৰ ভিতৰত দিব্যাংগসকলৰ বাবে থকা সুগম্য ভাৰত অভিযান, বাবা চাহেব আম্বেডকাৰৰ মহাপ্ৰয়াণ উপলক্ষে কিদৰে লক্ষ্নৌ নগৰ বাবা চাহেবৰ স্নেহ ভূমি হৈ পৰিল আৰু পঞ্চতীৰ্থৰ বিকাশ এই সংখ্যাৰ মুখ্য আকৰ্ষণ হৈ পৰিছে। ব্যক্তিত্ব শিতানত ৰাজা মহেন্দ্ৰ প্ৰতাপ সিঙৰ সমাজৰ প্ৰতি বৰঙণি, স্বাধীনতাৰ অমৃত মহোৎসৱ শিতানত দেশৰ প্ৰথম ৰাষ্ট্ৰপতি ডাঃ ৰাজেন্দ্ৰ প্ৰসাদ তথা অন্য জীৱনে সকলোকে প্ৰেৰণা দিব। এইবোৰৰ লগতে নিয়মীয়াকৈ আমি দি থকা কোভিড সম্পৰ্কীয় বাতৰি আৰু আগন্তুক বৰ্ষত ভাৰতে বিশ্বক ৫০০ কোটি কোভিডৰ পালি যোগান ধৰাৰ সংকল্পৰ কথাৰ বিষয়ে প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে।

ঠিকনাঃ কোঠা নং-২৭৮, ব্যুৰ' অৱ আউটৰীচ্ছ
এণ্ড ক'মিউনিকেশ্বন,
দ্বিতীয় মহলা, সূচনা ভৱন,
নতুন দিল্লী-১১০০০৩
মেইলঃ response-nis@pib.gov.in

**(জয়দীপ ভাটনাগৰ)**




# পত্ৰালাপ...

নিউ ইণ্ডিয়া সমাচাৰ আলোচনীখনত সকলো বিষয়বোৰ সামৰি লোৱা হৈছে। এই বিষয়বোৰ যেনে বিজ্ঞান-প্ৰযুক্তি, ৰাজনীতি, সমাজৰ কথাবোৰ সন্নিৱিষ্ট হৈ আছে। মহান লোকৰ ব্যক্তিত্ব তথা প্ৰচ্ছদ লেখা সদায় আকৰ্ষণীয় হৈ আহিছে। সকলোতকৈ ভাল লগা কথা এইটোৱে যে এই আলোচনীখনৰ পৰা মোৰ দৰে লেখা-মেলা কৰা লোক এই আলোচনীখনৰ দ্বাৰা যথেষ্ট উপকৃত হৈ আহিছে। মোৰ বাবে নিউ ইণ্ডিয়া সমাচাৰ আশীৰ্বাদস্বৰূপ।

**পিকে সূৰ্যবংশী কৃষ্ণা**
**SURYABANSHIPK@GMAIL.COM**

এই আলোচনীখনৰ প্ৰতিটো সংখ্যা মই অনলাইনত পঢ়ি আছোঁ। এই আলোচনীখন কেৱল যে প্ৰয়োজনীয় তথ্যৰে ভৰি আছে এনে নহয়, লগতে ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত পাবলগীয়া উৎসাহো এই আলোচনীয়ে প্ৰদান কৰিছে। আলোচনীখনৰ প্ৰাঞ্জল ভাষা অতিকৈ উত্তম। এই আলোচনীখন দেশৰ প্ৰতিজন নাগৰিকে পঢ়িবলৈ পাব লাগে।

**ডাঃ অশোক বাংগা**
**ASHOKBANGA@GMAIL.COM**

ভোকেল ফৰ লোকেলক লৈ প্ৰস্তুত কৰা সংখ্যাটো উত্তম সংখ্যা আছিল। দেশৰ এই কণ্ঠৰ বাবে মই অপেক্ষা কৰি থাকোঁ। প্ৰচ্ছদ লেখা তথা সম্পাদকীয়বোৰ উন্নত হয়। দেশৰ প্ৰতিটো প্ৰান্তৰ খবৰ আৰু বিভিন্ন বাতৰিবোৰে এই আলোচনীখনক উন্নতৰ পৰা উন্নত কৰিছে।

**মনীষ মিত্ৰ মেহতা**
**MEHTAMANISH806@GMAIL.COM**

মই গ্ৰামীণ এলেকাত বাস কৰোঁ। মোৰ ইয়াত অন্য কোনো আলোচনী উপলব্ধ নহয়। কিন্তু যেতিয়াৰ পৰা নিউ ইণ্ডিয়া সমাচাৰ বিনামূলীয়াকৈ বিতৰণ কৰা আৰম্ভ হৈছে তেতিয়াৰ পৰা মোৰ লগতে মোৰ বন্ধুসকলৰ বাবে চৰকাৰী প্ৰতিযোগিতামূলক পৰীক্ষাত প্ৰস্তুতিৰ বাবে সহায়ক হৈছে। ভাৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপবোৰ এই আলোচনীখনে যথেষ্ট সহজ-সৰল ভাষাত ব্যক্ত কৰি আহিছে। এই পদক্ষেপে আমাক উপকৃত কৰিছে।

**শিৱম মিশ্ৰ**
**SM79531@GMAIL.COM**

নিউ ইণ্ডিয়া সমাচাৰখন মোৰ বাবে যথেষ্ট লাভজনক হৈ পৰিছে। প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে এই আলোচনীত প্ৰকাশিত খবৰবোৰে যথেষ্ট সহায়ক হৈ পৰিছে। আলোচনীখনত প্ৰকাশিত বিভিন্ন আঁচনিৰ খবৰবোৰ তথা ভোকেল ফৰ লোকেল, আত্মনিৰ্ভৰ ভাৰত, টিকাকৰণ অভিযান আদিবোৰৰ উৎকৃষ্ট খবৰবোৰ পোৱা যায়। স্বাধীনতাৰ অমৃত মহোৎসৱত জনতাৰ অংশীদাৰিত্ব নিতৌ বৃদ্ধি পাবলৈ ধৰিছে।

**বীৰবল ৰাম গৌৰছিয়া**
**BIRBALRAM1021998@GMAIL.COM**

## আপোনালোকৰ বহুমূলীয়া পৰামৰ্শ আগবঢ়াওক

**যোগাযোগৰ ঠিকনা আৰু ই-মেইলঃ**

কোঠা নং-২৭৮, ব্যুৰ' অৱ আউটৰীচ্ছ
এণ্ড ক'মিউনিকেশ্বন,
দ্বিতীয় মহলা, সূচনা ভৱন
নতুন দিল্লীঃ ১১০০০৩

**response-nis@pib.gov.in**

# কৃষকৰ দাবীৰ প্ৰতি সঁহাৰি জনাই চৰকাৰৰ ডাঙৰ সিদ্ধান্ত, প্ৰধানমন্ত্ৰীয়ে ক'লে- তিনিখন কৃষি আইন প্ৰত্যাহাৰ কৰা হ'ব

ভাৰতবৰ্ষৰ কৃষকসকল যাতে ভ্ৰমৰ চিকাৰ নহয় তাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সাহসী পদক্ষেপ গ্ৰহণ কৰি কৃষি সংস্কাৰৰ সৈতে জড়িত হৈ থকা তিনিখনকৈ গুৰুত্বপূৰ্ণ কৃষি আইন প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। দেশৰ ৮০ শতাংশ ক্ষুদ্ৰ খেতিয়কৰ হিত সাধনৰ বাবে অনা কৃষি আইন কেইখনৰ সন্দৰ্ভত দীৰ্ঘ সময়ৰ পৰা কেতবোৰ ভ্ৰম প্ৰচাৰ কৰা হৈছিল আৰু চৰকাৰৰ অলেখ প্ৰচেষ্টাই সেয়া দূৰ কৰিব পৰা নাছিল। ইয়াৰ পৰিপ্ৰেক্ষিটত সংবেদনশীল চৰকাৰ আৰু নেতৃত্বৰ পৰিচয় দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ লগতে কৃষকৰ সৈতে জড়িত হৈ থকা বিষয়ত গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱাৰ বাবে এখন বিশেষজ্ঞ সমিতি গঠন কৰাৰ কথাও ঘোষণা কৰে।



কৃষিখণ্ডৰ বিকাশ আৰু কৃষকৰ কল্যাণত বৰ্তমানৰ চৰকাৰে সৰ্বোচ্চ গুৰুত্ব দি আহিছে। ইয়াৰ অংশস্বৰূপে চৰকাৰে নূন্যতম সমৰ্থন মূল্য (এমএছপি) বৃদ্ধি কৰিছে আৰু লগতে সৰ্বাধিক চৰকাৰী ক্ৰয় হৈছে। প্ৰণয়ন হোৱা তিনিখনকৈ কৃষি আইনৰ উদ্দেশ্য আছিল দেশৰ ক্ষুদ্ৰ খেতিয়কসকলক শক্তিশালী কৰা, তেওঁলোকৰ দ্বাৰা উৎপাদিত কৃষিজাত সামগ্ৰীয়ে সৰ্বাধিক মূল্য লাভ কৰাটো আৰু বিক্ৰীৰ বাবে বিকল্প দিয়া। কিন্তু ১৯ নৱেম্বৰ তাৰিখে গুৰু নানক জয়ন্তীৰ পৱিত্ৰ দিনটোত প্ৰধানমন্ত্ৰীয়ে এই তিনিখন আইন প্ৰত্যাহাৰ কৰাৰ কথা ঘোষণা কৰে। আগন্তুক শীতকালীন অধিৱেশনত কৃষি আইন প্ৰত্যাহাৰৰ সাংবিধানিক প্ৰক্ৰিয়া শেষ কৰা হৈ যাব।

## চৰকাৰী কাৰ্যালয়ত স্বচ্ছতা, ৮ লাখ বৰ্গফুট ঠাই খালী, ৪০ কোটি টকাৰ আয়

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ৭ বছৰৰ পূৰ্বে আৰম্ভ হোৱা স্বচ্ছ ভাৰত অভিযান জন-আন্দোলন হোৱাৰ লগতে এই অভিযানে দেশৰ ছবি সলনি কৰিছে। স্বচ্ছতা মিছনৰ অধীনত দেশত মুকলিত শৌচ কৰা কুপ্ৰথা নাইকীয়া হৈছে। স্বচ্ছতা অভিযানৰ অংশ স্বৰূপে গান্ধী জয়ন্তীৰ পৰা ৩১ অক্টোবৰ পৰ্যন্ত চৰকাৰী কাৰ্যলয়বোৰত বিশেষ স্বচ্ছতা অভিযান চলোৱা হৈছে। সৰ্বমুঠ ১৫ লাখ ২৩ হাজাৰ ৪৬৪ ফাইলৰ ভিতৰত ১৩ লাখ ৭৩ হাজাৰ ২০৪ৰো অধিক ফাইলৰ আৱৰ্জনা দূৰ কৰা হৈছে। ৩০ দিনত ২,৯১,৬৯২ অভিযোগ নিস্পত্তি কৰা হৈছে। সাংসদসকলৰ দ্বাৰা প্ৰেৰণ কৰা ১১,০৫৭ বিষয়ৰ ভিতৰত ৮,২৮২ৰ সমাধান কৰা হৈছে। কেৱল এয়াই নহয়, এই চাফাই অভিযানৰ দ্বাৰা চৰকাৰৰ ৪০ কোটি টকা লাভ হৈছে। ৮ লাখ বৰ্গফুট এলেকা খালী হৈছে।

## অক্টোবৰ মাহত জিএছটি সংগ্ৰহ ১.৩ লাখ কোটিৰো অধিক হৈছে, পিএমআই ৭ মাহৰ ভিতৰত সৰ্বাধিক

কোভিড কালৰ সময়ত ভাৰতৰ অৰ্থনীতিৰ ওপৰত কেতবোৰ প্ৰশ্ন উত্থাপন কৰা হোৱাৰ লগতে যথেষ্ট শংকাও ব্যক্ত কৰা হৈছিল। কিন্তু এই শংকাবোৰ লাহে লাহে অমূলক হৈ পৰিছে কিয়নো অৰ্থনীতিৰ দিশত লাভ কৰা পৰিসংখ্যাবোৰে অন্য এক ছবি প্ৰতিফলিত কৰিছে। এইখিনিতে অৰ্থনীতিৰ ক্ষেত্ৰত ভাল খবৰ আছে। অক্টোবৰ মাহটো দেশত জিএছটিৰ সংগ্ৰহৰ পৰিমাণ ১ লাখ ৩০ হাজাৰ ৩২৭ কোটি টকা অতিক্ৰম কৰিছে তথা মেনুফেকচাৰিং পাৰছেজিং মেনেজাৰ্চ ইণ্ডেক্স চমুকৈ পিএমআইত (উৎপাদিত ক্ৰয় ব্যৱস্থাপনা সূচাংক) ক্ৰমাগত চতুৰ্থ মাহৰ বাবে বৃদ্ধি পাইছে। অক্টোবৰ মাহত দেশৰ পিএমআই ৫৫.৯ আছিল। সেয়া ছেপ্তেম্বৰত ৫৩.৭ আৰু আগষ্টত ৫২.৩ আছিল। পিএমআই ৫০ শতাংশৰ ওপৰত থকাৰ অৰ্থ হৈছে অৰ্থনীতিৰ বিস্তাৰ। একেদৰে জিএছটিৰ বৰ্ধিত সংগ্ৰহো মহত্বপূৰ্ণ কিয়নো জিএছটি প্ৰযোজ্য হোৱাৰ পাছৰ পৰা এয়া দ্বিতীয় সৰ্বাধিক সংগ্ৰহ। ২০২১ৰ এপ্ৰিলত জিএছটি সংগ্ৰহ ১.৩ লাখ কোটি টকা আছিল।

# সৰ্বাধিক জনপ্ৰিয়তাঃ ৭০ শতাংশ মনোনয়ন ৰেটিঙৰ সহায়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী হৈ পৰিছে বিশ্বৰ সৰ্বাধিক জনপ্ৰিয় নেতা



প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পুনৰবাৰ বিশ্বৰ সৰ্বাধিক জনপ্ৰিয় নেতা হৈ পৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ডাটা ইন্টেলিজেঞ্চ সংস্থা দ্যা মৰ্ণিং কনচাল্টৰ সমীক্ষা অনুসৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এপ্ৰুভেল ৰেটিঙে (মনোনয়নৰ হাৰ) বিশ্বৰ অন্যান্য ৰাষ্ট্ৰনেতা যেনে আমেৰিকা যুক্তৰাষ্ট্ৰৰ জ' বাইডেন আৰু বৃটেইনৰ প্ৰধানমন্ত্ৰী বোৰিছ জনছনসহ বিশ্বৰ ১৩খন ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপ্ৰধানক পাছ পেলাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এপ্ৰুভেল ৰেটিং ৭০ শতাংশ হয়। ৫ নৱেম্বৰ তাৰিখে উন্নীত হোৱা তথ্য অনুসৰি দেশৰ প্ৰধানমন্ত্ৰী বিশ্বৰ কেইবাখনো ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীতকৈ আগবাঢ়ি আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্বৰ একাধিক জনপ্ৰিয় নেতা যেনে মেক্সিকোৰ ৰাষ্ট্ৰপতি আন্দ্ৰে মেনুৱেল লোপেজ অব্ৰাডৰ, ইটালীৰ প্ৰধানমন্ত্ৰী মাৰিঅ' দ্ৰাঘি, জাৰ্মানীৰ এঞ্জেলা মাৰ্কেল, আমেৰিকা যুক্তৰাষ্ট্ৰৰ জ' বাইডেনক অতিক্ৰম কৰিছে। এই তালিকাত অন্য একাধিক ৰাষ্ট্ৰ যেনে অষ্ট্ৰেলিয়া, কানাডা, বৃটেইন, ব্ৰাজিলৰ ৰাষ্ট্ৰপ্ৰধান আছে যিসকলক মোদীয়ে জনপ্ৰিয়তাৰ ক্ষেত্ৰত পাছ পেলাইছে। এই তালিকাত আমেৰিকা যুক্তাৰাষ্ট্ৰৰ ৰাষ্ট্ৰপ্ৰধানে পঞ্চম স্থানৰ পৰা ষষ্ঠ স্থান পাইছে আৰু বৃটেইনৰ প্ৰধানমন্ত্ৰীয়ে অষ্টমৰ পৰা দশম স্থানলৈ অবনমিত হৈছে।

## মেক ইন ইণ্ডিয়াৰ সবলীকৰণঃ প্ৰতিৰক্ষা খণ্ডত প্ৰায় ৮ কোটি টকাৰ ক্ৰয়ৰ ক্ষেত্ৰত অনুমোদন

সবল সেনা, শক্তিশালী ৰাষ্ট্ৰৰ প্ৰতীক চিহ্ন হয়। স্বাধীনতাৰ এই অমৃত কালত দেশৰ হিত সাধনৰ বাবে তথা দেশৰ ভৱিষ্যৎ উজ্জ্বল কৰি তোলাৰ বাবে প্ৰতিৰক্ষা বিভাগৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে আৰু লগতে দেশৰ সৈন্য বাহিনীক বিশ্বৰ সৰ্বশ্ৰেষ্ঠ কৰি তোলাৰ স্বাৰ্থত কাম কৰি থকা হৈছে। এই দিশত কাম কৰি থকাৰ ক্ষেত্ৰত বিজয়দশমীৰ দিনাখন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৪১টা হিলৈদাৰী উদ্যোগ প্ৰতিষ্ঠাৰ বাবে ৭ টা কোম্পানীৰ নিৰ্মাণত অনুমোদন জনাইছিল, ঠিক এই পদক্ষেপকে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ অধ্যক্ষতাত থকা প্ৰতিৰক্ষা অধিগ্ৰহণ পৰিষদে ৭,৯৬৫ কোটি টকাৰ অস্ত্ৰ-শস্ত্ৰ তথা অন্য সা-সৰঞ্জাম ক্ৰয়ৰ ক্ষেত্ৰত মঞ্জুৰি দিছে। ইয়াৰ ভিতৰত হিন্দুস্থান এৰ'নেটিকছ লিমিটেডৰ দ্বাৰা ড'ৰনিয়েৰ যুদ্ধবিমানৰ উন্নীতকৰণ তথা ১২ খন নতুন লঘু হেলিকপ্তাৰ ক্ৰয় আৰু লগতে ভাৰত ইলেক্ট্ৰ'নিক লিমিটেডৰ পৰা লিংক্স ইউ২ নেভেল গানফায়াৰ নিয়ন্ত্ৰণ ব্যৱস্থাপক ক্ৰয় কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে।



## শ্ৰীনগৰৰ শিল্প কলাক বিশেষ স্বীকৃতি, ইউনেস্ক'ৰ সৃষ্টিশীল চহৰৰ সূচীত অন্তৰ্ভুক্ত

সংবিধানৰ ৩৭০ অনুচ্ছেদ বাতিল কৰাৰ পাছত জম্মু-কাশ্মীৰবাসী সাধাৰণ জনতাই কেন্দ্ৰ চৰকাৰৰ বিভিন্ন আঁচনিৰ লাভালাভ পাবলৈ সক্ষম হোৱাৰ লগতে স্থানীয় শিল্পকলাৰো গুৰুত্ব বিশ্বস্তৰত বৃদ্ধি পাইছে। অলপতে ৰাষ্ট্ৰসংঘৰ সংস্থা ইউনেস্ক'ই ঘোষণা কৰা বিশ্বৰ সৃষ্টিশীল চহৰৰ বোৰৰ ভিতৰত শ্ৰীনগৰে স্থান লাভ কৰিছে। ইউনেস্ক'ই ঘোষণা কৰা এই তালিকাত লোক শিল্প, হস্ত শিল্প, মিডিয়া, চিনেমা, সাহিত্য, ৰূপাংকন, আদি বিভিন্ন ৰচনাত্মক শিল্পকলাবোৰৰ মাপ নিৰ্ধাৰণ কৰি বিশ্বৰ বিভিন্ন চহৰ-নগৰৰ তালিকা প্ৰস্তুত কৰা হয়। শ্ৰীনগৰক শিল্প আৰু কলাৰ বাবে এই তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে। বিশ্বৰ ৯০খন দেশৰ ২৯৫খন চহৰ এই তালিকাৰ অন্তৰ্ভুক্ত হৈ আছে। এই খবৰটো পোৱাৰ পাছত প্ৰধানমন্ত্ৰীয়ে টুইট কৰে, "শ্ৰীনগৰৰ সাংস্কৃতিক বিচিত্ৰতাই স্বীকৃতি পাইছে। জম্মু-কাশ্মীৰবাসীক অভিনন্দন।" সৃষ্টিশীল চহৰৰ তালিকাত শ্ৰীনগৰক অন্তৰ্ভুক্ত কৰাৰ বাবে ২০১৯ চনতেই প্ৰস্তাৱ দিয়া হৈছিল। সেইসময়ত কিন্তু হায়দৰাবাদক গেষ্ট্ৰ'নমী আৰু মুম্বাইক চিনেমাৰ বাবে নিৰ্বাচিত কৰা হৈছিল।

# পঞ্চতীৰ্থৰ পৰা স্নেহভূমি লক্ষ্নৌলৈ ডঃ বাবা চাহেবৰ প্ৰেৰণামূলক জীৱন

নৈতিকতা, সমতা, আত্মসন্মান আৰু ভাৰতীয়ত্ব। বাবা চাহেব ডঃ ভীমৰাও আম্বেদকাৰৰ জীৱন দৰ্শনৰ চাৰিটা মহত্বপূৰ্ণ স্তম্ভ হয়, এই স্তম্ভৰ ওপৰত নিৰ্ভৰ কৰি নতুন ভাৰত আগবাঢ়িব ধৰিছে। কেন্দ্ৰ চৰকাৰে পঞ্চতীৰ্থৰ ৰূপত বাবা চাহেবৰ জীৱনৰ সৈতে জড়িত হৈ থকা স্থানবোৰৰ বিকাশ সাধনৰ লগতে সাংস্কৃতিক মনোভাৱ গঢ়ি এক নতুন পৰিচয় আগবঢ়াইছে। শেহতীয়াকৈ ৰাষ্ট্ৰপতি ৰামনাথ কোৱিন্দে লক্ষ্নৌ চহৰত ডঃ ভীমৰাও আম্বেদকাৰ সাংস্কৃতিক কেন্দ্ৰৰ শিলান্যাস কৰি ৰাষ্ট্ৰপতিয়ে লক্ষ্নৌক বাবা চাহেবৰ "স্নেহভূমি" আখ্যা দিছে...



নিজৰ জীৱনটো বাবা চাহেবে সমাজৰ পাছপৰা শ্ৰেণীৰ উত্তৰণ, নিস্পেষিতজন, দলিত শ্ৰেণী তথা আদিবাসীসকলৰ বাবে উৎসৰ্গা কৰিছিল। সমাজৰ বিকাশৰ পথত যিসকল পাছপৰি ৰৈছে, যিসকল লোক বঞ্চিত হৈ পৰিছে তথা সমাজত শোষণৰ বলি হৈছে তেনে লোকসকলে আজি নিজৰ অধিকাৰৰহকে মাত মাতিবলৈ সাহস পাইছে, আইনৰ সহায় বিচাৰিছে- এয়া সম্ভৱ হৈ উঠিছে বাবা চাহেব আম্বেদকাৰে কৰা কষ্ট আৰু ত্যাগৰ বাবে। এই চেতনা আম্বেদকাৰৰ বাবেই জাগ্ৰত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কোৱা এই কথাষাৰৰ গূঢ়াৰ্থ এয়াই যে নতুন ভাৰতৰ সংকল্প হৈছে সকলোৰে বাবে

> এই লক্ষ্নৌ চহৰৰ সৈতে বাবা চাহেবৰ বিশেষ সম্পৰ্ক আছে। এই কাৰণটোৰ বাবে লক্ষ্নৌক বাবা চাহেবৰ স্নেহভূমি বুলি আখ্যা দিব পাৰি। বাবা চাহেবৰ গুৰু সদৃশ বোধানন্দ জী আৰু তেওঁক দীক্ষা প্ৰদান কৰা ভদন্ত প্ৰজ্ঞানন্দ জীৰ ঘৰ লক্ষ্নৌত হয়।
>
> **ৰামনাথ কোৱিন্দ, ৰাষ্ট্ৰপতি**

## জন্মভূমি মহুত স্মাৰক

২০১৬ চনৰ ১৪ এপ্ৰিলত ১২৫ সংখ্যক আম্বেদকাৰ জয়ন্তীত মহুত উপস্থিত হৈ প্ৰধানমন্ত্ৰীয়ে শ্ৰদ্ধা জনায়।





## লণ্ডনৰ শিক্ষা ভূমি

লণ্ডনৰ যিটো ঘৰত বাবা চাহেবে শিক্ষা লৈছিল সেই ঘৰটো কেন্দ্ৰৰ তৎপৰতাত মহাৰাষ্ট্ৰ চৰকাৰে ২০১৫ চনত ক্ৰয় কৰিছিল।

## দিল্লীত আম্বেদকাৰ স্মাৰক আৰু আন্তঃৰাষ্ট্ৰীয় কেন্দ্ৰ





ড° আম্বেদকাৰৰ মহাপ্ৰয়াণ দিল্লীৰ ২৬ আলিপুৰ পথত থকা যি ভৱনত হৈছিল সেইটোক প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰীয় সংগ্ৰহালয়ৰ ৰূপত উন্মোচন কৰিছিল। ১৫ জনপথ পথত আম্বেদকাৰ আন্তঃৰাষ্ট্ৰীয় কেন্দ্ৰ স্থাপন কৰা হৈছে। ১৯২ কোটি টকাৰ ব্যয়ৰে এই ভৱন নিৰ্মাণ কৰা হৈছে।

## দীক্ষা স্থলত স্মাৰক

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰচেষ্টাতে আম্বেদকাৰৰ ১২৫ সংখ্যাক জয়ন্তীত তেওঁৰ দীক্ষা স্থলক বিশ্বস্তৰৰ পৰ্যটন স্থলী হিচাপে নিৰ্মাণ কৰি পৰ্যটকৰ বাবে মুকলি কৰা হৈছে।





## চৈত্য ভূমিত স্মাৰক

মুম্বাইৰ চৈত্য ভূমিত বাবা চাহেব স্মাৰকৰ বিকাশ সাধন কৰি নতুন ৰূপ দিয়া হৈছে। ২০১৫ চনৰ ১১ অক্টোবৰত প্ৰধানমন্ত্ৰীয়ে ভূমি পূজন কৰিছিল।

“ ড° বাবাচাহেব আম্বেদকাৰ পাছপৰা শ্ৰেণীৰ সৈতে জড়িত মোৰ দৰে কোটি সংখ্যক লোকৰ বাবে প্ৰেৰণা। তেওঁ আমাক এই পথ প্ৰদৰ্শন কৰিছিল যে জীৱনত আগুৱাই যাবলৈ ধনী ঘৰ বা কোনো ডাঙৰ ব্যক্তিৰ পৰিয়ালত জন্ম লভাৰ প্ৰয়োজন নাই, দৰিদ্ৰ পৰিয়ালত জন্ম গ্ৰহণ কৰা সন্তানেও স্বপ্ন দেখিব পাৰে আৰু সেই সপোনবোৰ পূৰ্ণ কৰাৰ প্ৰয়াস কৰি সফলতা লাভ কৰিব পাৰে। বাব চাহেবক হয়তো এই চৰকাৰে যিমান সন্মান দিছে সেয়া পূৰ্বে কোনেও দিয়া নাছিল। তেওঁ দেখুওৱা পথ পৰিহাৰ কৰি আমি কেতিয়াও আগবাঢ়ি যাব নোৱাৰোঁ।

**- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী।** ”

সমান অধিকাৰ, সুবিধা প্ৰদান। জাতিগত উৎপীড়নৰ পৰা মুক্ত সমাজ আৰু প্ৰযুক্তিগত দিশত আগবাঢ়ি যোৱা এখন সমাজ। কেন্দ্ৰ চৰকাৰে বাবা চাহেবৰ সপোনবোৰ ২০২২ চনৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য বান্ধি লৈছিল আৰু অন্যহাতে তেওঁ স্মৃতিৰ সৈতে জড়িত হৈ থকা ঠাইবোৰক পঞ্চতীৰ্থৰ ৰূপত এইদৰে গঢ়া হওক যাতে আধুনিক প্ৰজন্মই সেইবোৰৰ পৰা প্ৰেৰণা ল'বলৈ সক্ষম হয়। এই বৰ্ষতে ৰাষ্ট্ৰপতিয়ে উত্তৰপ্ৰদেশৰ লক্ষ্ণৌত ড° ভীমৰাও আম্বেদকাৰ সাংস্কৃতিক কেন্দ্ৰৰ নিৰ্মাণৰ বাবে আধাৰশিলা স্থাপন কৰে।

ভাৰতৰ ৰাষ্ট্ৰপতি হিচাপে দায়িত্ব লোৱাৰ পাছত প্ৰথমবাৰৰ বাবে ৰামনাথ কোৱিন্দে বিগত জুন মাহত উত্তৰ প্ৰদেশৰ কানপুৰৰ গ্ৰামাঞ্চলত পৈত্ৰিক গাঁও পৰৌখত উপস্থিত হয়। ৰাষ্ট্ৰপতিয়ে নিজ গাঁৱত আম্বেদকাৰৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পন কৰে। তাৰ পাছত তেওঁ পৈত্ৰিক ঘৰ পৰিদৰ্শন কৰে, এই ঘৰটোক এতিয়া গ্ৰামাঞ্চলবাসী


# বাবা চাহেবৰ সন্মানত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহ



- আম্বেদকাৰৰ ১২৫ সংখ্যক জয়ন্তী বৰ্ষত ২৬ নৱেম্বৰ, ২০১৫ৰ দিনটোৰ পৰা সংবিদান দিৱস পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সংসদৰ দুয়োখন সদনত আম্বেদকাৰ সম্পৰ্কত বিস্তৃত আলোচনা হয়।
- আম্বেদকাৰৰ ১২৫ সংখ্যক জয়ন্তী বৰ্ষটোত তেওঁৰ স্মৰণত ১২৫ টকা আৰু ১০ টকাৰ স্মাৰক মুদ্ৰা মুদ্ৰণ কৰা হয়। আম্বেডকাৰ জয়ন্তী ১৪ এপ্ৰিলক সামাজিক সমণ্বয়তা দিৱস হিচাপে পালন কৰাৰ সিদ্ধান্ত লোৱা হৈছে। ৰাষ্ট্ৰসংঘটো প্ৰথমবাৰৰ বাবে ২০১৬ চনত আম্বেডকাৰ জয়ন্তী পালন কৰা হয়।
- গ্ৰাম স্বৰাজ অভিযানঃ ২০১৮ চনৰ ১৪ এপ্ৰিলৰ পৰা ৫ মে তাৰিখলৈ গ্ৰাম স্বৰাজ অভিযান পালন কৰা হয়। সমাজৰ প্ৰতিটো শ্ৰেণীৰ সম-উন্নয়নত গুৰুত্ব দিয়া তথা পাছপৰা শ্ৰেণীৰ বিকাশৰ বাবে বাবা চাহেবৰ দৃষ্টিকোণক অধিক উৎসাহিত কৰাৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা হয়।
- সকলোৰে সৈতে, সকলোৰে গাঁও আৰু সকলোৰে বিকাশ শীৰ্ষক উদ্দেশ্য আগত ৰাখি আৰম্ভ হোৱা এই অভিযানে সামাজিক সমণ্বয়তা বৃদ্ধি কৰিছে আৰু ২১ হাজাৰ গাঁৱঁলৈ কেন্দ্ৰ চৰকাৰৰ প্ৰতিনিধি পঠোৱা হৈছে।
- ইয়াৰ সৈতে সাতখন ধ্বজ্জাবাহক আঁচনি--- প্ৰধানমন্ত্ৰী উজ্জ্বলা আঁচনি, সৌভাগ্য উজালা আঁচনি, প্ৰধানমন্ত্ৰী জন ধন আঁচনি, প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা আঁচনি, প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা আঁচনি আৰু মিছন ইন্দ্ৰধনুশৰ অন্তৰ্গত হিতাধিকাৰী তথা পৰিয়ালবৰ্গত সুবিধা প্ৰদানৰ বিশেষ পদক্ষেপ লোৱা হৈছে।
- ডিজিটেল লেনদেনক উৎসাহিত কৰাৰ বাবে আৰম্ভ হোৱা ডিজিটেল প্লেটফৰ্মৰ নাম ভীম ৰখা হৈছে। এয়া বাবা চাহেবৰ সন্মানত কৰা হৈছে। এই অভিযানৰ দ্বিতীয় পৰ্যায়ত ১১৭খন আকাংক্ষা জিলাত আঁচনিবোৰ প্ৰণয়ন কৰা হৈছে। এই অভিযানৰ সৈতে জড়িত হৈ থকা ৭খন ধ্বজ্জাবাহক আঁচনিৰ লগতে শিক্ষা, পুষ্টি, স্বাস্থ্য, কৌশল বিকাশ আৰু কৃষিৰ অধীনত অন্য পাঁচ প্ৰাথমিকতাক সংযুক্ত কৰা হৈছে।

বাবে সমূহীয়া কেন্দ্ৰ হিচাপে ৰূপান্তৰ কৰা হৈছে। নিজৰ এই যাত্ৰাৰ কথা উল্লেখ কৰি ৰাষ্ট্ৰপতি যেতিয়া লক্ষ্ণৌত উপস্থিত হৈছিল তেতিয়া তেওঁ ড° ভীমৰাও আম্বেদকাৰ সাংস্কৃতিক কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰিছিল তেতিয়া তেওঁ অলপ এইদৰে কৈছিল, "এই লক্ষ্ণৌ চহৰৰ সৈতে বাবা চাহেবৰ বিশেষ সম্পৰ্ক আছে। এই কাৰণটোৰ বাবে লক্ষ্ণৌক বাবা চাহেবৰ স্নেহভূমি বুলি আখ্যা দিব পাৰি। বাবা চাহেবৰ গুৰুৰ সদৃশ বোধানন্দ জী আৰু তেওঁক দীক্ষা প্ৰদান কৰা ভদন্ত প্ৰজ্ঞানন্দ জীৰ ঘৰ লক্ষ্ণৌত হয়।" বাবা চাহেবৰ সৈতে জড়িত হৈ থকা স্থানবোৰক শ্ৰদ্ধা ভাৱ আৰু সংকল্পৰ শক্তিৰে আগুৱাই নি কেন্দ্ৰ চৰকাৰে বিগত কেইটামান বছৰত এইদৰে কাম কৰিছে যে সেয়া ইয়াৰ পূৰ্বে কল্পনা কৰিব পৰা হোৱা নাছিল। আম্বেদকাৰৰ জন্মস্থান মহুৰ কথাই কওক বা মহাৰাষ্ট্ৰৰ ইন্দু মিলৰ ভূমি ক্ৰয় কৰি চৈত্য ভূমিত স্মাৰকৰ বিকাশ সাধন বা নাগপুৰৰ দীক্ষাস্থলক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিকাশ সাধন কৰাৰ কথা তথা লণ্ডনত শিক্ষা লৈ থকাৰ সময়ত যি ভৱনত বাবা চাহেব আছিল সেই ভৱনক শিক্ষা ভূমিৰূপে বিকশিত কৰা তথা দিল্লীত আম্বেদকাৰৰ মহাপ্ৰয়াণ স্থল আৰু জনপথত স্মাৰক আদিৰ বিকাশ সাধনেৰে কেন্দ্ৰ চৰকাৰে ৰাজ্য চৰকাৰৰ সৈতে মিলি পঞ্চতীৰ্থৰ বিকাশ সাধন কৰিছে।

বাবা চাহেবে দিয়া আদৰ্শত কাম কৰি আজি দেশৰ গণতন্ত্ৰ শক্তিশালী হৈছে তথা সমাজৰ নিস্পেষিতজনে নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ সক্ষম হৈছে। এইবোৰ কাৰণতে বাবাচাহেব সদায় সকলোৰে বাবে প্ৰেৰণাৰ উৎস হৈ আছে। ●



# দেশৰ প্ৰথম নিৰ্বাসিত চৰকাৰ গঠন কৰা ব্যক্তিজন

ভাৰতৰ হাজাৰ বৰ্ষৰ ইতিহাসত এনে অনেক ৰাষ্ট্ৰভক্ত আছে যিসকলে সময়ে সময়ে দেশত নিজৰ অনুশাসন, তপস্যাৰ মাধ্যমত দিশ প্ৰদান কৰি আহিছে। দেশৰ স্বাধীনতা আন্দোলনত এনে অনেক ব্যক্তি আছে যিসকলে নিজৰ সকলো দেশৰ বাবে ত্যাগ কৰিছিল। কিন্তু দেশৰ বাবে এয়া দুৰ্ভাগ্যজনক কথা যে স্বাধীনতাৰ পাছত এই দেশভক্তসকলক লৈ বিশেষ চৰ্চা হোৱা নাছিল তথা তেওঁলোকক নতুন প্ৰজন্মৰ সৈতে পৰিচয় কৰাই দিয়া হোৱা নাছিল। দেশৰ একাধিক প্ৰজন্মই এওঁলোকৰ বিষয়ে নজনাকৈ থাকি গৈছিল। বিংশ শতিকাৰ সেই আঁসোৱাহবোৰ এতিয়া একবিংশ শতিকাত ঠিক কৰা হৈছে। আজি যেতিয়া দেশে স্বাধীনতাৰ ৭৫ বছৰ উদযাপন কৰি আছে, স্বাধীনতাৰ অমৃত মহোৎসৱ পালন কৰি আছে তেনে সময়ত এই প্ৰচেষ্টাবোৰক অধিক গতি প্ৰদান কৰা হৈছে। ভাৰতৰ স্বাধীনতা আন্দোলনত ৰাজা মহেন্দ্ৰ প্ৰতাপ সিঙৰ অৱদানক এই ছেগতে স্মৰণ কৰি এই প্ৰতিবেদন আগবঢ়োৱা হৈছে...

**জন্মঃ ১ ডিচেম্বৰ, ১৮৮৬ মৃত্যুঃ ২৯ এপ্ৰিল, ১৯৭৯**

মহেন্দ্ৰ প্ৰতাপ সিঙৰ জন্ম ১ ডিচেম্বৰ, ১৮৮৬ত হাথৰছত হৈছিল। হাথৰছৰ মুৰসান ৰজাঘৰীয়া শাসকৰ ঘৰত মহেন্দ্ৰ প্ৰতাপ সিঙৰ জন্ম হৈছিল। শিশু কালত তেওঁ হাথৰছৰ ৰজা হৰনাৰায়ণ সিঙে পুত্ৰ সন্তানৰূপে দত্তক লৈছিল। বৃন্দবনৰ এটা মহলত তেওঁ নিজৰ বাল্য কাল অতিবাহিত কৰিছিল। প্ৰথমতে এখন চৰকাৰী স্কুলত তেওঁ শিক্ষাগ্ৰহণ কৰিছিল কিন্তু পাছলৈ তেওঁ মোহম্মদন এংলো অ'ৰিয়েন্টেল কলেজিয়েট স্কুলত ভৰ্তি হৈ শিক্ষা গ্ৰহণ কৰে। এই বিদ্যালয় পাছলৈ আলিগড় মুছলিম বিশ্ববিদ্যালয় হিচাপে জনাজাত হয়। ১৯০৬ চনত তেওঁ মহাৰাজাৰ আদেশ অমান্য কৰি কংগ্ৰেছৰ অধিৱেশনত যোগদান কৰে আৰু ইয়াৰ পৰাই তেওঁৰ মনত স্বদেশী ভাৱনা জাগ্ৰত হয়। স্বাধীনতা আন্দোলনত অংশ লোৱা বিভিন্ন নেতাৰ সৈতে কথা-বতৰা হোৱাৰ পাছত মহেন্দ্ৰ সিঙৰ মনত দেশভক্তিৰ ভাৱ উদ্বেলিত হয় আৰু তেওঁ স্থানীয় উদ্যোগ আৰু স্বদেশী সামগ্ৰীৰ উৎপাদনত উৎসাহ যোগোৱাৰ সংকল্প লয়। দাদাভাই নৌৰজী, বাল গংগাধৰ তিলক, বিপিন চন্দ্ৰ পালৰ দ্বাৰা তেওঁ যথেষ্ট প্ৰভাৱিত হয়। নিজ ৰাজ্যত বিদেশী কাপোৰ জ্বলোৱাৰ কামটো তেওঁ প্ৰথমে আৰম্ভ কৰে। তেওঁ ১৯০৯ চনত বৃন্দাবনত প্ৰেম মহাবিদ্যালয় স্থাপন কৰে আৰু এই মহাবিদ্যালয় কাৰিকৰী শিক্ষাৰ প্ৰথম প্ৰতিষ্ঠান আছিল। মদনমোহন মালব্য এই কেন্দ্ৰৰ উদ্বোধন অনুষ্ঠানত উপস্থিত আছিল। এই সময়চোৱাতে প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হয় আৰু ৰাজা মহেন্দ্ৰ প্ৰতাপৰ মনত দেশভক্তিৰ ভাৱ অধিক তীব্ৰ হৈ পৰে। সেই কাৰণে তেওঁ ইউৰোপৰ অন্য দেশৰ সহযোগিতাত ভাৰতৰ পৰা ইংৰাজক উচ্ছেদ কৰাৰ ইচ্ছা মনত পুহি বিদেশী ৰাষ্ট্ৰৰ নেতৃত্বৰ সৈতে আলোচনাত মিলিত হয় আৰু শেষত কাবুলত উপস্থিত হয়। ১৯১৫ চনৰ ১ ডিচেম্বৰ তাৰিখে মহেন্দ্ৰ প্ৰতাপৰ সিঙৰ ২৮সংখ্যক জন্মদিন আছিল। সেই দিনটোতে তেওঁ কাবুলত ভাৰতৰ অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠন কৰে। তেওঁ এই চৰকাৰৰ ৰাষ্ট্ৰপতি হৈ পৰে আৰু মৌলবী বৰকতুল্লাক প্ৰধানমন্ত্ৰী হিচাপে নিয়োগ কৰে। এনেকৈ একাধিক বছৰ অতিক্ৰম হৈছিল। লেনিনৰ সৈতে মহেন্দ্ৰ প্ৰতাপ সিঙৰ সুসম্পৰ্ক আছিল আৰু সাক্ষাৎ কৰিছিল। তেতিয়ালৈ তেওঁ ইংৰাজ প্ৰশাসকৰ নজৰত আহিছিল আৰু তেওঁৰ ওপৰত পুৰস্কাৰ ঘোষণা কৰি পলৰীয়া ঘোষণা কৰিছিল। মহেন্দ্ৰ সিঙৰ সকলো সম্পত্তি বাজেয়াপ্ত হৈছিল। ১৯২৫ চনত তেওঁ জাপান গৈছিল। ১৯৩২ চনত তেওঁ নাম শান্তিৰ নোবেল পুৰস্কাৰৰ বাবে মনোনীত হৈছিল। ৩২ বছৰৰ পাছত ১৯৪৬ চনত ৰাজা মহেন্দ্ৰ প্ৰতাপ সিং ভাৰতলৈ উভতি আহি গান্ধীক সাক্ষাৎ কৰিছিল। তেতিয়া দেশৰ স্বাধীনতা সুনিশ্চিত হৈ পৰিছিল। পাছলৈ তেওঁ জনতাৰ সেৱাত মনোনিৱেশ কৰি ১৯৫৭চনত মথুৰাৰ পৰা লোকসভালৈ নিৰ্বাচিত হৈছিল।

১৯১৫ চনত মহেন্দ্ৰ প্ৰতাপে দেখুওৱা পথেৰে আগবাঢ়ি আজাদ হিন্দ ফৌজৰ হৈ নেতাজী সুভাষ চন্দ্ৰ বসুৱে বিদেশত চৰকাৰ গঠন কৰিছিল। ২০২১চনৰ ১৪ ছেপ্তেম্বৰ তাৰিখে প্ৰধানমন্ত্ৰীয়ে আলিগড়তে তেওঁৰ নামত বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰি কয়, "বৃন্দাবনত আধুনিক প্ৰযুক্তিৰ কলেজ মহেন্দ্ৰ সিঙে নিজৰ উদ্যোগত স্থাপন কৰিছিল। আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ বাবে ভূমি ৰাজা মহেন্দ্ৰ সিঙে দিছিল। আজি স্বাধীনতাৰ এই অমৃত মহোৎৱৰ সময়ত আধুনিক ভাৰত শিক্ষা আৰু কৌশলৰ দিশত আগবাঢ়ি মা ভাৰতীৰ অমৰ সুসন্তানৰ নামত বিশ্ববিদ্যালয় নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।" •


## পূৰ্বাঞ্চল এক্সপ্ৰেছৱে

# উত্তৰ প্ৰদেশৰ বাবে ক্ষীপ্ৰ অৰ্থনৈতিক গতি দিল্লীৰ পৰা বিহাৰলৈ দূৰত্ব হ্ৰাস পাব

সাৰুৱা ভূমিৰ পয়োভৰ, একাধিক নদী, বিজুলিৰ যোগান তথা পৰ্যাপ্ত মানৱ সম্পদ থকাৰ পাছতো উন্নয়নৰ পথত পাছপৰি থকা উত্তৰ প্ৰদেশৰ পূৰ্বাঞ্চল এতিয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দ্বাৰা সৰ্বাধিক গুৰুত্ব দিয়া অঞ্চললৈ পৰিণত হৈছে। উত্তৰ প্ৰদেশৰ পূৰ্বাঞ্চলত উন্নয়নৰ নতুন মাপ স্থাপন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অক্টোবৰ মাহত প্ৰথমে কুশীনগৰত আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ উন্মোচন কৰাৰ পাছত ৯ খন নতুন চিকিৎসা মহাবিদ্যালয়ৰ স্থাপনৰ কাৰ্য আৰম্ভ কৰিছিল। এতিয়া এক নতুন পদক্ষেপ অনুসৰি ৩৪১ কিঃমিঃ দৈৰ্ঘ্যৰ পূৰ্বাঞ্চল এক্সপ্ৰেছ ঘাইপথ উদ্বোধন কৰে যাতে সমগ্ৰ অঞ্চলটোৱে উন্নয়নৰ গতিয়ে ক্ষীপ্ৰতা লাভ কৰক




"যি প্ৰকল্পৰ আমি আধাৰশিলা স্থাপন কৰোঁ, সেই প্ৰকল্প আমি উদ্বোধনো কৰোঁ, এয়া অহংকাৰ নহয়, এয়া হৈছে চৰকাৰৰ দায়ৱদ্ধতা। নহলে ৰাজনৈতিক হিচাপ নিকাচৰ বাবে আধাৰশিলা স্থাপন হয় আৰু সেয়া তেনেকৈ ৰৈ থাকে।" প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কোৱা কথাই সেই সংকল্পৰ কথা ব্যক্ত কৰিছে যিয়ে প্ৰকল্পৰ আধাৰশিলাৰ পৰা আৰম্ভণি কৰাৰ যাত্ৰা সুনিশ্চিত কৰে। উত্তৰ প্ৰদেশৰ পূৰ্বাঞ্চল এক্সপ্ৰেছ তাৰেই উদাহৰণ। ২০১৮ চনত প্ৰধানমন্ত্ৰীয়ে এই প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিছিল। কোভিড পৰিস্থিতিৰ পাছতো ৩৬ মাহৰ পাছত এক্সপ্ৰেছৱেৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিছে। ১৬ নৱেম্বৰ তাৰিখে এই ঘাইপথ ৰাষ্ট্ৰক সমৰ্পন কৰি তেওঁ কয়, "এই এক্সপ্ৰেছৱেই উত্তৰ প্ৰদেশৰ বিকাশ, উত্তৰ প্ৰদেশৰ প্ৰগতি, নতুন উত্তৰ প্ৰদেশৰ নিৰ্মাণ, উত্তৰ প্ৰদেশৰ অৰ্থনীতি টনকিয়াল কৰাৰ ক্ষেত্ৰত তথা আধুনিক ইউপিৰ আধাৰ তৈয়াৰ কৰিছে। এয়া উত্তৰ প্ৰদেশৰ ইচ্ছাশক্তি, সংকল্পৰ পৰা সিদ্ধিৰ প্ৰমাণ আৰু গৌৰৱ হয়। ৩ বছৰৰ পূৰ্বে মই যেতিয়া এই প্ৰকল্পৰ শিলান্যাস কৰিছিলোঁ তেতিয়া এয়া কল্পনা কৰা নাছিলোঁ যে এদিন মই এই ঘাইপথত বিমানৰে অৱতৰণ কৰিম।"



## দিল্লীৰ পৰা বিহাৰলৈ দূৰত্ব হ্ৰাস পাইছে

প্ৰায় ২২,৫০০ কোটি টকাৰ ব্যয়সাপেক্ষে নিৰ্মাণ হোৱা ৩৪১ কিঃমিঃ দৈৰ্ঘ্যৰ এই এক্সপ্ৰেছৱে লক্ষ্ণৌৰ চান্দসৰাই হৈ গাজীপুৰৰ হৈদৰিয়াত শেষ হৈছে। বিহাৰৰ বক্সাৰ জিলা ইয়াৰ পৰা মাথোঁ ১৮ কিঃমিঃ দূৰত্বত অৱস্থিত। ইয়াৰ ফলত লক্ষ্ণৌৰ পৰা গাজীপুৰৰ মাজৰ ভ্ৰমণ সময় ৪ ঘন্টাৰো কম সময়ত সম্পূৰ্ণ হৈ পৰিব। ইয়াৰ আৰম্ভণিৰ পৰা এতিয়ালৈ ৩০২ কিঃমিঃৰ আগ্ৰা-লক্ষ্ণৌ তাজ এক্সপ্ৰেছ আৰু ১৬৫ কিঃমিঃ দৈৰ্ঘ্যৰ যমুনা এক্সপ্ৰেছৰ বাবে বিহাৰলৈ পথৰ দূৰত্ব মাথোঁ ১১/১২ ঘন্টাত সম্পূৰ্ণ কৰিব পৰা যাব। পূৰ্বতে এই দূৰত্ব অতিক্ৰম কৰিবলৈ ১৮ৰ পৰা ২০ ঘন্টা লাগিছিল।

## এই প্ৰকল্পৰ পৰা লাভ

| | |
|---|---|
| উন্নত যোগাযোগৰ ফলত পৰ্যটনৰ বিকাশ। যাত্ৰা সময় হ্ৰাস। | অৰ্থনৈতিক বিকাশৰ লগতে কৰ্মসংস্থাপন বৃদ্ধিৰ সম্ভাৱনা। |
| যানজঁটৰ পৰা মুক্তি। ইন্ধনৰ ৰাহি হোৱাৰ লগতে প্ৰদূষণ কম। | কৃষিখণ্ডৰ লগতে কৃষকৰ উন্নয়ন। |

জৰুৰীকালীন সময়ত যুঁজাৰু বিমানৰ অৱতৰণে দেশৰ সুৰক্ষাক শক্তিশালী কৰিব।

## এক্সপ্ৰেছৱেত বিমান অৱতৰণৰ সুবিধাই দেশৰ সুৰক্ষাক শক্তিশালী কৰিব

এই এক্সপ্ৰেছ ঘাইপথত বিমান উৰণ আৰু অৱতৰণৰ বাবে বিমান-পথ নিৰ্মাণ কৰা হৈছে। সামৰিক বিমানো ইয়াত অৱতৰণ কৰিব পাৰিব। ইয়াৰ পূৰ্বে লক্ষ্ণৌ-আগ্ৰা এক্সপ্ৰেছ ঘাইপথ, যমুনা এক্সপ্ৰেছ ঘাইপথত এয়াৰ-ষ্ট্ৰীপ নিৰ্মাণ কৰা হৈছিল। এই পদক্ষেপবোৰে দেশৰ প্ৰতিৰক্ষা খণ্ডক সহায় কৰিছে।

পূৰ্বাঞ্চল এক্সপ্ৰেছৰ উদ্বোধনৰ ভিডিঅ চাবলৈ এই কিউআৰ কোড স্কেন কৰক

# এয়া হৈছে দেশৰ সবাতোকৈ দীঘল কাৰ্যক্ষম এক্সপ্ৰেছৱে

এই সময়ত পূৰ্বাঞ্চল এক্সপ্ৰেছৱে হৈছে দেশৰ সবাতোকৈ দীঘল এক্সপ্ৰেছ ঘাইপথ হয়। উত্তৰ প্ৰদেশৰ ৯খন জিলা লক্ষ্ণৌ, চুলতানপুৰ, ফৈজাবাদ, আম্বেদকাৰনগৰ, আজামগড়, বাৰাবংকী, আমেথী, মঔ আৰু গাজীপুৰক পোনপটীয়াকৈ সংযোগ কৰিব। ইয়াৰ অধিক বিস্তাৰ কৰি বালিয়ালৈ কৰা যাব। পূৰ্বাঞ্চল এক্সপ্ৰেছ ঘাইপথ আৰম্ভ হোৱাৰ পাছত ১০ খন জিলাৰ প্ৰায় ১০ লাখ লোক উপকৃত হৈ পৰিব। এক্সপ্ৰেছৱেৰ দাঁতিকাষৰীয়া এলেকাত বজাৰ আৰু উদ্যোগ স্থাপন হ'ব।




- এই এক্সপ্ৰেছৱে উদ্যোগৰ দিশত পাছপৰা পূব উত্তৰ প্ৰদেশৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ। পাঁচটাকৈ ঔদ্যোগিক ক্লাষ্টাৰ এই ঘাইপথৰ আশেপাশে নিৰ্মাণ কৰা হৈছে। এই পদক্ষেপে যথেষ্টসংখ্যক কৰ্মসংস্থাপন সৃষ্টি কৰিব।
- বিশেষত খাদ্যৰ সৈতে জড়িত থকা উদ্যোগবোৰ, খাদ্য সংশাধন উদ্যোগবোৰ, পনীয়ৰ উদ্যোগ, পেট্ৰ' উদ্যোগ, বৈদ্যুতিক উদ্যোগ, চিকিৎসা সম্বন্ধীয় উদ্যোগ আদি এক্সপ্ৰেছৱেৰ কাষে কাষে স্থাপন কৰা যাব।
- পূৰ্বাঞ্চল এক্সপ্ৰেছ ঘাইপথ বাহনৰ গতি নিৰ্ধাৰণ কৰা হৈছে। এই এক্সপ্ৰেছৱেত এখন বাহনে সৰ্বাধিক ১২০ কিঃমিঃ গতিত গাড়ী চলাব পাৰিব।
- প্ৰদেশ এক্সপ্ৰেছ ঔদ্যোগিক বিকাশ প্ৰাধিকৰণৰ (য়ুপীডা) দ্বাৰা বিকশিত এই ৬টা পথৰ পূৰ্বাঞ্চল এক্সপ্ৰেছৱেত ১৩ টা ইন্টাৰচেঞ্চ নিৰ্মাণ কৰা হৈছে।
- এই ঘাইপথৰ ১১ টা স্থানত টোল গেট থাকিব। অৱশ্যে এতিয়া কোনো টোলৰ ব্যৱস্থা কৰা হোৱা নাই। টোল প্লাজা আৰু পাঁচটা ৰেম্প প্লাজা য়ুপীডাৰ দ্বাৰা ৬টা স্থাপন নিৰ্মাণ কৰা হৈছে।
- এটা সমীক্ষামতে এই এক্সপ্ৰেছৱেত প্ৰতিদিনে ১৫-২০ হাজাৰ গাড়ী চলাচল কৰিব। জন্তুৰ প্ৰৱেশ ৰোধ কৰাৰ বাবে পথৰ দুয়োকাষে কাইটীয়া তাৰৰ বেৰ দিয়া হৈছে।
- চুলতানপুৰৰ অংশত যুঁজাৰু বিমানৰ লগতে বিমান অৱতৰণৰ বাবে এটা এয়াৰ ষ্ট্ৰীপ নিৰ্মাণ কৰা হৈছে।
- এই এক্সপ্ৰেছৱেত ১৮খন ফ্লাইঅভাৰ, ৭খন ৰেল অভাৰব্ৰীজ, ৭খন দীঘল দলং আছে। ইয়াৰ লগতে ১১৮খন সৰু দলং, ২৭১ টা আণ্ডাৰপাছ আৰু ৫০৩টা কালভাৰ্ট আছে। যানজঁটৰ পৰা বাচিবলৈ এইবোৰ কৰা হৈছে।
- ঘাইপথত দুৰ্ঘটনা প্ৰতিৰোধ কৰিবৰ বাবে ব্যৱস্থা লোৱাৰ লগতে দুৰ্ঘটনা সংঘটিত হ'লে চিকিৎসা প্ৰদানৰ ব্যৱস্থা ৰখা হৈছে। প্ৰতিটো খণ্ডত জীৱন সুৰক্ষাৰ সকলো ব্যৱস্থাৰ সৈতে দুখনকৈ এম্বুলেন্স থাকিব। সৈনিক কল্যাণ বোৰ্ডৰ সৌজন্য নিৰাপত্তাৰক্ষীৰ পহৰাৰ ব্যৱস্থা কৰা হৈছে। ২০ খনকৈ পুলিচ পেট্ৰ'লিং বাহন থাকিব।
- পথছোৱা সম্পূৰ্ণকৈ চলাচলৰ পাছত ঔদ্যোগিক কাৰ্যকলাপ বৃদ্ধি পাব। ঘাইপথছোৱাক ৮টা পথৰ কৰাৰ বাবেও চিন্তা-চৰ্চা কৰা হৈছে।
- এক্সপ্ৰেছৱেটোৱে চুই যোৱা জিলাবোৰৰ নগৰবোৰৰ সৈতে দেশৰ ৰাজধানীৰ সৈতে যোগাযোগ পোনপটীয়া হ'ব। ●



# বাবা কেদাৰনাথ ধামৰ লগতে কেদাৰ নগৰৰ নতুন ৰূপ

৮০ দশকত কেদাৰনাথ-গৰুড়ছট্টীত প্ৰায় ডেৰমাহ পৰ্যন্ত সাধনাত মগ্ন হৈ পৰা নৰেন্দ্ৰ মোদী যেতিয়া প্ৰধানসেৱকৰ ৰূপত দেশৰ দায়িত্ব চম্ভালি লৈছে তেতিয়া এই তীৰ্থনগৰক নতুন ৰূপত আধ্যাত্মিক-ধৰ্মীয় স্থল হিচাপে গঢ়াৰ কামত নিমগ্ন হৈ পৰিছিল। অক্টোবৰ মাহত তেওঁ নিজৰ পঞ্চম ভ্ৰমণকালত প্ৰায় ৩০০ কোটি টকাৰ বিভিন্ন উন্নয়নমূলক কামকাজৰ শুভাৰম্ভণি কৰি এগৰাকী সাধক হিচাপে ইয়াত অতিবাহিত কৰা সময়ক স্মৰণ কৰে...

বৰ্ষ ২০১৩ৰ ১৬-১৭ জুনত উত্তৰাখণ্ডত অহা প্ৰাকৃতিক দুৰ্যোগৰ ছৱিয়ে আজিও আমাৰ মন শংকাৰে ভৰাই তোলে। সেই সময়ত অহা ভয়াৱহ দুৰ্যোগে বাবা কেদাৰনাথৰ ধামত সহস্ৰাধিক লোকৰ প্ৰাণ কাঢ়ি লৈছিল আৰু লক্ষাধিৰ ঘৰ-বাৰী নষ্ট কৰিছিল। সেই বিপত্তিৰ পাছত এটা বছৰলৈ সামান্য জনজীৱন আৰম্ভ হোৱা নাছিল। তেনে সময়ত যেতিয়া দেশৰ প্ৰধানমন্ত্ৰীৰ ৰূপত নৰেন্দ্ৰ মোদীয়ে ২০১৪ চনত দায়িত্ব গ্ৰহণ কৰে তেতিয়া তেওঁ অতিকৈ আপোন কেদাৰনাথ ধামৰ পুনঃনিৰ্মাণৰ দায়িত্ব নিজে লয়। আৰু তাৰ পাছত তেওঁ নিৰন্তৰ কেদাৰনাথ ধামৰ উন্নয়নৰ বাবে তীক্ষ্ণ দৃষ্টি ৰখাৰ লগতে সকলো কামৰ পৰ্যালোচনা কৰি আছিল। স্বাধীন ভাৰতত তেওঁ প্ৰথম প্ৰধানমন্ত্ৰী যিয়ে পঞ্চমবাৰৰ বাবে কেদাৰনাথ ধামলৈ গৈছে। ৫ নৱেম্বৰ তাৰিখে নিজৰ পঞ্চম কেদাৰনাথ যাত্ৰাৰ সময়ত তেওঁ একাধিক প্ৰকল্পৰ কাম

# কেদাৰনাথক দিব্য ৰূপ দিয়াৰ বাবে প্ৰধানমন্ত্ৰী মোদীৰ বিশেষ পদক্ষেপ...



- শ্ৰীকেদাৰনাথ ধাম হিন্দু ধৰ্মালম্বীসকলৰ বাবে পৱিত্ৰ ধৰ্মীয় স্থান। এয়া হিমালয়ৰ পাদদেশত সৰস্বতী আৰু মন্দাকিনীৰ সংগমস্থলীত অৱস্থিত।
- ২০১৩ চনত অহা প্ৰাকৃতিক আপদে এই তীৰ্থনগৰক যথেষ্ট ক্ষতিসাধন কৰে। তাৰ পাছত নিৰ্মাণ হোৱা অনিয়ন্ত্ৰিত ভৱনে মন্দিৰৰ সৌষ্ঠৱ ম্লান কৰিছিল।
- কেদাৰনাথ ধামক পুনঃনিৰ্মাণ কৰি দিব্যতা আৰু আধ্যত্মিকতাৰ কেন্দ্ৰস্থল হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৭ চনত কেদাৰনাথ পুনঃনিৰ্মাণ আঁচনিৰ পৰিকল্পনা কৰিছিল।
- এই পৰিকল্পনাৰ আধাৰতে সকলো হিতাধিকাৰীক লৈ পৰিৱেশ সন্তুলনৰ কথা চিন্তা কৰি এক মহাযোজনাৰ কথা চিন্তা কৰা হয় আৰু এই পৰিকল্পনাত প্ৰধানমন্ত্ৰীয়ে নিজে সকলো কামৰ পৰ্যালোচনা কৰে।

## স্বৰ্গীয় অনুভূতিৰ লগতে আধুনিকতাৰ পৰশ

- প্ৰাকৃতিক দুৰ্যোগৰ পাছত কেদাৰধামক দিব্যৰূপত প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত যিবোৰ প্ৰত্যাহ্বান আছিল সেইবোৰ পূৰণ কৰিবলৈ ৫টা উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভণি কৰে।
- গৌৰীকুণ্ডৰ পৰা ১৬ কিঃমিঃ নিলগত অৱস্থিত কিন্তু কেৱল খোজকাঢ়ি যাব পৰাৰহে সুবিধা থকা কেদাৰনাথ ধামত উন্নয়নমূলক কামবোৰ কৰাটো যথেষ্ট প্ৰত্যাহ্বানমূলক আছিল। বেয়া বতৰত নিৰ্মাণ সামগ্ৰী লৈ যোৱাটো আছিল মুখ্য প্ৰত্যাহ্বান। ধামলৈ নিৰ্মাণ সম্পূৰ্ণ হোৱা পথটো প্ৰথম কাম আছিল।
- প্ৰাকৃতিক দুৰ্যোগৰ ফলত মন্দিৰৰ কাষত থকা সকলো ঘৰ-ভৱন বিনষ্ট হৈছিল। প্ৰায় ৩০ হাজাৰ টন বোকা-শিলৰ আৱৰ্জনা গোট খাইছিল। এই শিলৰ আৱৰ্জনাকে স্থানীয় শিল্পীৰ সহায় লৈ তথা ২০ হাজাৰ শিলৰ ব্যৱহাৰ কৰি খটখটীৰ পথ নিৰ্মাণ কৰা হয়।
- দুখন নদীৰ সংগমস্থলীত থকা এই ১০৪ মিটাৰ ব্যাসৰ আগন্তুক প্লাজাৰ নিৰ্মাণ বৃত্তাকাৰ ৰূপত ৫১ হাজাৰ স্থানীয় শিলৰ প্ৰয়োগ কৰি কৰা হৈছে। বাকী মন্দিৰ প্লাজাৰ নিৰ্মাণ ৪৩৪০ বৰ্গমিটাৰত ক্ষেত্ৰত ১৫২০০ স্থানীয় শিলৰ প্ৰয়োগেৰে কৰা হৈছে।
- বানপানীৰ ফলত সৰস্বতী আৰু মন্দাকিনী নদীৰ পাৰত গেদ জমা হৈ বৃদ্ধি পোৱা ভূমিভাগৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰি বানপানী সুৰক্ষা ব্যৱস্থা কৰি মন্দিৰ পৰিসৰক এটা দ্বীপৰ ৰূপত তৈয়াৰ কৰি দুয়োখন নদীৰ বানপানী সুৰক্ষা দেৱাল নিৰ্মাণ কৰা হৈছে।
- প্ৰাকৃতিক দুৰ্যোগৰ ফলত ক্ষতিগ্ৰস্ত হোৱা পুৰোহিতসকলৰ বাসগৃহও পুনঃনিৰ্মাণ কৰা হৈছে।
- পৰ্যায়ক্ৰমে স্থানীয় পুৰোহিতৰ আৱাসসমূহ স্থানীয় সমলৰ ব্যৱহাৰ কৰি নিৰ্মাণ কৰা হৈছে।
- পঞ্চম কাৰ্য হিচাপে প্ৰাকৃতিক কাৰণত ক্ষতিগ্ৰস্ত হোৱা আদিগুৰু শংকৰাচাৰ্যৰ সমাধিৰ পুনঃনিৰ্মাণ কৰা হৈছে। সমাধিলৈ যোৱাৰ বাবে থকা পথটোত খোজকাঢ়ি দৰ্শনাৰ্থীসকলে অনন্য অনুভূতি লাভ কৰিবলৈ সক্ষম হ'ব।

আৰম্ভ কৰে আৰু কেতবোৰ প্ৰকল্প শুভাৰম্ভণি কৰি ৰাষ্ট্ৰক সমৰ্পণ কৰে। এই সময়ছোৱাত কেদাৰনাথ ধামৰ কাৰ্যসূচীৰ সৈতে সংযোগ ৰাখি দেশৰ বাৰটা জ্যোতিৰ্লিংগ আৰু চাৰি ধামৰ সৈতে আস্থাৰ কেইবাটাও কেন্দ্ৰত পূজা অৰ্চনাৰ লগতে অনেক কাৰ্যক্ৰমৰ আয়োজন কৰে। কেদাৰনাথ ধামত আয়োজিত মুখ্য কাৰ্যসূচীৰ লগত সংগতি ৰাখি হোৱা অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে কয়, "মই এয়া নিজৰ সৌভাগ্য বুলি বিবেচনা কৰোঁ যে বাবা কেদাৰে, ইয়াৰ সাধুসকলে তথা এই স্থানৰ বতাহ-পানীয়ে মোক লালন-পালন কৰিছিল আৰু আজি ইয়াৰ প্ৰতিদানস্বৰূপে এই স্থানৰ উন্নয়ন সাধন কৰিব পাৰিছোঁ, ইয়াতকৈ পূণ্যৰ কথা আৰু কি হ'ব পাৰে। এই আদিভূমিত ধৰ্মীয়-আধ্যত্মিকতাৰ ভাৱৰ সহায়ত আধুনিকতাৰ সংযোগ কেৱল ভগৱান শংকৰৰ কৃপাত সম্ভৱ হৈছে।"

প্ৰধানমন্ত্ৰীয়ে দিয়া ভাষণ শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক।

# ১৮৫ কোটি টকাৰ ব্যয় সাপেক্ষে বিকাশৰ নতুন কাৰ্যসূচীৰ আৰম্ভণি



## ভগৱান বিঠ্‌ঠলৰ নগৰ পন্ধৰপুৰৰ বিকাশৰ বাবে প্ৰকল্প

ভগৱান বিঠ্‌ঠলৰ নগৰ হিচাপে বিশ্বত খ্যাত পন্ধৰপুৰত ভক্তসকলে অতি শীঘ্ৰে পদপথৰে উপস্থিত হ'বলৈ সক্ষম হ'ব। ৮ নৱেম্বৰ তাৰিখে ইয়াত ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ ইয়াত আৰম্ভণি কৰা হয়। শ্ৰীমন্ত জ্ঞানেশ্বৰ মহাৰাজ পালখী আৰু শ্ৰীমন্ত টুকাৰাম মহাৰাজ পালখী খণ্ডৰ মুখ্য অংশৰ চাৰিপথযুক্ত ঘাইপথৰ শিলান্যাস কৰি উঠি দিয়া ভাষাণত প্ৰধানমন্ত্ৰীয়ে কয়, "এই যাত্ৰা বিশ্বৰ অতিকৈ প্ৰাচীন যাত্ৰাবোৰৰ মাজৰ এটা হয়। এই যাত্ৰা একেসময়তে অসংখ্য লোকে কৰা যাত্ৰা। এয়া ভাৰতৰ সেই শাশ্বত শিক্ষাৰ প্ৰতীক হয় যিয়ে আমাৰ আস্থাক বান্ধি ৰাখে। ভগৱান বিঠ্‌ঠলৰ দুৱাৰ সকলোৰে বাবে খোলা হয়। সকলোৰে সৈতে সকলোৰে বিশ্বাস আৰু সকলোৰে বিকাশৰ আঁৰত এই ভাৱনাই আছে।"

### এই পৰিকল্পনাবোৰ আৰম্ভ কৰা হয়

- দিবেঘাটৰ পৰা মোহললৈ শ্ৰীমন্ত জ্ঞানেশ্বৰ মহাৰাজ পালখী মাৰ্গৰ প্ৰায় ২২১ কিঃমিঃ আৰু পলসৰ পৰা টোণ্ডেল-বোডলেলৈ শ্ৰীমন্ত তুকাৰাম মহাৰাজ পালখী পথৰ প্ৰায় ১৩০ কিঃমিঃ পথ চাৰিপথযুক্ত হ'ব।
- ইয়াৰ দুয়োফালে পালখীৰ বাবে পদপথ থাকিব। ৬,৬৯০ কোটি টকাতকৈ অধিক আৰু প্ৰায় ৪,৪০০ কোটি নূন্যতম খৰচ হ'ব।

### আধ্যাত্মিক নগৰ পন্ধৰপুৰৰ বিশেষত্ব

ভগৱান বিষ্ণুৰ অৱতাৰ বিঠোৱা আৰু তেওঁৰ পত্নী ৰুক্মিনীৰ সন্মানত এই চহৰৰ লোকে বছৰটোত চাৰিবাৰ উৎসৱ পালনৰ বাবে একত্ৰিত হয়। আহাৰ, শাওণ, কাতি আৰু মাঘ মাহত ইয়াত ভক্তৰ ভিৰ হয়। এয়া বিশ্বাস কৰা হয় যে এই উৎসৱ বিগত ৮০০ বছৰ ধৰি চলি আহিছে।

ভাৰতীয় সংস্কৃতিত ধৰ্মীয় স্থানৰ গুৰুত্ব সদায় আছে। এয়া সকলোৱে জানে যে এই দেশৰ নাগৰিক ধৰ্মৰ সৈতে ওতপ্ৰোতভাৱে জড়িত। এই দেশলৈ প্ৰতিবছৰে বিশ্ব লক্ষাধিক পৰ্যটক ধৰ্মীয় মনোভাৱ লৈ আহে। এই ক্ষেত্ৰত আধ্যত্মিক পৰ্যটন উদ্যোগৰ সম্ভাৱনাক নুই কৰিব নোৱাৰি। ইয়াৰ জৰিয়তে অনেক লোকে কৰ্মসংস্থাপন লাভ কৰে তথা দেশৰ অৰ্থব্যৱস্থাও টনকিয়াল হয়। এই কাৰণটোৰ বাবেই ২০১৪ চনৰ পাছত কেন্দ্ৰ চৰকাৰে এই ক্ষেত্ৰত বিশেষ গুৰুত্ব দিছে। বৌদ্ধ চাৰ্কিটৰ বিকাশৰ পাছত কুশীনগৰ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ আৰম্ভণি তথা ৰামায়ণ চাৰ্কিটৰ মাধ্যমত ৰামৰ সৈতে জড়িত হৈ থকা ধৰ্মীয় স্থানৰ উন্নয়ন সাধন কেন্দ্ৰ চৰকাৰে কৰিছে। দেশৰ বিভিন্ন প্ৰান্ত ধৰ্মীয় পৰ্যটনৰ সম্ভৱনাক অৰ্থনীতি বিকাশৰ সহায়ক কৰাৰ বাবে কেন্দ্ৰই কাম কৰি আছে। ●


পন্ধৰপুৰত প্ৰধানমন্ত্ৰীয়ে দিয়া ভাষণ শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক।

# গোলকীয় উত্তাপৰ পৰা বিশ্বক ৰক্ষা কৰিবলৈ ভাৰত হৈ পৰিছে অগ্ৰদূত



**জলবায়ু পৰিৱৰ্তনৰ ক্ষেত্ৰত আমি ইতিমধ্যে এয়া উমান পাইছোঁ যে বিশ্বৰ বিভিন্ন প্ৰান্তত জলবায়ুৰ অপ্ৰত্যাশিত পৰিৱৰ্তন হৈছে। কোনো ঠাইত যদি বানপানী হৈছে, কোনো ঠাইত অবতৰীয়া ধুমুহা আহিছে, সমুদ্ৰৰ জলস্তৰ বৃদ্ধি পাইছে, ভূস্খলন হৈছে, বনজুইৰ দৰে ঘটনা সংঘটিত হৈছে তথা এন্টাৰ্কটিকাত বৰফ গলিবলৈ আৰম্ভ কৰিছে। এনে সময়ত আমি বাস কৰা গ্ৰহটোৰ ৰক্ষাৰ বাবে বিশ্বৰ সকলো দেশ গ্ৰেট বৃটেইনৰ গ্লাছগোত মিলিত হৈছিল। এই সন্মিলনত ভাৰতবৰ্ষই পৰিৱেশৰ প্ৰতি দায়বদ্ধতাৰ পৰিচয় দি পঞ্চামৃতৰ সংকল্পৰে বিশ্বক দিশৰ সন্ধান দিয়াৰ লগতে উন্নয়নশীল ৰাষ্ট্ৰক জলবায়ু ন্যায়ৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি বহনক্ষম উন্নয়নৰ পথৰ নেতৃত্ব দিছে...**

উত্তৰ প্ৰদেশৰ বাৰাবংকীৰ ৪৩ হেক্টৰ ভূমিত বিস্তাৰিত হৈ থকা চৰাহী হ্ৰদ লাহে লাহে ধ্বংসৰ গৰাহলৈ গৈ আছিল। কিন্তু গ্ৰামাঞ্চলৰ লোকৰ সংকল্পই সেয়া সম্ভৱ হ'ব নিদিলে। সকলোৰে অংশীদাৰিত্বৰে গাঁৱবাসীয়ে একত্ৰিত প্ৰচেষ্টা হাতত লৈছিল। এখন পাছত আন এখন গাঁও হ্ৰদ ৰক্ষা অভিযানৰ সৈতে জড়িত হৈ পৰিছিল। গাঁৱবাসীয়ে হ্ৰদৰ চাৰিও দিশত এক মিটাৰ ওখ বান্ধ বান্ধি দিয়ে আৰু তাৰ ফলত এতিয়া হ্ৰদটোৱে পুনৰ প্ৰাণ পাইছে আৰু পক্ষীকূলৰ মধুৰ গুঞ্জনত এতিয়া সমগ্ৰ পৰিৱেশ জীপাল হৈ উঠিছে।



কোভিড কালত মানে ২০২০ বৰ্ষটোৰ ১০ জুলাই তাৰিখে মধ্যপ্ৰদেশৰ ৰীৱাত ৭৫০ মেগাৱাটৰ সৌৰ পৰিকল্পনা ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰা হয়। সম্ভৱত এছিয়াৰ ভিতৰত সৰ্ববৃহৎ এই সৌৰ প্ৰকল্পটোৰ ভিতৰত থকা এটা সৌৰ পাৰ্কত (প্ৰকল্পটোৰ সৰ্বমুঠ ক্ষেত্ৰভূমি ১৫০০ হেক্টৰ) ৫০০ হেক্টৰ ভূমিত থকা ২৫০-২৫০ মেগাৱাটৰ তিনিটা সৌৰ উৎপাদন প্ৰকল্প অন্তৰ্ভুক্ত হৈ আছে। ৰেৱা সৌৰ প্ৰকল্প হৈছে দেশৰ প্ৰথমটো সৌৰ প্ৰকল্প যি প্ৰকল্পই গ্ৰীড অসমানতা দূৰ কৰিবলৈ সক্ষম হৈছে। এই প্ৰকল্পই বাৰ্ষিক হিচাপত প্ৰায় ১৫ লাখ টন কাৰ্বন ডাই অক্সাইডৰ নিৰ্গমন ৰোধ কৰিব।

চিঅ'পি বা চমুকৈ কোপ-২৬ শীৰ্ষ সন্মিলনৰ সময়তে দেশৰ পাহাৰীয়া ৰাজ্য মেঘালয়ৰ সৈতে জড়িত এটা তথ্যই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। জৈৱ বিজ্ঞানীসকলে এটা নতুন প্ৰজাতিৰ মাছ আৱিস্কাৰ কৰিছে। জানিব পৰা মতে এই মাছ কেৱল গুহাৰ ভিতৰতহে পোৱা যায় আৰু এয়া সৰ্ববৃহৎ সংখ্যা।

পৰিৱেশৰ প্ৰতি দায়বদ্ধতা ভাৰতীয় সংস্কৃতিত নিহীত হৈ আছে। পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত ভাৰতীয় সমাজ-সভ্যতাই অতীজৰে পৰা নিবিড় সম্পৰ্ক গঢ়ি তুলিছে আৰু এয়া এতিয়াও অক্ষুণ্ণ আছে। দেশৰ বৰ্তমানৰ কেন্দ্ৰ চৰকাৰেও এই দিশতে কাম কৰি আছে। অলপতে স্কটলেণ্ডৰ গ্লাছগোত অনুষ্ঠিত হৈ যোৱা জলবায়ু সন্মিলনখন কেৱল এক আনুষ্ঠানিকতা নাছিল বৰঞ্চ সেয়া আছিল প্ৰতিখন ৰাষ্ট্ৰৰ বাবে এখন যথেষ্ট গুৰুত্বপূৰ্ণ বৈঠক। দেশে এই জলবায়ু বৈঠকৰ গুৰুত্ব উপলব্ধি কৰিছিল কিয়নো যি সন্মিলনত বিশ্বৰ অধিকাংশ ৰাষ্ট্ৰই নিজৰ প্ৰতিনিধি প্ৰেৰণ কৰিছিল সেই বৈঠকৰ ভাৰতৰ প্ৰতিনিধি হিচাপে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় বন, পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে অংশগ্ৰহণ কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই আন্তঃৰাষ্ট্ৰীয় বৈঠকত কাৰ্বন নিৰ্গমন প্ৰতিহিত কৰাৰ দিশত যি ভাষণ দিয়ে সেই সম্বোধনে সকলো ৰাষ্ট্ৰক কাৰ্যকৰী পদক্ষেপ লোৱাৰ বাবে প্ৰেৰণা দিছে। সমস্যাবোৰ ব্যক্ত কৰাৰ সলনি সমস্যাৰ সমাধানৰ ক্ষেত্ৰত ভাৰতে দেখুওৱা পথে বিশ্বক উদ্বুদ্ধ কৰিছে।

পৰিৱেশ সুৰক্ষাৰ দিশত গম্ভীৰতা আৰু এই দিশত ভাৰতে লৈ থকা পদক্ষেপবোৰৰ বিষয়ে পৰ্যালোচনা কৰাৰ প্ৰাকমুহূৰ্তত এয়া বুজি পোৱা দৰকাৰ যে কিদৰে জলবায়ু পৰিৱৰ্তনৰ বিপদ ঘন্টাৰ আগজাননী বিশ্বই লাভ কৰিছে আৰু এইক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ প্ৰয়োজনীয়তা আহি পৰিছে? আচলতে গোলকীয় উত্তাপৰ সমস্যাই সমগ্ৰ বিশ্বৰ সম্মুখত গম্ভীৰ সমস্যাৰ সৃষ্টি কৰিছে। বিশ্বৰ কোনো প্ৰান্তত যদিহে অবতৰীয়া বানপানী আহিছে তেন্তে অন্য কোনো ঠাইত ধুমুহা আহিছে, সাগৰ জলস্তৰ বৃদ্ধি পোৱা, বন জুইৰ ঘটনা তীব্ৰ গতিত বৃদ্ধি পোৱা আদি ঘটনাবোৰে এই সংকেত বহন কৰিছে বিশ্বত গোলকীয় উত্তাপ বৃদ্ধি পাইছে। বিভিন্ন প্ৰতিবেদন অনুসৰি বিজ্ঞানীসকলৰ পৰা এই তথ্য লাভ কৰিব পৰা গৈছে যে পৃথিৱীয়ে উষ্ণতা আৰু মাত্ৰ ডেৰ ডিগ্ৰীলৈ সহ্য কৰিব পাৰিব। কিন্তু যি হাৰত বায়ুমণ্ডলত কাৰ্বন নিৰ্গমন হৈ আছে সেই হাৰত এই ধৰাৰ তাপমাত্ৰা ৩ ডিগ্ৰীলৈ বৃদ্ধি পাব। এনে প্ৰেক্ষাপটত মানৱতা ৰক্ষাৰ স্বাৰ্থত বিশ্বৰ নেতৃত্বই প্ৰচেষ্টা হাতত লৈছে কিন্তু উন্নত, উন্নয়নশীল আৰু অনুন্নত ৰাষ্ট্ৰৰ উন্নয়নমূলক কাৰ্যৰ অসমানুপাতিক বৃদ্ধিয়ে অসামঞ্জস্যতাৰ সৃষ্টি কৰিছে। এই বিষয়টোৰ সমাধানৰ বাবেই গ্ৰেট বৃটেইনৰ গ্লাছগোত বিগত ৩১ অক্টোবৰৰ পৰা ১২ নৱেম্বৰ তাৰিখলৈ ৰাষ্ট্ৰ সংঘৰ বেনাৰত বিশ্বৰ প্ৰায় ২০০ খনৰো অধিক দেশ মিলিত হয়। চি অ' পি-২৬ (কোপ-২৬) নামেৰে জনপ্ৰিয় হোৱা এই জলবায়ু শীৰ্ষ সন্মিলনত এই

প্ৰায় দুবছৰৰ পূৰ্বে মল্লাপুৰমৰ উপকূলত ১২ অক্টোবৰ তাৰিখে প্ৰাতঃ ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্লাষ্টিক আদি আৱৰ্জনা চাফা কৰি থকা পৰিলক্ষিত হৈছিল। স্বচ্ছ উপকূল আৰু স্বচ্ছ পৰিৱেশৰ মনোভাৱ জাগ্ৰত কৰা সেই পদক্ষেপে কেৱল পৰিৱেশ সজাগতাই নহয় বৰঞ্চ মানৱ কূলৰ ৰক্ষা বাবে সবল ভাৰতৰ স্থিতিক ব্যক্ত কৰিছে। এই অভিযানৰ আৰম্ভণিৰ এটা বছৰৰ পাছতেই ভাৰতৰ ৮টা সাগৰ উপকূলক ব্লু ফ্লেগ আন্তঃৰাষ্ট্ৰীয় ইক' লেবেলেৰে সন্মানিত কৰা হয়। প্ৰথম প্ৰয়াসতে এই সফলতা পোৱা ভাৰত বিশ্বৰ প্ৰথম দেশ হৈ পৰিছে আৰু বিশ্বৰ ৫০ খন দেশৰ সূচীত (ব্লু ফ্লেগ থকা) নাম অন্তৰ্ভুক্ত হৈছে। বিশ্ব বেংকেও ভাৰতৰ এই প্ৰচেষ্টাক প্ৰশংসা কৰিছে। এতিয়া চৰকাৰে দেশৰ অন্য উপকূলবোৰো স্বচ্ছ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে।



# কোপ কি হয়, আৰু বিশ্ব কিয় চিন্তিত হৈ পৰিছে

চিঅ'পি মানে হৈছে কনফাৰেন্স অৱ পাৰ্টিজ (দলবোৰৰ সন্মিলন)। ৰাষ্ট্ৰ সংঘই জলবায়ু পৰিৱৰ্তনৰ ফ্ৰেমৱৰ্ক সন্মিলনৰ অধীনত এই কোপ বৈঠক অনুষ্ঠিত হয়। ইয়াত বিশ্বৰ প্ৰায় ২০০খন দেশ সংযুক্ত হৈ আছে। ১৯৯৫ চনত বাৰ্লিনত প্ৰথম বৈঠক অনুষ্ঠিত হৈছিল আৰু এইবাৰ গ্লাছগোত ২৬ সংখ্যক কোপ অনুষ্ঠিত হৈছে। সেয়েহে গ্লাছগোৰ বৈঠকক কোপ-২৬ আখ্যা দিয়া হৈছে। ৰাষ্ট্ৰসংঘৰ অধীনত থকা এটা সংস্থা হৈছে আইপিচিচি মানে জলবায়ু পৰিৱৰ্তনৰ ওপৰত অন্তৰ্ৱৰ্তী চৰকাৰী পেনেল। এই সংস্থাই কেইটা বছৰৰ অন্তৰত জলবায়ু প্ৰতিবেদন দাখিল কৰে আৰু এই প্ৰতিবেদন বিশ্বই মানি লয়। এই সংস্থাৰ ষষ্ঠ প্ৰতিবেদন এই বৰ্ষৰ আগষ্টত প্ৰকাশ কৰা হয়। এই প্ৰতিবেদনে জলবায়ুৰ ভয়াৱহ পৰিৱৰ্তনৰ ওপৰত উদ্বেগ প্ৰকাশ কৰিছে। এই প্ৰতিবেদনত এই কথাটো উল্লেখ কৰা হৈছে যে বৰ্তমান পৃথিৱী যথেষ্ট উত্তপ্ত হৈ পৰিছে। সাগৰ পৃষ্ঠৰ পানী বৃদ্ধি পাব ধৰিছে। এই ধৰাৰ তাপমাত্ৰা ১.৫ ডিগ্ৰীলৈ বৃদ্ধি পাইছে। বিজ্ঞানীসকলে মত পোষণ কৰে যে ডেৰ ডিগ্ৰী তাপমাত্ৰা বৃদ্ধি মানুহে সহ্য কৰিব পাৰে কিন্তু নিতৌ হৈ থকা কাৰ্বন নিৰ্গমনৰ ফলত লাহে লাহে পৰিস্থিতি অসহনীয় হৈ পৰিব। এই প্ৰতিবদনে এই কথাও স্পষ্ট কৰিছে যে ২০৩০ চনৰ ভিতৰত যদিহে কাৰ্বন নিৰ্গমন ৰোধ কৰি ২০৫০ৰ ভিতৰত সেয়া শূণ্য নিৰ্গমনলৈ আনিব পৰা নাযায় তেন্তে বিশ্বৰ পৰিস্থিতি অধিক ভয়াৱহ হৈ পৰিব। ইয়াৰ বাবে বিশ্বৰ নেতৃত্বই তাৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰাটো অতীৱ প্ৰয়োজনীয় হৈ পৰিছে। সেয়েহে কোপ-২৬ এইবাৰ যথেষ্ট গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। কোপ-২৬ৰ এজেণ্ডাবোৰত এইবাৰ কয়লাৰ ব্যৱহাৰ কম কৰা, বন ধ্বংস ৰোধ কৰা, কাৰ্বনৰ নিৰ্গমন প্ৰতিৰোধ কৰা, স্বচ্ছ শক্তিৰ ব্যৱহাৰত গুৰুত্ব দিয়া, ই-বাহনৰ ব্যৱহাৰ কৰা, নবীকৰণ শক্তিৰ ব্যৱহাৰ আৰু উপকূল ৰক্ষা কৰা গছ গছনি ৰোৱাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হৈছে।







এই বৈঠকৰ গুৰুত্বৰ ওপৰত মন্তব্য ৰাখি কেন্দ্ৰীয় বন, পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে কয় যে, "বিশ্বৰ নেতৃত্ব আইপিচিচিৰ প্ৰতেবেদনক লৈ চিন্তিত, জৰবায়ু পৰিৱৰ্তনৰ বিষয়টোৱে সকলোকে চিন্তা পেলাইছে। উদ্যোগিক কামকাজবোৰ এতিয়াৰ গতি চলি থাকিলে পৰিস্থিতি অধিক ভয়াৱহ হৈ পৰিব কিয়নো কাৰ্বনৰ নিৰ্গমনে পৃথিৱীৰ উত্তাপ অধিক বৃদ্ধি কৰিব। আৰু তাৰ ফলত প্ৰথমে উপকূলীয় অঞ্চলবোৰ সাগৰ পানীত ডুব যোৱাৰ সম্ভাৱনা আছে। তদুপৰি বানপানী, প্ৰাকৃতিক দুৰ্যোগৰ কথাবোৰ আছে। ইয়াৰ পৰিপ্ৰেক্ষিটত বিশ্বৰ নেতৃত্ব একগোট হৈছে আৰু এই ক্ষেত্ৰত কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ বাবে সন্মতি প্ৰদান কৰিছে।" প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্লাছগোত দিয়া নিজৰ ভাষণত মানৱ সভ্যতাৰ ৰক্ষাৰ বাবে সকলোকে আহ্বান জনায়।

সিদ্ধান্তত উপনীত হোৱা গৈছে যে এতিয়া কেৱল মন্থনেই নহয়, কাৰ্যক্ষেত্ৰতো পদক্ষেপ গ্ৰহণ কৰাৰ সময় আহি পৰিছে। যদিহে এনে নহয় তেন্তে মানৱতাৰ প্ৰতি সংকট আহি পৰাটো খাটাং।

**পঞ্চামৃত অৰ্থাৎ বহনক্ষম উন্নয়নৰ পাঁচটা বিন্দু**

গ্লাছগোত অনুষ্ঠিত হোৱা ২৬ সংখ্যক ৰাষ্ট্ৰসংঘৰ জলবায়ু পৰিৱৰ্তন সন্মিলন অৰ্থাৎ চি অ' পি-২৬ত (কোপ-২৬) অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত ৰাষ্ট্ৰৰ হৈ পাঁচটা বিন্দুৰ ওপৰত গুৰুত্ব আৰোঁপ কৰে। এইকেইটা হৈছে (১) ২০৩০ চনৰ ভিতৰত ভাৰতৰ অ-জীৱাশ্ম ইন্ধন শক্তিৰ ক্ষমতা ৫০০ গিগাৱাটলৈ বৃদ্ধি কৰা, (২) একেটা বৰ্ষৰ ভিতৰত ভাৰতৰ প্ৰয়োজন হোৱা ইন্ধনৰ ৫০ শতাংশ কেৱল পুনঃ নবীকৰণ শক্তিৰে পূৰণ কৰা, (৩) কাৰ্বন নিৰ্গমনৰ পৰিমাণ এক বিলিয়ন টনলৈ হ্ৰাস কৰা, (৪) অৰ্থব্যৱস্থাৰ কাৰ্বন তীব্ৰতা ৪৫ শতাংশলৈ হ্ৰাস কৰা আৰু (৫) ২০৭০ চনৰ ভিতৰত নেট জিৰ' নিৰ্গমনৰ (শূণ্য কাৰ্বন নিৰ্গমন) লক্ষ্য প্ৰাপ্তি। ভাৰতে এইধৰণে মহত্বপূৰ্ণ লক্ষ্য ৰাখিছে যিসময়ত দেশৰ কাৰ্বন নিৰ্গমন অন্য একাধিক ৰাষ্ট্ৰতকৈ যথেষ্ট কম। মনোযোগ দিয়াৰ বিষয় যে ভাৰত বিশ্বৰ ১৭ শতাংশ জনসংখ্যাৰ দেশ হোৱাৰ পাছতো দেশে কেৱল ৫ শতাংশ নিৰ্গমনহে কৰে। ইয়াৰ একমাত্ৰ কাৰণ এয়াই যে গোলকীয় উত্তাপৰ বিৰুদ্ধে চলি থকা যুঁজখনত ভাৰতে নিজৰ দায়িত্ব ইতিমধ্যে বুজি উঠিছে। বিশ্বৰ কাৰ্বন নিৰ্গমনৰ পৰিমাণ ভাৰতৰ প্ৰতিজন ব্যক্তিৰ হিচাপত গঢ়ে ৬০ শতাংশ কম। এনে হোৱাৰ এয়াই যে ভাৰতীয় জীৱন শৈলী এতিয়াও পৰম্পৰাগত পদ্ধতিত চলি আছে। ভাৰতে যথেষ্ট চিন্তা-চৰ্চা কৰি এই লক্ষ্য নিৰ্ধাৰণ কৰিছে। আইপিচিচিৰ প্ৰতিবেদন মানি লোৱা হয় তেন্তে উন্নয়নশীল

# ভাৰতৰ পঞ্চামৃত লক্ষ্য

**২০৩০**
ৰ ভিতৰত অ-জীৱাশ্ম ইন্ধনৰ ক্ষমতা ৫০০ গিগাৱাটলৈ বৃদ্ধি কৰা।

**৫০**
শতাংশ শক্তি ২০৩০ৰ ভিতৰত কেৱল পুনঃনবীকৰণ শক্তিৰে পূৰণ।

অৰ্থব্যৱস্থাৰ কাৰ্বন তীব্ৰতা
**৪৫**
শতাংশতকৈ হ্ৰাস

**০১**
বিলিয়ন টনলৈ কাৰ্বন নিৰ্গমন হ্ৰাস কৰা।

**২০৭০**
**ৰ ভিতৰত শূণ্য কাৰ্বন নিৰ্গমনৰ লক্ষ্য।**

“

***সম্-গচ্ছ-ধ্বম,***
***সম্-ব-দদ্বম্,***
***সম্ বো মানসি জানতাম্।***

আজি একবিংশ শতিকাত এই মন্ত্ৰ মহত্বপূৰ্ণ আৰু প্ৰাসংগিক হৈ পৰিছে। সম্-গচ্ছ-ধ্বম্ মানে হৈছে সকলো একেলগে আগবাঢ়োঁ, সম্-ব-দদ্বম্ মানে হৈছে সকলোৱে মিলি সংবাদ কৰোঁ, আৰু সম্ বো মানসি জানতাম্-ৰ অৰ্থ হৈছে সকলোৰে মনবোৰো সমণ্বয়ৰ মাজত থাকক। মানৱতাৰ ভৱিষ্যৎ ৰক্ষাৰ বাবে আমি আকৌ এবাৰ সূৰ্যৰ সৈতে আগবাঢ়ি যাব লাগিব।”

**নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী।**

ৰাষ্ট্ৰবোৰে ২০৩০ৰ ভিতৰত কাৰ্বন নিৰ্গমনত নেট-জিৰ'ৰ লক্ষ্য প্ৰাপ্তি কৰিব। কিন্তু উন্নত দেশবোৰে ২০৫০ৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে গতিকে ভাৰত ২০৭০ৰ লক্ষ্য যথেষ্ট চিন্তা-চৰ্চাৰ পাছত লোৱা হৈছে।

এনে প্ৰেক্ষাপটত বিকাশৰ নীতিবোৰত আৰু আঁচনিবোৰত প্ৰশমিতকৰণৰ (Mitigation) সলনি অনুকূলনত (Adaption) গুৰুত্ব দিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহ্বান জনাইছে। ভাৰতত প্ৰচলিত হৈ থকা নলীৰ(পাইপ) পৰা খোৱা পানী, স্বচ্ছ অভিযান, উজ্জ্বলা আদি আঁচনিবোৰৰ জৰিয়তে নাগৰিক লাভাণ্বিত হৈছে, তেওঁলোকৰ জীৱন উন্নত হৈছে। এই কথাটোত কোনোধৰণৰ দ্বিমত নাই যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জলবায়ু সন্মিলনত অংশ লৈ এই গোলকীয় উত্তাপৰ সমস্যাৰ পৰা কিদৰে সমাধান পোৱা যাব সেই সম্পৰ্কত সমগ্ৰ বিশ্বৰ ৰাষ্ট্ৰক পথ প্ৰদৰ্শন কৰিছে। ইয়াৰ বাবে দেশে এতিয়া জলবায়ু পৰিৱৰ্তন তথা গোলকীয় উত্তাপৰ পৰা হাত সাৰি থাকিবৰ বাবে ল'বলগীয়া পদক্ষেপসমূহ গ্ৰহণ কৰি আহিছে। কেৱল কথাৰে নহয়, কামৰ জৰিয়তে ভাৰতে জলবায়ু ন্যায়ৰ ক্ষেত্ৰত বিশ্বক প্ৰেৰণা দিছে। ২০৭০ৰ ভিতৰত শূণ্য কাৰ্বন নিৰ্গমনক লৈ ভাৰতে নিৰ্ধাৰণ কৰা লক্ষ্যক ব্যৱসায়িক/ঔদ্যোগিক গোষ্ঠীবোৰেও প্ৰশংসা কৰিছে। ভাৰতীয় উদ্যোগ সংঘই প্ৰধানমন্ত্ৰীৰ ঘোষণাক সাহসী আৰু যুগান্তকাৰী আখ্যা দিছে।

### বিশ্বক প্ৰত্যাশা দিয়াৰ লগতে প্ৰেৰণাও দিছে ভাৰতে

২০১৪ চনত ভাৰতৰ নবীকৰণ শক্তিৰ ক্ষমতা ২০ গিগাৱাট আছিল, তেতিয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সিদ্ধান্ত লৈছিল যে ২০২২ চনৰ ভিতৰত এই ক্ষমতা ১০০ গিগাৱটলৈ উন্নীত কৰা হ'ব। কিন্তু এই নিৰ্ধাৰিত সময়সীমাৰ



# এটা সূৰ্য, এক বিশ্ব, এটা গ্ৰীডৰ মন্ত্ৰ

- প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, 'এটা সূৰ্য, এক বিশ্ব, এটা গ্ৰীড- আমি যদি এই স্বপ্নৰ পাছে পাছে যাওঁ তেন্তে সূৰ্য থকালৈ আমি শক্তি পাই থাকিম। আমাৰ কেতিয়াও অভাৱ নহয়।'
- সূৰ্য কেতিয়াও অস্ত নাযায়, পৃথিৱীৰ ভিন্ন প্ৰান্তত সূৰ্য থাকে। গতিকে সৌৰ শক্তিৰ অভাৱ নহয়। এই কাৰণটোৰ বাবেই আন্তঃৰাষ্ট্ৰীয় সৌৰ সন্মিলনৰ (আইএছএ) মাধ্যমত বিশ্বই নৰেন্দ্ৰ মোদীৰ আহ্বানক সঁহাৰি জনাইছে।
- এটা সূৰ্য, এক বিশ্ব আৰু এটা গ্ৰীডৰ এই কথাটো সন্মিলনৰ চতুৰ্থ বৈঠকত কোপ-২৬ৰ সেইজ এজেণ্ডা ৰূপে লোৱাৰ বাবে সকলোৱে সন্মতি জনাইছে। ইয়াৰ জৰিয়তে জলবায়ু পৰিৱৰ্তন প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত ভাৰতে বিশ্বৰ নেতৃত্ব ল'বলৈ সক্ষম হৈছে।
- জি-২০ৰ দেশবোৰৰ মাজত ভাৰত হৈছে এখন দেশ যিখনে জলবায়ু পৰিৱৰ্তনৰ লক্ষ্য পূৰণ কৰাৰ দিশত সফলতাৰে আগবাঢ়িছে।
- আজি ভাৰতে অতি ক্ষীপ্ৰতাৰে ৪৫০ গিগাৱাটৰ নবীকৰণ শক্তি উৎপাদন কৰাৰ দিশত আগবাঢ়িছে, ইয়াৰ ভিতৰত ১০০ গিগাৱাটৰ লক্ষ্য নিৰ্ধাৰিত লক্ষ্যতকৈ আগতে পূৰণ কৰিছে।
- কেন্দ্ৰ চৰকাৰে ইতিমধ্যে এয়া ঘোষণা কৰিছে যে ২০৩০ চনৰ ভিতৰত দেশৰ প্ৰয়োজন হোৱা সৰ্বমুঠ ইন্ধনৰ ৫০ শতাংশ ইন্ধন পুনঃনবীকৰণ শক্তিৰ উৎপাদনৰে পূৰণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। দেশৰ বিদ্যুৎ উৎপাদন অ-জীৱাশ্ম ইন্ধনৰ পৰা কৰাৰ লক্ষ্যও কেন্দ্ৰই গ্ৰহণ কৰিছে। এই পদক্ষেপবোৰ আত্মনিৰ্ভৰশীল ভাৰত অভিযানৰ অংশস্বৰূপে গণ্য কৰা হৈছে।
- ভাৰতে গ্ৰহণ কৰি থকা এই পদক্ষেপবোৰ বিশ্বৰ বাবে প্ৰেৰণাদায়ক হৈ পৰিছে। দেশৰ গুজৰাট চৰকাৰে পোনপ্ৰথমে দশকপূৰ্বে সৌৰ শক্তিৰ ওপৰত গুৰুত্ব আৰোঁপ কৰিছিল।
- ২০১০ চনত পাটনত যেতিয়া সৌৰ পাৱাৰ প্লান্ট স্থাপন কৰা হৈছিল তেতিয়া কোনেও এয়া ভৱা নাছিল যে এদিন বিশ্বক এটা সূৰ্য, এক বিশ্ব আৰু এটা গ্ৰীডৰ মাধ্যমত ভাৰতে নতুন দিশৰ সন্ধান দিব।

পূৰ্বেই ভাৰতে নিজৰ লক্ষ্যত উপনীত হৈ বিশ্বক প্ৰেৰণা দিছে। কেৱল ইমানেই নহয়, আজি সৌৰ শক্তিৰ মূল্য প্ৰতি ইউনিটত ১৬ টকাৰ পৰা হ্ৰাস হৈ মাত্ৰ ২ টকা প্ৰতি ইউনিট হৈছে। প্ৰধানমন্ত্ৰীয়ে নবীকৰণ শক্তিৰ ক্ষমতাৰ লক্ষ্য বৃদ্ধি কৰি ৪৫০ গিগাৱাট কৰিছিল আৰু এতিয়া গ্লাছগোত তেওঁ এই লক্ষ্য ৫০০ গিগাৱাট কৰিছে। ইমান পৰিমাণত নবীকৰণ শক্তি উৎপাদন কৰা দেশ হিচাপে ভাৰত চতুৰ্থ ৰাষ্ট্ৰ হৈ পৰিব। ইয়াৰ বাবে সকলোৰে দৃষ্টি এতিয়া ভাৰতৰ ওপৰত নিৱদ্ধ হৈ আছে। দেশে ২০১৫ চনত আন্তঃৰাষ্ট্ৰীয় সৌৰ সন্মিলনৰ (আইএছএ) আধাৰ স্থাপন কৰিছিল। সৌৰ শক্তি হৈছে উৎকৃষ্ট বৈকল্পিক ইন্ধন। ভাৰত হৈছে বিশ্বৰ এনে এখন দেশ যিখনে জৈৱ-ইন্ধনৰ ব্যৱহাৰ কৰি বাণিজ্যিক বিমান চলাচল কৰিছে। সৌৰ শক্তিৰ ক্ষেত্ৰত বেটাৰীৰ ভাণ্ডাৰ প্ৰস্তুত কৰাটো প্ৰয়োজনীয়। এই ক্ষেত্ৰত ভাৰতে নিৰন্তৰ কাম কৰি আছে। অলপতে এই খণ্ডৰ বাবে পিএলআই (উৎপাদনৰ সৈতে জড়িত হৈ থকা উদ্দীপক) আঁচনিত কেন্দ্ৰীয় মন্ত্ৰীমণ্ডলে অনুমোদন জনাইছে। ২০৩০ চনৰ ভিতৰত ৰেল বিভাগক সেউজকৰণ কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। ইয়াৰ ফলত প্ৰায় ৬০ টন কাৰ্বন নিৰ্গমন হ্ৰাস পাব। ভাৰতবৰ্ষত ঔদ্যোগখণ্ডক উৎসাহিত কৰি দেশৰ চৰকাৰে ২০৫০ চনৰ ভিতৰতেই শূণ্য নিৰ্গমনৰ বাবে নতুন প্ৰযুক্তিৰ সহায়ত কাম কৰি গৈছে। এই ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কোৱা এক বিলিয়ন টন কাৰ্বন নিৰ্গমন হ্ৰাস কৰাৰ লক্ষ্য ভাৰতে সহজে পূৰণ কৰিব পাৰিব। কোপ-২৬ জলবায়ু বৈঠকৰ সময়চোৱাত বিশ্বৰ কেতবোৰ দেশ যাতে পাছপৰি নৰয় তাৰ বাবে প্ৰধানমন্ত্ৰীয়ে আইআৰআইএছ

# নেট জিৰ’ কি হয়



**নেট জিৰ’ৰ অৰ্থ এয়া নহয় যে কাৰ্বন নিৰ্গমন একেবাৰে শেষ হৈ যাব। ইয়াৰ অৰ্থ এয়া যে যিখিনি গ্ৰীণ হাউছ গেছ নিৰ্গমণ হ’ব সেয়া বায়ুমণ্ডল গৈ পোৱাৰ পূৰ্বে প্ৰযুক্তিৰ সহায়ত নষ্ট কৰি দিয়া হ’ব।**

(Infrastructure for Resilient Island States) আৰম্ভ কৰে। ক্ষুদ্ৰ দ্বীপ ৰাষ্ট্ৰৰ আন্তঃগাঁথনিমূলক উন্নয়নৰ বাবে এই গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে কয় যে এই পদক্ষেপে সকলোতকৈ সংবেদনশীল দেশবোৰৰ বাবে কিবা এটা কৰাৰ উৎসাহ জাগ্ৰত কৰিব।

**জলবায়ু ন্যায় আৰু প্ৰযুক্তিৰ হস্তান্তৰকৰণ**

২০০৯ বৰ্ষত উন্নত দেশবোৰে এই প্ৰতিশ্ৰুতি দিছিল যে ১০০ বিলিয়ন ডলাৰৰ সহযোগিতা উন্নয়নশীল দেশবোৰক কৰা হ’ব যাতে জলবায়ুৰ লক্ষ্যবোৰ পূৰণ কৰিব পৰা যায়। প্ৰধানমন্ত্ৰীয়ে গ্লাছগোত অতি স্পষ্টতাৰে বিত্তীয় সহযোগ, প্ৰযুক্তিৰ হস্তান্তৰকৰণ, জীৱনশৈলী আৰু জলবায়ু ন্যায়ৰ কথা বিশ্ববাসীৰ আগত উপস্থাপন কৰিছে। প্ৰধানমন্ত্ৰীয়ে বিশ্বৰ উন্নত দেশবোৰক উদ্দেশ্য কৰি কয় যে ২০০৯ চনৰ প্ৰতিশ্ৰুতি ফুটুকাৰ ফেনত পৰিণত হৈছে। তেওঁ লগতে এই কথাটোও কয় যে তেতিয়া আৰু এতিয়াৰ মাজত যথেষ্ট পাৰ্থক্য আহিছে, সেয়েহে উন্নত দেশবোৰে উন্নয়নশীল ৰাষ্ট্ৰবোৰক ১ ট্ৰিলিয়ন ডলাৰ দিব লাগে, আৰু এয়াই হৈছে জলবায়ু ন্যায়ৰ অংশ।



**বাহনৰ পৰা নিৰ্গমন হোৱা ধোৱাত কাৰ্বনৰ মাত্ৰা সৰ্বাধিক থাকে গতিকে সেয়া প্ৰতিৰোধ কৰাৰ বাবে পেট্ৰ’লত এথানলৰ ব্যৱহাৰ কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। ব্ৰাজিলৰ পাছত এনে কৰা দেশ হিচাপে ভাৰত দ্বিতীয়। ইয়াৰ লগতে বিএছ-৪ৰ পাছত পোনপটীয়াকৈ বিএছ-৬ ইঞ্জিনৰ ব্যৱহাৰ কৰি পৰিৱেশ সুৰক্ষাৰ দিশত দেশে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে।**

## জলবায়ু সংৰক্ষণৰ দিশত দেশৰ অভুতপূৰ্ব অভিলেখ

**০৫** শতাংশ কাৰ্বন নিৰ্গমন ভাৰতৰ হয়। যি নেকি বিশ্বৰ মুঠ জনসংখ্যৰ ১৭ শতাংশ ভাৰতৰ!

**২০৩০** চনৰ ভিতৰত ৰেল বিভাগে কাৰ্বন নিৰ্গমন নেট জিৰ’ কৰাৰ লক্ষ্য।

- নবীকৰণ শক্তিৰ উৎপাদনৰ ক্ষেত্ৰত ভাৰতৰ স্থান চতুৰ্থ। ভাৰতে আন্তঃৰাষ্ট্ৰীয় সৌৰ সন্মিলন গঠনত আগভাগ লৈছিল। দুৰ্যোগ প্ৰশমনৰ আন্তঃগাঁথনিতো বিশেষ গুৰুত্ব দিয়া হৈছে।

## পৰিৱেশ সুৰক্ষাৰ দিশত চৰকাৰৰ ক্ৰমাগত পদক্ষেপ

### পেৰিছ চুক্তিৰ লক্ষ্য পূৰণৰ দিশত ভাৰত

**২০৩০ৰ** ভিতৰত গ্ৰীনহাউছ গেছ নিৰ্গমণৰ তীব্ৰতা ৩৩ৰ পৰা ৩৫ শতাংশলৈ হ্ৰাস কৰাৰ লক্ষ্যৰ দিশত আগবাঢ়ি ভাৰতে এতিয়ালৈ ২১ শতাংশৰ লক্ষ্য পূৰণ কৰিছে।



জি-২০ দেশবোৰৰ ভিতৰত ভাৰত হৈছে একমাত্ৰ দেশ যাৰ প্ৰচেষ্টাৰ বাবে পৃথিৱীৰ তাপমাত্ৰা ২ ডিগ্ৰীলৈ সীমিত ৰাখিব পৰা যাব।

**১৫০০** কোটি টকাৰ ব্যয়ৰে বিকল্প শক্তিৰ সন্ধান কৰাৰ বাবে বাজেটত ৰাষ্ট্ৰীয় হাইড্ৰ’জেন মিছনৰ ঘোষণা কৰা হৈছে।

**১৫** শতাংশ লক্ষ্য ২০৩০ চনৰ ভিতৰত প্ৰাকৃতিক গেছৰ ক্ষেত্ৰত নিৰ্ধাৰণ কৰা হৈছে। এক ৰাষ্ট্ৰ-এটা গেছ গ্ৰীডৰ সহায়ত লক্ষ্য প্ৰাপ্তিৰ সম্ভাৱনা।





## জলবায়ু ন্যায় ভাৰতৰ দৃঢ় পদক্ষেপ

জলবায়ু পৰিৱৰ্তনৰ বিষয়টো লৈ প্ৰধানমন্ত্ৰীৰ সদায় এটা দৃষ্টিকোণ আছিল। প্ৰায় এটা দশকৰ পূৰ্বে তেওঁ এই বিষয়ত তেওঁ জলবায়ু পৰিৱৰ্তনৰ ভয়াৱহতাক লৈ এখন কিতাপো লিখিছে। তেওঁ গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে জলবায়ু পৰিৱৰ্তন বিভাগ আৰম্ভ কৰিছিল। পেৰিছ চুক্তিৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উদ্যোগত জলবায়ু ন্যায় শীৰ্ষক শব্দ যুগল অন্তৰ্ভুক্ত কৰা হৈছিল।

- জলবায়ু পৰিৱৰ্তন প্ৰদৰ্শন সূচাংক ২০২০ৰ প্ৰতিবেদনমতে ভাৰতে নিজৰ জলবায়ু দায়ৱদ্ধতা পূৰ্ণ কৰা একমাত্ৰ জি-২০ সন্মিলনৰ দেশ হয়।
- নবীকৰণ শক্তিৰ ক্ষেত্ৰত ভাৰতৰ সূচাংকঃ স্থাপন হোৱা শক্তিৰ ক্ষমতা আৰু স্থাপিত জল শক্তি ক্ষমতাৰ দিশত চতুৰ্থ স্থান হয়।
- স্থাপন হোৱা সৌৰ শক্তিৰ ক্ষেত্ৰত ভাৰতৰ স্থান পঞ্চম হয়। বিগত ৬ বছৰত ভাৰতৰ স্থাপন হোৱা সৌৰ শক্তিৰ ক্ষমতা ১৫ গুণ বৃদ্ধি পাইছে।
- বিগত পাঁচ বছৰত ভাৰতে বনাঞ্চল এলেকা ১৫ হাজাৰ কিঃমিঃলৈ বৃদ্ধি সুনিশ্চিত কৰিছে।

**২১খন ৰাজ্যত সৰ্বমুঠ ২৬,৬৯৪ মেগাৱাটৰ ক্ষমতাৰ ৪৭টা সৌৰ পাৰ্ক স্থাপন কৰা হৈ আছে। ইতিমধ্যে কৰ্নাটক, গুজৰাট আৰু মধ্যপ্ৰদেশত সৌৰ পাৰ্ক স্থাপন কৰা হৈছে।**

তেওঁ লগতে কম মূল্য প্ৰযুক্তিৰ হস্তান্তৰৰ ওপৰতো গুৰুত্ব আৰোঁপ কৰে। প্ৰধানমন্ত্ৰীয়ে বিকশিত ৰাষ্ট্ৰবোৰত তৎকালে ১ ট্ৰিলিয়ন ডলাৰৰ জলবায়ু বিত্ত কোষ গঠন কৰাৰ বাবে আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে কয়, "ভাৰতে আশা কৰে যে উন্নত ৰাষ্ট্ৰবোৰে শীঘ্ৰে জলবায়ু বিত্তৰ বাবে এক হাজাৰ বিলিয়ন ডলাৰ আগবঢ়াব। আমি যেনেকৈ জলবায়ু নিয়ন্ত্ৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰি আহিছোঁ ঠিক তেনেকৈ আমি জলবায়ু বিত্তকোষৰো নিৰীক্ষণ কৰিব লাগিব। মুঠতে যিসমূহ দেশে জনবায়ু নিয়ন্ত্ৰণৰ বিত্তকোষত গুৰুত্ব দিয়া নাছিল সেইসমূহ ৰাষ্ট্ৰৰ ওপৰত চাপৰ সৃষ্টি কৰিব লাগিব তেতিয়াহে প্ৰকৃত ন্যায় পোৱা যাব।" প্ৰধানমন্ত্ৰী মোদীয়ে লগতে কয় যে ভাৰতে সাহস আৰু গুৰুত্বসহকাৰে জলবায়ু নিয়ন্ত্ৰণৰ দিশত আগবাঢ়িছে আৰু অন্য উন্নয়নশীল ৰাষ্ট্ৰৰ পীড়াৰ কথা উপলব্ধি কৰিব পাৰে।

**জলবায়ু পৰিৱৰ্তন আৰু জীৱন শৈলী**


পৰিৱেশ আৰু জলবায়ু সংৰক্ষণ কিমান প্ৰয়োজনীয় সেয়া বিশ্ববাসীক কোভিড মহামাৰীয়ে ভালদৰে শিকাইছে। এনে সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জীৱন সম্পৰ্কত বিশ্ববাসীক এনে এক মন্ত্ৰ দিছে যি মন্ত্ৰৰ সহায়ত পৰিৱেশ অনুকূল জীৱন শৈলীৰ দীক্ষা লাভ কৰা যায়। এই দীক্ষা ভাৰতীয় সংস্কৃতি আৰু মহাত্মা গান্ধীৰ জীৱন আদৰ্শৰ দ্বাৰা প্ৰেৰণা লাভ কৰিছে। প্ৰকৃতিৰ সৈতে শান্তিপূৰ্ণ সহৱস্থান আৰু সম্পদবোৰৰ ক্ষেত্ৰত দায়িত্বসহকাৰে ব্যৱহাৰৰ ক্ষেত্ৰত সজাগ কৰে। কেৱল প্ৰধানমন্ত্ৰীৰ ৰূপতয়েই নহয়, গুজৰাটৰ মুখ্যমন্ত্ৰী হৈ থকাৰ সময়তো জলবায়ু পৰিৱৰ্তনৰ ওপৰত গুৰুত্ব দি ৰাজ্য চৰকাৰত জলবায়ু পৰিৱৰ্তন বিভাগ নামেৰে এটা নতুন বিভাগ আৰম্ভ কৰিছিল। প্ৰধানমন্ত্ৰীয়ে জলবায়ু পৰিৱৰ্তন বিষয়ত সেই সময়ৰ পৰাই গুৰুত্ব দি আহিছে যি সময়ৰ পৰা এই বিষয়ত যথেষ্ট কমসংখ্যক ৰাষ্ট্ৰনেতাই গুৰুত্ব দিছিল। জলবায়ু পৰিৱৰ্তন বিষয়ত যুঁজ দিয়াৰ বাবে প্ৰধানমন্ত্ৰীয়ে গ্ৰহণ কৰা পদক্ষেপ আৰু বিষয়টোৰ ক্ষেত্ৰত তেওঁ দিয়া গুৰুত্বই অনেক কথা স্পষ্ট

# ইলেকট্ৰ'নিক বাহনৰ পৰা আৰম্ভ কৰি বেটাৰী উৎপাদনত সৰ্বাধিক গুৰুত্ব



### ৰসায়ন বেটাৰী

কেবিনেটে পিএলআই যুক্ত ৰাষ্ট্ৰীয় আধুনিক ৰসায়ন বেটাৰী ভাণ্ডাৰ কাৰ্যক্ৰমত অনুমোদন জনাইছে। ইয়াৰ ফলত আগন্তুক সময়ত খাৰুৱা তেলৰ আমদানিৰ খৰচ হ্ৰাস পোৱাৰ ফলত ২,৫০,০০০ কোটি ৰাহি হ'ব।




### ই-বাহনৰ বাবে ফেম ইণ্ডিয়া

ফেম ইণ্ডিয়া আঁচনিৰ বাবে আমি প্ৰতিদিনে ৮৫,৬০৫ লিটাৰ পেট্ৰ'ল ৰাহি হৈ আছে। কাৰ্বন ডাই অক্সাইডৰ নিৰ্গমণ ২০,০৫,৯১,৬০৫ টনলৈ হ্ৰাস পাইছে।



### বন্যজীৱ ৰক্ষাৰ বাবে পদক্ষেপ

হস্তী প্ৰকল্প, শগুণ সংৰক্ষণ প্ৰকল্প, শিহু ৰক্ষা প্ৰকল্প, ৰাষ্ট্ৰীয় সাগৰীয় কাছ সুৰক্ষা আঁচনি আদি বিভিন্ন পদক্ষেপৰ মাধ্যমত প্ৰায় ২২টা বন্যজীৱ অন্তৰ্ভুক্ত কৰি বন্য সুৰক্ষাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।



**বিগত ৪ বছৰত বনাঞ্চলৰ এলেকা ১৩ হাজাৰ কিঃমিঃলৈ বৃদ্ধি পাইছে। ২০১৭-১৯ৰ সময়ছোৱাত এয়া ৫,১৮৮ বৰ্গ কিঃমিঃ বৃদ্ধি পাইছে।**

**স্বচ্ছ শক্তিক উৎসাহিত কৰাৰ বাবে চৰকাৰে ৫বছৰত ৫,০০০ প্ৰকল্প স্থাপন কৰি কৃষি আৱৰ্জনাৰ পৰা জৈৱ-চিএনজি উৎপাদন কৰাৰ বাবে আঁচনি ৰূপায়ন কৰিছে।**

কৰে। তেওঁ সেইসকল নেতাৰ সমপৰ্যায়ৰ হয় যিসকলে জলবায়ু পৰিৱৰ্তনৰ গুৰুতৰ সমস্যা প্ৰকৃতাৰ্থত নাইকীয়া কৰিব বিচাৰে। দেশৰ বিভিন্ন প্ৰান্তত পৰিভ্ৰমণ কৰি তেওঁ প্ৰকৃতিৰ সৈতে সংলগ্ন হৈ পৰাৰ জীৱন আদৰ্শ আৱিস্কাৰ কৰিছে। ভাৰতীয় পৰম্পৰাগত জীৱনশৈলী আৰু প্ৰকৃতিৰ সৈতে থকা প্ৰেমক প্ৰধানমন্ত্ৰীয়ে বিশ্বৰ আগত উপস্থাপন কৰিছে। বেদত আই ধৰিত্ৰীক মাতৃৰ সৈতে তুলনা কৰি লিখা হৈছে, "মাতা ভূমিঃ পুত্ৰৌ অহং পৃথিব্য" অৰ্থাৎ পৃথিৱী হৈছে আমাৰ মাতৃ আৰু আমি তেওঁলোকৰ সন্তান।

পৰিৱেশ সংৰক্ষণৰ এই আৰ্হি পোনপ্ৰথমে শাসনত থকাৰ সময়ত গুজৰাটত নৰেন্দ্ৰ মোদীয়ে আৰম্ভ কৰিছিল আৰু এতিয়া দেশে ইয়াক আগবঢ়াই নিছে।

পৰিৱেশৰ ওপৰত প্ৰধানমন্ত্ৰীয়ে নিজৰ কিতাপ The Climate Climb: India's Strategy, Actions and Achievementsত সাধাৰণ লোকৰ বাবে এনে এক জীৱনশৈলী যাপন কৰাৰ বাবে আহ্বান জনাইছে যি প্ৰকৃতিৰ প্ৰতি সামঞ্জস্যপূৰ্ণ আৰু দীৰ্ঘকালীন হয় কিয়নো এই জীৱন শৈলী আমাৰ দৈনন্দিন জীৱন ব্যৱহাৰৰ অংশ হয়। তেওঁ কোৱা কথাৰ অৰ্থ এয়াই যে এবাৰ যদি আমি জীৱনৰ সৈতে পৰিৱেশৰ সম্পৰ্ক উপলব্ধি কৰিবলৈ সক্ষম হওঁ তেন্তে জীৱনৰ প্ৰতি ধনাত্মক চিন্তাৰ উন্মেষণ ঘটাৰ লগতে জীৱনশৈলীৰ উত্তৰণ হ'ব। নিজৰ কিতাপত প্ৰধানমন্ত্ৰীয়ে অৰ্থব্যৱস্থা, শক্তি আৰু পৰিস্থিতিতন্ত্ৰৰ মাজৰ সমণ্বয়তাৰ কথা দোহাৰাৰ লগতে জলবায়ু পৰিৱৰ্তনৰ পৰা জলবায়ু

# স্বচ্ছ ভাৰত অভিযানে উৎসাহ দিছে

- ২০১৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লাল কিল্লাৰ পৰা স্বচ্ছতা অভিযানৰ কথা ঘোষণা কৰিছিল। অনেক লোকে প্ৰধানমন্ত্ৰীৰ ঘোষণাত বিশেষ গুৰুত্ব দিয়া দেখা নগৈছিল। কিন্তু কালক্ৰমত এই অভিযানৰ গুৰুত্ব সকলোৱে বুজি উঠিছিল। এই স্বচ্ছ অভিযানে মূলত স্বচ্ছতা, পৰিৱেশ সুৰক্ষাৰ অন্তৰ্নিহিত উদ্দেশ্যৰ কথা ব্যক্ত কৰিছে।
- প্ৰধানমন্ত্ৰীৰ আহ্বানক্ৰমে নাগৰিক আৰু বিভিন্ন সামাজিক সংস্থা স্বেচ্ছাই এই অভিযানৰ অংশীদাৰ হৈ পৰিছিল। সামাজিক অংশীদাৰিত্বৰে এই অভিযানে সফলতা লাভ কৰিছিল আৰু দেশত ১১ কোটি শৌচাগাৰ নিৰ্মাণ হৈছিল।
- স্বচ্ছতাৰ সূচাংকত নিজৰ স্থান উন্নীত কৰাৰ বাবে দেশৰ প্ৰতিখন চহৰ-নগৰে আজি প্ৰতিযোগিতামূলক মনোভাৱ ৰাখি আগবাঢ়িছে। ভূমিগত পানী আৰু বায়ু প্ৰদূষণ ৰোধ কৰাৰ বাবেও বিশেষ ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।
- ইয়াৰ ফলত দেশৰ ৩ লাখ শিশু যি হাইজা ৰোগৰ দ্বাৰা আক্ৰান্ত হৈ প্ৰতিবছৰে মৃত্যু হয় সেয়া ৰক্ষা পৰিছে। এই তথ্য স্বয়ং ৰাষ্ট্ৰ সংঘৰ সংস্থা ইউনিচেফৰ প্ৰতিবেদনত প্ৰকাশ পাইছে। অন্যহাতে স্বচ্চ পানীৰ বাবে বেমাৰ প্ৰতিৰোধ হোৱাৰ ফলত প্ৰতিটো পৰিয়ালৰ ৫০ হাজাৰ টকা ৰাহি হোৱা বুলিও প্ৰতিবেদনত প্ৰকাশ পাইছে।




**নমামী গংগে আঁচনিৰ অধীনত ঘাটৰ স্বচ্ছকৰণ, মল নিস্কাশনৰ দিশত বিজ্ঞানভিত্তিত কাম হৈছে। নদীৰ কাষত জংঘল বিস্তাৰ পৰিৱেশৰ দিশত উপযোগী হৈছে।**

ন্যায়লৈ দৃষ্টিকোণ সলনি কৰাৰ ওপৰত গুৰুত্ব আৰোঁপ কৰিছে যাতে বহনক্ষম উন্নয়নৰ জড়িয়তে সকলো শ্ৰেণীৰ লোকৰ বিকাশৰ সম্ভৱ হওক। তেওঁ লগতে কিতাপখনত স্বচ্ছ শক্তি, পুনঃনবীকৰণ শক্তি, পৰিৱেশ সংৰক্ষণৰ ওপৰত বিশেষ গুৰুত্ব দিছে। এই কিতাপখনে জলবায়ু পৰিৱৰ্তন প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীৰ লক্ষ্য আৰু পদ্ধতি প্ৰতিফলিত কৰিছে। কোপ-২৬ত ভাৰতে গ্ৰহণ কৰা নীতিৰ আঁৰত প্ৰধানমন্ত্ৰীৰ জলবায়ু ন্যায়ক লৈ থকা দৃষ্টিভংগী আৰু ভাৰতৰ প্ৰকৃতিৰ সৈতে থকা নিবিড় সম্পৰ্কৰ কথা প্ৰতিফলিত কৰিছে। ভাৰতে কিদৰে পেৰিছ চুক্তিত কৰা প্ৰতিশ্ৰুতি অনুসৰি ২০৩০ চনৰ ভিতৰত নিজৰ লক্ষ্য প্ৰাপ্তিৰ দিশত আগবাঢ়িছে সেই বিষয়ে জানিবলৈ নৰেন্দ্ৰ মোদীৰ কিতাপখন পঢ়াৰ প্ৰয়োজনীয়তা আছে। পৰিৱেশ সুৰক্ষা তথা বহনক্ষম উন্নয়নৰ বিষয়ে এই কিতাপখনত বিশেষ আলোকপাত কৰা হৈছে।

জলবায়ু পৰিৱৰ্তনৰ সমস্যা সমাধানৰ বাবে যদিহে শীঘ্ৰে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা নহয় তেন্তে সমগ্ৰ মানৱজাতিৰ বাবে এয়া শংকাৰ সময়। এই কথা উপলব্ধি কৰি গ্লাছগোত জলবায়ু বৈঠক অনুষ্ঠিত হৈ গৈছে। আশা কৰিব পাৰি যে এই বৈঠকৰ পাছত বিশ্বৰ শীৰ্ষ দেশবোৰে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিব আৰু এই ধৰাক ৰক্ষা কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে পেৰিছ জলবায়ু বৈঠক বননী বিস্তাৰ, কাৰ্বন নিৰ্গমন আদি বিষয় উল্লেখ কৰাৰ পাছত এইবাৰ পঞ্চামৃতৰ সংকল্পৰে বিশ্বৰ নেতৃত্ব লৈছে।

**ৰাষ্ট্ৰীয় স্বচ্ছ বায়ু আঁচনিৰ জৰিয়তে ২০১৮ বৰ্ষৰ তুলনাত ২০১৯চনত ৮৬খন চহৰ-নগৰৰ বায়ু স্বচ্ছতা বৃদ্ধি পাইছে। ২০২০ চনত এনে চহৰ-নগৰৰ সংখ্যা ১০৪খনলৈ বৃদ্ধি পাইছে।**

## এই বিষয়বোৰত সন্মতি হৈছে

- এতিয়া প্ৰতি পাঁচ বছৰৰ সলনি (পূৰ্বতে হোৱা) আগন্তুক বৰ্ষ ২০২২ বৰ্ষত প্ৰতিখন ৰাষ্ট্ৰই তেওঁলোকৰ ২০৩০ চনৰ লক্ষ্যৰে লোৱা জলবায়ু কাৰ্যপন্থা বা এনডিচিক শক্তিশালী কৰিব।
- ইস্পিত লক্ষ্যবোৰ সম্পূৰ্ণ কৰাৰ বাবে ৰাষ্ট্ৰবোৰৰ মাজত সমণ্বয় বৃদ্ধি কৰা যাব।
- ২০৩০ জলবায়ু কাৰ্যপন্থা পৰিকল্পনাক কাৰ্যকৰী কৰাৰ বাবে প্ৰতিবছৰে মন্ত্ৰী পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হ'ব।
- দেশবোৰৰ জলবায়ু পৰিৱৰ্তন প্ৰতিৰোধৰ বাবে কি কৰি আছে সেয়া পৰ্যালোচনা হ'ব।
- ক্লাইমেট এক্সন টাৰ্গেটিক সফল কৰাৰ বাবে ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধানে ২০২৩ চনত এখন বৈঠকৰ আয়োজন কৰিব।
- দেশবোৰে প্ৰাকৃতিক(জীৱাশ্ম) ইন্ধনৰ ব্যৱহাৰ কম কৰাৰ লগতে কয়লাৰ ব্যৱহাৰ হ্ৰাস কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে।
- কয়লাৰ ব্যৱহাৰ পৰ্যায়ক্ৰমে হ্ৰাস কৰিবলৈ আহ্বান।
- আনহাতে জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ হ্ৰাস কৰাৰ লগতে উন্নত ৰাষ্ট্ৰবোৰে ২০২৫লৈ অনুকূলনৰ বাবে উন্নয়নশীল ৰাষ্ট্ৰবোৰক দিয়া জলবায়ু ন্যায় নিধি ২০১৯ৰ তুলনাত দুগুণ কৰক।
- অনুকূলনৰ (Adaption) সঠিক ৰূপায়নৰ বাবে দুবছৰীয়া কাৰ্যব্যৱস্থা তৈয়াৰ কৰা হৈছে।

## 'উজালা'ই কাৰ্বন নিৰ্গমণ প্ৰতিৰোধ কৰাৰ লগতে 'উজ্জ্বলা'ই ধোঁৱা মুক্ত পাকঘৰ দিছে



- ২০১৬ চনত উজালা আঁচনি আৰম্ভ কৰা হৈছিল। এই আঁচনিৰ উদ্দেশ্য আছিল পুৰণি বাল্ববোৰ সলাই নতুন এলইডি ব্যৱহাৰ কৰা। পুৰণি বাল্বৰ প্ৰয়োগে দেশৰ মুঠ বিদ্যুৎ ব্যৱহাৰৰ ২০ শতাংশ বিদ্যুৎ ব্যৱহাৰ কৰি আছিল।
- ইয়াৰ বাবে চহৰবোৰত এলইডি লাইটবোৰ আধা দামতে দিয়া হৈছিল। উজালা আঁচনিৰ অধীনত ৩৬ কোটি ৭৮ লাখ এলইডি বিতৰণ কৰা হৈছিল।
- এতিয়ালৈ প্ৰায় ৮লাখ টন কাৰ্বন নিৰ্গমণ ৰোধ কৰা হৈছে। বিদ্যুতৰ ব্যৱহাৰ ৪৭ হাজাৰ কিলোৱাট ৰাহি হৈছে আৰু ইয়াৰ ফলত ১৯ হাজাৰ কোটি সঞ্চয় হৈছে।
- উজালা আঁচনিৰ দ্বিতীয় পৰ্যায়ত এতিয়া গ্ৰামীণ উজালা আঁচনি আৰম্ভ কৰা হৈছে। ইয়াৰ অধীনত ৬০ কোটি পুৰণি বাল্বৰ ঠাইত ১০ টকা মূল্যত এলইডি দিয়া হ'ব।
- উজ্জ্বলাৰ জৰিয়তে দেশৰ এলপিজিৰ ব্যাপকতা ৯৯.৬ শতাংশলৈ বৃদ্ধি পাইছে। এই শতাংশ স্বাধীনতা লাভৰ ৬টা দশকৰ পাছত কেৱল ৫৫ শতাংশ আছিল।
- ইয়াৰ জৰিয়তে কেৰাচিনৰ দ্বাৰা জুই জ্বলোৱাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে আৰু ধোঁৱাৰ পৰা সৃষ্টি হোৱা স্বাস্থ্যজনিত সমস্যাবোৰ আঁতৰ হৈছে।

# সৌৰ শক্তিৰ ক্ষেত্ৰত বিশ্বৰ সাৰথি হৈ পৰিছে ভাৰত



- সৌৰ শক্তিৰ ক্ষেত্ৰত ভাৰতে বিশ্বক দিশৰ সন্ধান দিছে। সৌৰ শক্তি হৈছে বিশ্ব অন্যতম বিকল্প ইন্ধন। এই কথাটোবৰ ওপৰত গুৰুত্ব দি দেশে ২০০৯ চনত ৰাষ্ট্ৰীয় সৌৰ মিছন আৰম্ভ কৰা হৈছিল।
- ইয়াৰ লক্ষ্য আছিল ২০২২ৰ ভিতৰত ২০ গিগাৱাট সৌৰ শক্তিৰ উৎপাদন। এয়া বৰ্তমানৰ চৰকাৰৰ পৰিৱেশ সুৰক্ষা আৰু কাৰ্বন নিৰ্গমণ ৰোধ কৰাৰ প্ৰতি দায়ৱদ্ধতাৰ নিদৰ্শন দাঙি ধৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই লক্ষ্যক পাঁচগুণ বৃদ্ধি কৰি ১০০ গিগাৱাট কৰিছে।
- চৰকাৰে ২০২২ চনৰ ভিতৰত নবীকৰণ শক্তিৰ ভাণ্ডাৰ ১৭৫ গিগাৱাট কৰাৰ লক্ষ্য বান্ধি লৈছে। ইয়াৰ ভিতৰত বতাহ শক্তিৰ পৰা ৬০ গিগাৱাট, সৌৰ শক্তিৰ পৰা ১০০ গিগাৱাট, বায়'মাছ শক্তিৰ পৰা ১০ গিগাৱাট আৰু ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্পৰ পৰা ৫ গিগাৱাট উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।
- বিশ্বৰ সমূহ শক্তিশালী অৰ্থনীতি থকা দেশবোৰৰ ভিতৰত বিগত ৬ বছৰত ভাৰতে নবীকৰণ শক্তিৰ ক্ষেত্ৰত ভাৰতে যথেষ্ট প্ৰগতি লাভ কৰিছে। সৰ্বমুঠ শক্তিৰ ব্যৱহাৰৰ ক্ষেত্ৰত নবীকৰণ শক্তিৰ ব্যৱহাৰ ২৪ শতাংশৰ বেছি।
- কৃষকসকলৰ অনুৰ্বৰ ভূমিত সৌৰ শক্তি উৎপাদন আৰম্ভ কৰাৰ আঁচনি কৃষক উৰ্জা সুৰক্ষা এবং উত্থান মহাঅভিযান (পিএম-কুসুম) ২০১৮ চনৰ জুলাইত আৰম্ভ কৰা হয়।

"ভাৰতে বিশ্বক এয়া আশ্বাস দিছিল যে দেশৰ নবীকৰণ শক্তিৰ ক্ষমতা ৪০ শতাংশলৈ বৃদ্ধি কৰা হ'ব। ভাৰতে ইতিমধ্যে সেই লক্ষ্য অতিক্ৰম কৰিছে। প্ৰধানমন্ত্ৰীয়ে ৪৫০ গীগাৱাটৰ কথা কোৱা হৈছিল, এতিয়া গ্লাছগোত সেয়া ৫০০ গীগাৱাটলৈ বৃদ্ধি কৰা হৈছে। এতিয়া লাহে লাহে বিশ্বই এয়া বিশ্বাস কৰিবলৈ আৰম্ভ কৰিছে যে ভাৰতে কেৱল আশ্বাসেই নহয়, সেয়া সম্পূৰ্ণও কৰে। আমি বিশ্বৰ সম্মুখত ৰখা সকলো লক্ষ্য সময়মতে পূৰ্ণ কৰিম। ভাৰতে সেউজ শক্তিৰ বৃদ্ধিৰ ক্ষেত্ৰত দায়ৱদ্ধ।"

**ভূপেন্দ্ৰ যাদৱ, কেন্দ্ৰীয় মন্ত্ৰী, বন-পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন**

**ফেম ইণ্ডিয়া আঁচনিৰ জৰিয়তে ৰাজহুৱা পৰিবহনত ই-বাহনৰ প্ৰয়োগ বৃদ্ধি কৰা হৈছে। কেৱল এয়াই নহয়, দেশত প্ৰায় ৭৪০ কিঃমিঃ দৈৰ্ঘ্যৰ মেট্ৰ' লাইন আৰম্ভ কৰা হৈছে। ২০২২ৰ ভিতৰত এয়া ৯০০ কিঃমিঃ হৈ যাব। ১০০০ কিঃমিঃতকৈ অধিক মেট্ৰো ৰেলৰ নিৰ্মাণকাৰ্য বৰ্তমান চলি আছে।**

# জলবায়ু পৰিৱৰ্তন বিষয়ত প্ৰধানমন্ত্ৰীৰ মাৰাথন বৈঠক



**ৰূপায়নৰ এটা দশক**

## জি-২০ শীৰ্ষ সন্মিলন- তৃতীয়ত প্ৰধানমন্ত্ৰী

প্ৰধানমন্ত্ৰীয়ে এই সন্মিলনত অংশ লৈ কয় যে কোভিডৰ বাবে বহনক্ষম উন্নয়নৰ লক্ষ্যবোৰ আংশিকভাৱে স্তিমিত হৈ পৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত আফ্ৰিকা আৰু সৰু দ্বীপ ৰাষ্ট্ৰবোৰক বিশেষ গুৰুত্ব দিয়াৰ প্ৰয়োজন আছে। তেওঁ ইয়াক কামৰ দশক আখ্যা দিয়ে।

**জি-২০ প্ৰধানমন্ত্ৰী**

## ৫০০ কোটি ভেকচিনৰ পালি বিশ্বক ভাৰতে দিব

আন্তৰ্জাতিক অৰ্থনীতি আৰু আন্তৰ্জাতিক স্বাস্থ্য বিষয়ত জি-২০ সন্মিলনৰ প্ৰথম বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কোভিডৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে এখন পৃথিৱী-এক স্বাস্থ্যৰ কথা কয়। তেওঁ লগতে যোগান শৃংখলা স্থিতিস্থাপকতা বিশ্বস্তৰীয় বৈঠকতো অংশ লয়।

**ভেটিকান চহৰ**

## কোভিডৰ সময়ত ভাৰতে কৰা সহায়ক পোপে প্ৰশংসা কৰে

ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে ভেটিকানৰ চহৰৰ পোপৰ সৈতে হোৱা এই সাক্ষাৎ দুটা দশকৰ মূৰকত হৈছে। ইয়াৰ পূৰ্বে ২০০১ চনত অটল বিহাৰী বাজপেয়ীয়ে পোপক সাক্ষাৎ কৰিছিল। নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি পোপে ভাৰতে কোভিডৰ সময়ত লোৱা স্থিতিৰ বাবে প্ৰশংসা কৰে।

**দ্বিপাক্ষিক বৈঠক**

## ছিংগাপুৰৰ সৈতে জলবায়ু বিষয়ক বৈঠক

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছিংগাপুৰৰ প্ৰধানমন্ত্ৰীৰ সৈতে জি-২০ সন্মিলনৰ আলমত এক সুকীয়া বৈঠকত মিলিত হয়। ৩০ অক্টোবৰ তাৰিখে ৰোমত অনুষ্ঠিত হোৱা এই বৈঠকত প্ৰধানমন্ত্ৰীয়ে জলবায়ু পৰিৱৰ্তন বিষয়ক আলোচনা কৰে।



## ফ্ৰান্সৰ সৈতেও জলবায়ু বিষয়ক বৈঠক

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৩০ অক্টোবৰ তাৰিখে জি-২০ বৈঠকৰ সমান্তৰালকৈ ইটালীৰ ৰোমত ফ্ৰান্সৰ ৰাষ্ট্ৰপতিৰ সৈতে এক দ্বিপাক্ষিক বৈঠকত মিলিত হয়। দুয়োগৰাকী নেতাই জলবায়ু বিষয়টো আলোচনা কৰাৰ লগতে জলবায়ু বিত্তৰ বিষয়তো আলোচনা কৰে।

কোপ-২৬ত প্ৰধানমন্ত্ৰীয়ে প্ৰদান কৰা ভাষণ শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক



## গ্ৰেট বৃটেইনৰ প্ৰধানমন্ত্ৰীয়ে ভাৰতৰ সৈতে কাম কৰি যোৱাৰ প্ৰতিশ্ৰুতি দিয়ে

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কোপ-২৬ জলবায়ু পৰিৱৰ্তন বৈঠকৰ সমান্তৰালকৈ বৃটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছনৰ সৈতে গ্লাছগোত বৈঠকত মিলিত হয়। সৌৰ শক্তি, জলবায়ু পুঁজি, সেউজ হাইড্ৰ'জেন, নবীকৰণ শক্তি, স্বচ্ছ প্ৰযুক্তি বিষয়ত দুয়ো ৰাষ্ট্ৰপ্ৰধানে বৈঠকত মিলিত হয়।

**দ্বিপাক্ষিক বৈঠক**

## স্পেইনৰ ৰাষ্ট্ৰপ্ৰধানৰ সৈতে বৈঠক

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্লাছগোত কোপ-২৬ বৈঠকত অংশ লোৱাৰ লগতে অন্য ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপ্ৰধানৰ সৈতে পৃথকে বৈঠকত মিলিত হয়। তেওঁ স্পেইনৰ ৰাষ্ট্ৰপ্ৰধানৰ সৈতেও বৈঠকত মিলিত হয়। জলবায়ু পৰিৱৰ্তন, ই-মবিলীটি, গভীৰ সমুদ্ৰ অধ্যয়ন আদি বিষয়ত আলোচনা কৰে।

**দ্বিপাক্ষিক বৈঠক**

## ইণ্ডোনেছিয়াৰ সৈতে পদ্ধতিগত অংশীদাৰিত্ব বিষয়ত বৈঠক

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰোমত ইণ্ডোনেছিয়াৰ প্ৰধানমন্ত্ৰী জকো উইডোড'ৰ সৈতে বৈঠকত মিলিত হয়। দুয়ো ৰাষ্ট্ৰপ্ৰধানে শেহতীয়াকৈ দুয়ো দেশৰ মাজত পদ্ধতিগত অংশীদাৰিত্বৰ ওপৰত আলোচনা কৰাৰ লগতে কোভিড স্থিতিৰ সময়ত কৰা সহযোগিতাক প্ৰশংসা কৰে।

**দ্বিপাক্ষিক বৈঠক**

## প্ৰতিৱেশী নেপালৰ সৈতেও আলোচনা

শ্বেৰ বাহাদুৰ দেউবাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে। দুয়োখন দেশৰ ৰাষ্ট্ৰপ্ৰধানে কোভিড স্থিতিৰ কথা আলোচনা কৰাৰ লগতে দুয়োখন দেশৰ মাজত থকা দ্বিপাক্ষিক সম্পৰ্কক শক্তিশালী কৰাৰ ওপৰত বিশেষ গুৰুত্ব দি আলোচনা কৰে।

**দ্বিপাক্ষিক বৈঠক**

## জাৰ্মানীৰ সৈতে সম্পৰ্ক শক্তিশালী কৰাৰ ওপৰত আলোচনা

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জাৰ্মান চেঞ্চেলৰ এঞ্জেলা মাৰ্কেলৰ সৈতেও বৈঠকত মিলিত হয়। দুয়ো দেশৰ মাজত থকা দ্বিপাক্ষিক সম্পৰ্ক সন্দৰ্ভত তেওঁলোকে আলোচনা কৰাৰ লগতে ব্যাপাৰ-বাণিজ্যৰ সম্পৰ্ক অধিক কটকটীয়া কৰাৰ ওপৰত গুৰুত্ব আৰোঁপ কৰে।

## বিল গেটছৰ সৈতেও ভৱিষ্যৎ পন্থা সম্পৰ্কত আলোচনা

ভৱিষ্যৎ কাৰিকৰী প্ৰযুক্তি, বেটাৰী ভাণ্ডাৰ, সেউজ হাইড্ৰ'জেন, ভেকচিন গৱেষণা আদি বিভিন্ন বিষয় লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মাইক্ৰছফ্টৰ সহপ্ৰতিষ্ঠাপক বিল গেটছৰ সৈতে আলোচনাত মিলিত হয়। প্ৰধানমন্ত্ৰীয়ে বিল আৰু মেলিন্দা গেটছ ফাউণ্ডেশ্বনৰ দ্বাৰা হৈ থকা কামবোৰৰ প্ৰশংসা কৰে।

**দ্বিপাক্ষিক বৈঠক**

## ইউক্ৰেইনৰ সৈতে দ্বিপাক্ষিক আলোচনা

ইউক্ৰেইনৰ ৰাষ্ট্ৰপ্ৰধানৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হোৱা বৈঠকত দুয়ো দেশৰ বাণিজ্যিক সম্পৰ্ক তথা দ্বিপাক্ষিক সম্বন্ধ সম্পৰ্কত আলোচনা হয়। কোভিডৰ সময়ত হোৱা সহায় তথা পাৰস্পৰিক সম্পৰ্ক আদি বিষয়তো দুয়োগৰাকীয়ে বৈঠকত আলোচনা কৰে।



## ভাৰত-ইজৰাইলে পাৰস্পৰিক সম্পৰ্ক অধিক বৃদ্ধি কৰিব

ইজৰাইলৰ প্ৰধানমন্ত্ৰী নেফটালী বেনেটৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এয়া প্ৰথম বৈঠক আছিল। দুয়োখন দেশৰ মাজত থকা দ্বিপাক্ষিক সম্পৰ্কত তথা প্ৰযুক্তি আৰু কাৰিকৰী দিশত অধিক সহযোগিতাৰ বাবে দুয়ো নেতাই আলোচনা কৰে। ●

# “ভাৰতৰ কাৰ্যপন্থা আৰু দূৰদৃষ্টিত সকলোৰে বিশ্বাস আছে, আমি সকলো উন্নয়নশীল দেশৰ বিষয়বোৰ উত্থাপন কৰিছোঁ।”




শেহতীয়াকৈ প্ৰকাশ পোৱা এক তথ্যমতে ২০২১ বৰ্ষৰ অক্টোবৰ মাহতো পৃথিৱীৰ ইতিহাসত চতুৰ্থ সৰ্বাধিক গৰম মাহ আছিল, এন্টাৰ্কটিকাৰ বৰফ বিগত ৪৩ বছৰত অষ্টম বাৰৰ বাবে সকলোতকৈ কম স্তৰত আছিল। এন্টাৰ্কটিকাৰ এই অৱস্থা অভিলেখ চতুৰ্থবাৰৰ বাবে হৈছে। বৰফ গলিবলৈ আৰম্ভ কৰিছে, ধুমুহা-বৰষুণ বৃদ্ধি পাইছে, গ্ৰীষ্ম প্ৰবাহ বৃদ্ধি পাইছে, বিশ্বই প্ৰাকৃতিক দুৰ্যোগৰ সৈতে নিৰন্তৰ যুঁজ দি আছে। এনে প্ৰেক্ষাপটত যেতিয়া সমগ্ৰ বিশ্বৰ প্ৰায় ২০০খন দেশৰ নেতৃত্ব গ্লাছগোত পৰিৱেশ ৰক্ষাৰ উপায় নিৰ্বাচনৰ চিন্তা-চৰ্চাত মিলিত হৈছিল তেতিয়া ভাৰতে কেৱল নিজৰ লক্ষ্যৰ কথা ব্যক্ত কৰা নাছিল লগতে বিশ্বৰ উন্নয়নশীল দেশৰ প্ৰত্যাহ্বানবোৰ উন্নত দেশবোৰৰ প্ৰতিনিধিৰ আগত উপস্থাপন কৰি তেওঁলোকৰ দায়িত্বৰ কথা সোঁৱৰাই দিছিল। কেন্দ্ৰীয় বন, পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱৰ সৈতে নিউ ইণ্ডিয়া সমাচাৰৰ জ্যেষ্ঠ পৰামৰ্শদাতা সম্পাদক সন্তোষ কুমাৰ আৰু জ্যেষ্ঠ সহায়ক পৰামৰ্শদাতা সম্পাদক বিভোৰ শৰ্মাই সাক্ষাৎকাৰ গ্ৰহণ কৰে....

**প্ৰশ্নঃ কোপ-২৬ বৈঠকে এইবাৰ যথেষ্ট চৰ্চা লাভ কৰিছে। বিশ্বৰ সম্মুখত দেখা দিয়া জলবায়ুৰ এই প্ৰত্যাহ্বানৰ ভিত্তিত হোৱা বৈঠকক আপুনি কিদৰে পৰ্যালোচনা কৰিব?**

উত্তৰঃ ১৯৯২ চনত ইউএনএফচিচিচি স্থাপন হোৱাৰ পাছৰ পৰা বিশ্বই প্ৰতিবছৰে জলবায়ু পৰিৱৰ্তনৰ ওপৰত চিন্তা-চৰ্চা, চিন্তন আৰু উমৈহতীয়া পদক্ষেপৰ মাধ্যমত সমস্যাৰ সমাধানৰ বাবে গুৰুত্ব দি আহিছে। এইবাৰ কোপ-২৬ৰ বৈঠকৰ মাধ্যমত সমগ্ৰ বিশ্বৰ দেশবোৰ পৰিৱেশ ৰক্ষাৰ বাবে উঠিপৰি লাগিছে। উমৈহতীয়া প্ৰচেষ্টাৰ ফলত সমাধান সোনকালে পোৱা যায়। কোভিড মহামাৰীৰ দৰে সময়ত এনেকুৱা জলবায়ু বৈঠক অনুষ্ঠিত হোৱা কথাটো মহত্বপূৰ্ণ। এই বৈঠকৰ আগমুহূৰ্তত আইপিচিচিৰ প্ৰতিবেদনত এই তথ্য প্ৰকাশ পাইছে যে এটা দশকৰ ভিতৰত বিশ্বৰ তাপমাত্ৰা ১.৫ ডিগ্ৰী ছেলচিয়াছৰ বেছি হোৱাৰ সম্ভাৱনা আছে। উদ্যোগিক উৎপাদনৰ লগতে বিশ্বত কাৰ্বন নিৰ্গমন অব্যাহত থাকিলে বিশ্বৰ বিভিন্ন দেশত প্ৰাকৃতিক দুৰ্যোগ আৰু মানৱতাৰ প্ৰতি শংকা আহি থাকিব। গতিকে এনে সময়ত এই সমস্যা সমাধানৰ বাবে চিন্তা-চৰ্চাৰ লগতে কাৰ্যব্যৱস্থা হাতত লোৱাৰ সময় আহি পৰিছে।

**প্ৰশ্নঃ পেৰিছৰ পৰা গ্লাছগোলৈ পৰিৱেশ সুৰক্ষাৰ দিশত লোৱা পদক্ষেপবোৰ সন্দৰ্ভত আপোনাৰ পৰ্যৱেক্ষণ কি?**

উত্তৰঃ গ্লাছগোৰ বৈঠকবোৰৰ লগতে পেৰিছ চুক্তিৰ পৰা দুটা কথা স্পষ্ট হৈ পৰিছে। প্ৰথম, যিবোৰ দেশে অত্যাধিক উদ্যোগিক কামকাজৰ জড়িয়তে অধিক কাৰ্বন নিৰ্গমন কৰি আছে তেওঁলোকৰ দায়িত্ব অত্যাধিক। এই দেশবোৰে নিজেই কৈছিল যে ইয়াৰ ক্ষতিপূৰণৰ বাবে তেওঁলোকে উন্নয়নশীল ৰাষ্ট্ৰবোৰক প্ৰতিবছৰে ১০০ বিলিয়ন ডলাৰ দিব। দ্বিতীয়, উন্নয়নশীল দেশবোৰ জলবায়ু সমস্যাৰ সৈতে যুঁজ দিবলৈ প্ৰয়োজনীয় প্ৰযুক্তিগত উপলব্ধ কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জলবায়ু ন্যায়ৰ এই বিষয়টো পেৰিছ চুক্তিৰ সময়তো উত্থাপন কৰিছে আৰু এতিয়াও কৰিছে। প্ৰকৃততে বিশ্বৰ পৰিৱেশ যিবোৰ উন্নত ৰাষ্ট্ৰই অধিক ক্ষতিগ্ৰস্ত কৰিছে সেইবোৰ ৰাষ্ট্ৰই এই ক্ষেত্ৰত উত্তৰ দিয়াৰ প্ৰয়োজনীয়তা আছে।

**প্ৰশ্নঃ ভাৰতবৰ্ষৰ দৃষ্টিকোণত গ্লাছগোৰ ফলাফল কি?**

"

ভাৰত হৈছে এথন দায়িত্বশীল বিশ্ব মহাশক্তি আৰু পাঁচটা সূত্ৰৰ জলবায়ু এজেণ্ডাৰ প্ৰস্তাৱৰে জলবায়ু ন্যায়ৰ স্বচ্চ ধাৰণাৰে পৰিৱেশ সুৰক্ষাৰ বাবে দায়বদ্ধ। গ্লাছগোৰ মঞ্চৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্বৰ নেতৃত্বক এই কথাটো মনত পেলায় দিয়ে যে বিশ্বৰ জনসংখ্যাৰ ১৭ শতাংশ ভাৰতৰ হোৱাৰ পাছতো কাৰ্বন নিৰ্গমনৰ বাবে ভাৰতে কেৱল ৫ শতাংশৰ বাবেহে দায়ী কিয়নো জলবায়ু সংকটৰ পৰা পৃথিৱীক ৰক্ষাৰ বাবে নিজৰ কৰ্তব্য সম্পূৰ্ণৰূপে পালন কৰিছে। এনে সময়ত এতিয়া দায়িত্ব সেইসমূহ ৰাষ্ট্ৰৰ যিবোৰে অত্যাধিক কাৰ্বন নিৰ্গমন কৰি আছে।

**ভূপেন্দ্ৰ যাদৱ,**
কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী।

**প্ৰঃ উঃ**

**কোপ-২৬ত ভাৰতে নিজৰ মতামত শক্তিশালীভাৱে উপস্থাপন কৰিছে আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পঞ্চামৃতৰ সংকল্প বিশ্বক অৱগত কৰিছে। এগৰাকী মন্ত্ৰী হিচাপে এই সংকল্পক কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত আপোনাৰ ৰণনীতি কি?**

প্ৰধানমন্ত্ৰীৰ পঞ্চামৃতৰ অৰ্থ হৈছে যে পৰিৱেশ সুৰক্ষাৰ দিশত অনাগত দিনত ভাৰতৰ লক্ষ্য কি আছে। এই লক্ষ্যবোৰ পূৰণ কৰাৰ বাবে কাম কৰা আমি আৰম্ভ কৰি দিছোঁ। এই ক্ষেত্ৰত সকলো বিভাগ আৰু মন্ত্ৰালয়ে কাম কৰি আছে। আগন্তুক দিনত পাৰ্থক্য আপুনি নিজেই অনুভৱ কৰিব পাৰিব।

প্ৰঃ উঃ

**মানৱতা ৰক্ষাৰ বাবে বিশ্বই চিন্তাচৰ্চা আৰম্ভ কৰিছে। কিন্তু উন্নত ৰাষ্ট্ৰবোৰৰ মনোভাৱ এইক্ষেত্ৰত ধনাত্মক দেখা নাযায়। এই কথাটো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও নিজৰ ভাষণ প্ৰসংগত উল্লেখ কৰিছে। উন্নত দেশবোৰে উন্নয়নশীল আৰু কম উন্নত ৰাষ্ট্ৰৰ সৈতে সহযোগিতা কিয় আগবঢ়োৱা নাই?**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই বিষয়টো নিজৰ ভাষণ প্ৰসংগত গম্ভীৰভাৱে আলোচনা কৰিছে। ইয়াৰ ফলত উন্নত ৰাষ্ট্ৰবোৰে সন্মিলিতভাৱে কথাটোত দুখ প্ৰকাশ কৰিছে। ইয়াৰ পূৰ্বে জনবায়ু অৰ্থনীতি/পুঁজিৰ বিষয়টোৱে গুৰুত্ব পোৱা নাছিল। কিন্তু এতিয়া কোপ-২৬ৰ পাছত বিষয়টোৱে গুৰুত্ব লাভ কৰিছে আৰু এই সম্পৰ্কত সমিতি গঠন কৰাৰ চিন্তা কৰা হৈছে। অনুকূলতাৰ (Adaption) ওপৰতো দস্তাৱেজ তৈয়াৰ কৰাৰ বাবে চিন্তাচৰ্চা কৰা হৈছে। কাৰ্বন মাৰ্কেটক লৈ দীঘলীয়া বিতৰ্ক আছিল কিয়নো কিয়টো প্ৰট'কলৰ পাছত তৈয়াৰ হোৱা কিছুমান কাৰ্বন কোম্পানীৰ ক্ৰেডিট পেৰিছ চুক্তিৰ পাছত নতুনকৈ আৰম্ভ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। ইয়াৰ লগতে পুৰণি কাৰ্বন ক্ৰেডিটক কিদৰে নতুন সৈতে সামঞ্জস্য কৰা যাব তাক লৈও সমাধান সূত্ৰ নিৰ্ধাৰণ কৰা হৈছে। এই সকলোবোৰ ভাৰতৰ উচিত হস্তক্ষেপৰ বাবে সম্ভৱ হৈ উঠিছে।

উত্তৰঃ গ্লাছগোত কেৱল চিন্তাচৰ্চা আৰু লক্ষ্যবোৰকলৈ আলোচনা হোৱাৰ লগতে কাৰ্যকৰী ব্যৱস্থাৰ ওপৰতো চৰ্চা হৈছে। প্ৰকৃতিৰ সৈতে ভাৰতৰ সংস্কৃতি সদায় জড়িত হৈ আহিছে। এই কথাটো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰথম দিনটোৰ পৰা এই বিষয়টো বিশ্বৰ সন্মুখত উপস্থাপন কৰিছে আৰু সকলোকে ব্যক্তিগত লাভালাভৰ সলনি বিশ্বৰ হিত সাধনৰ বাবে কাম কৰিবলৈ আহ্বান জনাইছে। ভাৰতে এই ক্ষেত্ৰত নিজেই আগবাঢ়ি ২০৭০ চনৰ ভিতৰত শূণ্য কাৰ্বন নিৰ্গমনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে, নবীকৰণ শক্তিৰ ক্ষেত্ৰত ভাৰতৰ ক্ষমতা ৪০ শতাংশৰ পৰা বৃদ্ধি কৰি ৫০ শতাংশ কৰাৰ ঘোষণা কৰিছে। বিকল্প ইন্ধনৰ পৰিমাণ ৫০০ গিগাৱাটলৈ নিয়াৰ পৰিকল্পনা হাতত লৈছে। সেউজ ইন্ধনৰ ব্যৱহাৰ কৰি ভাৰতে ২০৩০ বৰ্ষৰ ভিতৰত ১ বিলিয়ন টন কাৰ্বন নিৰ্গমন কম কৰাৰ লক্ষ্য লৈছে। ভাৰতে পঞ্চামৃতৰ সংকল্পৰ লগতে পেৰিছ জলবায়ু সন্মিলনত উন্নত দেশবোৰে কৰা ১০০ বিলিয়ন ডলাৰৰ সাহাৰ্যৰ কথা সোঁৱৰাই এই কথাও ব্যক্ত কৰে যে সেই প্ৰতিশ্ৰুতি এতিয়াও পালন কৰা হোৱা নাই। ভৱিষ্যতৰ কথা চিন্তা কৰি প্ৰধানমন্ত্ৰীয়ে এই পৰিমাণ এতিয়া ১ ট্ৰিলিয়ন ডলাৰলৈ (এক লাখ কোটি) বৃদ্ধি কৰাৰ কথা উল্লেখ কৰিছে।

এইখিনিতে আপোনালোকে এই কথাও মনত ৰখা দৰকাৰ যে পৰিৱেশ সুৰক্ষাৰ গুৰুত্বপূৰ্ণ পদক্ষেপবোৰৰ ভিতৰত ভাৰতে তিনিটা মহত্বপূৰ্ণ মঞ্চৰ আৰম্ভণি কৰিছে। প্ৰথম, গ্ৰেট-বৃটেইনৰ সৈতে স্থাপিত হোৱা চিডিআৰআই



(Coalition for Disaster Resilient Infrastructure), দ্বিতীয়, ফ্ৰান্সৰ সৈতে স্থাপন হোৱা আন্তঃৰাষ্ট্ৰীয় সৌৰ সংগঠন আৰু চুইডেনৰ সৈতে লীড আইটি (Leadership Group for Industry Transition)। প্ৰধানমন্ত্ৰী মোদীৰ প্ৰস্তাৱ ৱান চান, ৱান বৰ্ল্ড, ৱান গ্ৰীডক ইউকেৰ লগতে অষ্ট্ৰেলিয়া, আমেৰিকা যুক্তৰাষ্ট্ৰ আদিয়ে সমৰ্থন জনাইছে। চিডিআৰআইৰ মাধ্যমত ভাৰত আৰু ইংলেণ্ডে ক্ষুদ্ৰ দেশবোৰক ১০ বিলিয়ন ডলাৰৰ সাহাৰ্য দিয়া আৰম্ভ কৰিছে। আমি প্ৰযুক্তিগত দিশত সহায় আগবঢ়াই জলবায়ু পৰিৱৰ্তনৰ বতৰা ক্ষুদ্ৰ ৰাষ্ট্ৰবোৰক দিম।

**প্ৰশ্নঃ পৰিৱেশ সুৰক্ষাৰ দিশত বিগত কেইটামান বৰ্ষত ভাৰতে উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিছে- উজ্জ্বলা, উজালা আদি আঁচনিয়ে এই কথাৰ সমৰ্থন কৰিছে। অন্য আৰু কোনবোৰ পদক্ষেপ গ্ৰহণ কৰিছে?**

উত্তৰঃ পৰিৱেশ সুৰক্ষাৰ দিশত এয়া যথেষ্ট গুৰুত্বপূৰ্ণ যে আপুনি কোনবোৰ প্ৰয়াস আৰু মাধ্যম ব্যৱহাৰ কৰি কাম কৰিছে। ভাৰতে এই দিশত যথেষ্ট সতৰ্কতাৰে কাম কৰিছে আৰু পৰিৱেশ সুৰক্ষাৰ কথা চিন্তা কৰিছে। সেউজ ইন্ধনৰ ব্যৱহাৰ, কাৰ্বন নিৰ্গমন হ্ৰাস কৰা আদি বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে। পৰ্যায়ক্ৰমে দেশত ই-বাহনক ব্যৱহাৰ বৃদ্ধি কৰাটোও ইয়াৰ অংশস্বৰূপ। উজ্জ্বলা, উজালা আদি আঁচনিয়ে দেশবাসীক যথেষ্ট সহায় কৰিছে। নবীকৰণ ইন্ধন উৎপাদনৰ দিশত ভাৰতে যথেষ্ট কাম কৰিছে।

**প্ৰশ্নঃ কোপ-২৬ত কয়লাৰ ব্যৱহাৰ আৰু জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰৰ কথাটোৱে যথেষ্ট চৰ্চা লাভ কৰিছে। এই ক্ষেত্ৰত ভাৰতৰ চিন্তা কি?**

উত্তৰঃ ইউএনএফচিচিচিৰ নিৰ্দেশনা আছে যে কয়লা আৰু জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ হ্ৰাস কৰিব লাগে আৰু সেউজ শক্তিৰ ব্যৱহাৰ বৃদ্ধি কৰিব লাগে। ভৱিষ্যতৰ পৰিৱেশ সম্বন্ধীয় প্ৰত্যাহ্বানবোৰৰ প্ৰতি লক্ষ্য ৰাখি এয়া উচিত সিদ্ধান্ত বুলি ভাৰতে মতপোষণ কৰে। ইয়াৰ প্ৰতি লক্ষ্য ৰাখিয়েই আমি বিকল্প ইন্ধন আৰু নবীকৰণ শক্তিৰ ক্ষমতা বৃদ্ধি কৰিছোঁ। এয়া মন কৰা উচিত যে প্ৰতিখন দেশৰ নিজা আৱশ্যকতা থাকে কিন্তু পৰিৱেশ সুৰক্ষাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি দেশবোৰে বিকল্প ইন্ধনৰ লগতে নবীকৰণ শক্তিৰ ক্ষমতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে। আন্তঃৰাষ্ট্ৰীয় মঞ্চই সেয়েহে প্ৰতিখন দেশত কাৰ্বন নিৰ্গমন শূণ্য কৰাৰ বাবে আহ্বান

## ভাৰত আৰু ইংলেণ্ডে মিলি ক্ষুদ্ৰ দেশবোৰক ১০ বিলিয়ন ডলাৰৰ সাহাৰ্য দিয়াৰ আৰম্ভণি কৰিছে।

## ক্ষুদ্ৰ দেশবোৰক ভাৰতে ইছৰোৰ মাধ্যমত প্ৰযুক্তিগত সহায় আগবঢ়াব, যাতে জলবায়ু পৰিৱৰ্তন তথা প্ৰাকৃতিক দুৰ্যোগৰ আগজাননী দিব পৰা যায়।

জনাইছে। কিন্তু এই ক্ষেত্ৰত বিকশিত দেশবোৰে উন্নয়নশীল ৰাষ্ট্ৰক সহায় কৰাৰ আৱশ্যকতা আছে। উন্নত দেশবোৰে এই ক্ষেত্ৰত নিজৰ প্ৰতিশ্ৰুতি পালন কৰাত ব্যৰ্থ হৈছে। এই ক্ষেত্ৰত ভাৰতে উন্নয়নশীল ৰাষ্ট্ৰৰ নেতৃত্ব লৈ এই দিশত মাত মাতিছে। এই দিশত ভাৰতে কাম কৰি যাব।

**প্ৰশ্নঃ কোপ-২৬ত ভাৰত জলবায়ুপ ন্যায় আৰু জলবায়ু বিত্তক লৈ সৰৱ হৈ পৰা দেখা গৈছে। ইয়াৰ আঁৰৰ চিন্তাধাৰা কি?**

উত্তৰঃ চিন্তা কেৱল এটাই আৰু সেয়া হৈছে পৰিৱেশ সুৰক্ষা, কিন্তু এয়া কৰিবলৈ গৈ উন্নয়নশীল দেশবোৰ যাতে ক্ষতিগ্ৰস্ত নহওক তাৰ বাবে ভাৰতে নেতৃত্ব বহন কৰিছে। ভাৰতৰ এই কণ্ঠক প্ৰতিখন উন্নয়নশীল ৰাষ্ট্ৰই সমৰ্থন জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যিদৰে গ্লাছগোত ভাৰতৰ দৃষ্টিকোণ উপস্থাপন কৰিছে সেয়া উন্নয়নশীল ৰাষ্ট্ৰৰ লগতে উন্নত ৰাষ্ট্ৰবোৰেও সমৰ্থন জনাইছে।

**প্ৰশ্নঃ কোপ-২৬ত ভাৰতে যথেষ্ট ধনাত্মক ভূমিকা পালন কৰিছে। বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ প্ৰতিনিধি/পৰিৱেশ মন্ত্ৰীৰ সৈতে আপোনাৰ ব্যক্তিগত বৈঠক অনুষ্ঠিত হৈছে। ভাৰতৰ ধনাত্মক স্থিতি সন্দৰ্ভত বিশ্বৰ ধাৰণা কি?**

উত্তৰঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উপস্থাপন কৰা মতামতক সৈ সমগ্ৰ বিশ্ব যথেষ্ট উৎসাহী। সকলোৱে ভাৰতৰ প্ৰধানমন্ত্ৰীৰ কথা সমৰ্থন জনাইছে। সকলোৱে এই কথাটো স্বীকাৰ কৰিছে যে প্ৰধানমন্ত্ৰীয়ে উন্নয়নশীল ৰাষ্ট্ৰৰ বিষয়বোৰৰ উপস্থাপনৰ লগতে নেতৃত্ব লৈছে। ●

# জনজাতীয় লোকৰ উন্নয়নৰ বাবে দায়বদ্ধ কেন্দ্ৰ চৰকাৰ

হাবি-বননি, মৰুভূমি এলেকা বা পাহাৰ-পৰ্বতত বাস কৰি তেওঁলোকে দেশৰ স্বাধীনতাৰ বাবে কষ্ট কৰিছিল। দেশৰ প্ৰতিটো পদক্ষেপত তেওঁলোকৰ অৱদান অতুলনীয়। দেশৰ সমৃদ্ধিৰ বাবেও তেওঁলোকে অৰিহনা আগবঢ়াইছে। ইমান দিনে তেওঁলোকে তেওঁলোকৰ প্ৰাপ্য পোৱা নাছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত বিগত কেইটামান বছৰত কেন্দ্ৰ চৰকাৰে জনজাতীয় এলেকাৰ উন্নয়নত সৰ্বাধিক গুৰুত্ব দিছে, এতিয়া ঐতিহাসিক ক্ষণৰ সাক্ষী হিচাপে ভগৱান বীৰছা মুণ্ডাৰ ১৫ নৱেম্বৰৰ জয়ন্তীত প্ৰতিবছৰে জনজাতীয় গৌৰৱ দিৱস পালন কৰা হ'ব।



আত্মনিৰ্ভৰশীল ভাৰত সংকল্পৰ অৰ্থ হৈছে নিজৰ শিপাৰ সৈতে সংযুক্ত হৈ থকা আৰু এই শিপাক শক্তিশালী কৰা। এই সংকল্প সমাজৰ প্ৰতিটো বৰ্গৰ লোকৰ সহযোগিতাৰে সম্পূৰ্ণ হ'ব। এনে সন্ধিক্ষণত এতিয়া সময় সলনি হৈছে আৰু স্বাধীনতাৰ ইমান বছৰৰ পাছতো উন্নয়ন সম্ভৱ নোহোৱা জনজাতীয় লোকৰ উন্নয়নৰ বাবে কেন্দ্ৰ চৰকাৰে নিৰন্তৰ প্ৰয়াস কৰি গৈছে। সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক স্থায়িত্বৰ সুৰক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত বৰ্তমানৰ নেতৃত্বই আগ্ৰহ প্ৰকাশ কৰাৰ লগতে কাম কৰিছে। জনজাতীয় লোকক মুখ্য ধাৰাৰ সৈতে সংপৃক্ত কৰাৰ স্বাৰ্থত পদক্ষেপ গ্ৰহণ কৰা হৈছে। ইয়াৰ অংশস্বৰূপে ১৫ নৱেম্বৰ তাৰিখে প্ৰতিবছৰে এতিয়া জনজাতীয় গৌৰৱ দিৱসৰ ৰূপত পালন কৰা হ'ব। ১০ নৱেম্বৰ তাৰিখে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত হোৱা কেন্দ্ৰীয় মন্ত্ৰীমণ্ডলৰ বৈঠকত এই সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰা হয়। প্ৰথমটো জনজাতীয় দিৱসত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঝাৰখণ্ডৰ ৰাজধানী ৰাঁচীত ভগৱান বীৰছা মুণ্ডা স্মৃতি উদ্যান আৰু স্বাধীনতা সংগ্ৰামী সংগ্ৰহালয়ও উদ্বোধন কৰে। তেওঁ লগতে মধ্য প্ৰদেশৰ ভূপালত অনুষ্ঠিত এখন সমাৰোহতো অংশগ্ৰহণ কৰে। ভূপালত আয়োজিত কাৰ্যক্ৰমত তেওঁ ৫০খন একলব্য মডেল আবাসীয় বিদ্যালয় স্থাপনৰ বাবে আধাৰশিলা স্থাপন কৰে। এই স্কুলবোৰ অন্ধ্ৰপ্ৰদেশ, ছত্তীশগড়, ঝাৰখণ্ড, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, উড়িশ্যা, ত্ৰিপুৰা আৰু দাদৰ-নগৰ হাভেলীত স্থাপন কৰা

## স্বাধীনতা সংগ্ৰামত জনজাতীয় লোকৰ অৱদানৰ স্মৃতিত ১০ টা সংগ্ৰহালয়




## বাজেটত ৭৫ শতাংশৰ বৃদ্ধি

২০১৩-১৪ **৪,২৯৬** কোটি

২০২১-২২ **৭,৫২৫** কোটি

- লঘু বন উৎপাদন ক্ৰয়মূল্যত ৬২ গুণ বৃদ্ধি। এমএছপিৰ অধীনত অন্তৰ্ভুক্ত ক্ষুদ্ৰ বন উৎপাদনৰ সংখ্যাত ৭ গুণৰ বৃদ্ধি।
- ২৫খন ৰাজ্যত ৩৭,৫০০টা আত্মসহায়ক গোটৰ মাধ্যমত ২৫০০ বন ধন বিকাশ কেন্দ্ৰ স্থাপন কৰা হৈছে।

### অনুসূচিত জনজাতি উপাদান (এছটিচি)

- জনজাতি সম্প্ৰদায়ৰ কল্যাণৰ বাবে ৩.৫ গুণ বৃদ্ধি। জনজাতীয় কল্যাণৰ বাবে ২০১৩ত ২১২২৫ কোটি টকাৰ পুঁজি নিৰ্ধাৰণ কৰা হৈছিল, এতিয়া ২০২১ত এয়া বৃদ্ধি হৈ ৭৮২৫৬কোটি টকা কৰা হৈছে।

### বাঁহক গছৰ শ্ৰেণীৰ পৰা বহিঃভুক্ত কৰা হৈছে



- জনজাতীয় এলেকাৰ সবলীকৰণৰ বাবে বাঁহক গছৰ শ্ৰেণীৰ পৰা বহিঃভুক্ত কৰা হৈছে যাতে ১২৫টা প্ৰজাতিৰ বাঁহৰ ব্যৱহাৰ কৰিব পৰা যায়।
- ঘৰুৱা বা ব্যক্তিগত ভূমিত থকা বাঁহ কাটিবলৈ কোনো চৰকাৰী অনুমতিৰ প্ৰয়োজন নাই।

### জনজাতীয় স্বাস্থ্য দুৱাৰমুখলৈ স্বাস্থ্য সেৱা

জনজাতীয় এলেকাত স্বাস্থ্য সেৱাৰ বাবে সমৰ্পিত স্বাস্থ্য সেৱা আৰম্ভ কৰা হৈছে। সমগ্ৰ দেশত নতুন পদ্ধতিবোৰৰ আলোচনাৰ বাবে জ্ঞান পৰ্টেল আৰম্ভ কৰা হৈছে। স্বদেশী ঔষধৰ জ্ঞান আৰু জনজাতীয় চিকিৎসা পদ্ধতিৰ বাবে পতঞ্জলি, এইমছ আদিৰ সৈতে অংশীদাৰিত্ব কৰা হৈছে।

### সংস্কৃতি

ৰাষ্ট্ৰীয় জনজাতীয় অনুসন্ধান সংস্থা স্থাপন কৰা হৈছে যাতে জনজাতীয় পৰম্পৰা, সংস্কৃতিৰ সংৰক্ষণ সম্ভৱ হৈ উঠক।

### আকাংক্ষাৰ জিলা কাৰ্যক্ৰমৰ জৰিয়তে বিকাশ

- স্বাস্থ্য, কৃষি, শিক্ষা, বিত্ত, কৌশল বিকাশৰ সুবিধাৰ ক্ষেত্ৰত সংস্কাৰ অনা হৈছে। আকাংক্ষ জিলাবোৰৰ ৪২খন জিলাত যথেষ্ট সংখ্যক জনজাতীয় লোক বাস কৰে। এই কাৰণটোৰ বাবেই এই জিলাকেইখনত পৰিকল্পনাৰ কামবোৰ সূচাৰুৰূপে সমাধা কৰাৰ বাবে ২৫০ কোটিৰো অধিক ধনৰ আবন্টন কৰা হৈছে।

হ'ব। ভূপালত তেওঁ বিশ্বস্তৰৰ ৰেল প্লেটফৰ্ম উদ্বোধন কৰে। এই ৰেল ষ্টেচনৰ নাম ৰাণী কমলাপতিৰ নামত ৰখা হৈছে।

বিগত কেইটামান বছৰৰ পৰা কেন্দ্ৰ চৰকাৰে জনজাতীয় এলেকাৰ উন্নয়নত বিশেষ গুৰুত্ব দিয়া দেখা গৈছে। কেন্দ্ৰীয় বাজেটত জনজাতীয় বিকাশৰ বাবে ৭৫ শতাংশৰ পুঁজি নিৰ্ধাৰণ কৰা হৈছে। দেশজুৰি একলব্য বিদ্যালয়বোৰৰ মাধ্যমত প্ৰতিভাৰ বিকাশ হৈছে। বন ধন যোজনাৰ মাধ্যমত আদিবাসীসকলৰ জীৱন উন্নীত কৰাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে, ইয়াৰ লগতে জনজাতীয় শিক্ষাৰ্থীৰ বাবে জলপানিৰ ব্যৱস্থা কৰা হৈছে। বড়ো, ব্ৰু, কাৰ্বি আদি জনজাতীয় লোকসকল মুখ্য ধাৰাৰ সৈতে সংযুক্ত হৈছে। ইমানেই নহয়, এতিয়া মহানগৰৰ পৰা নহয়, জনজাতীয় লোকসকলেও পদ্ম বঁটাৰ বাবে নিজৰ নাম মনোনয়ন কৰা সুবিধা লাভ কৰিছে।

জনজাতীয় লোকসকল আত্মনিৰ্ভৰশীল ভাৰতৰ অংশীদাৰ হৈ পৰক আৰু তেওঁলোকৰ মৰ্যদা বৃদ্ধি হওক তাৰ প্ৰতি লক্ষ্য ৰাখি জনজাতীয় গৌৰৱ দিৱস পালন কৰাৰ ঐতিহাসিক পদক্ষেপ কেন্দ্ৰ চৰকাৰে হাতত লৈছে। ●

**প্ৰথম জনজাতীয় দিৱসত প্ৰধানমন্ত্ৰীয়ে দিয়া ভাষণ শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক।**

**দেশৰ প্ৰথম বিশ্বস্তৰৰ ৰেল প্লেটফৰ্মৰ শুভাৰম্ভণি অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে দিয়া ভাষণ শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক।**




কোভিডৰ বিৰুদ্ধে যুদ্ধ... এই ছবি বিহাৰৰ সীৱান জিলাৰ। ইয়াত ঘৰে ঘৰে গৈ টিকা দিয়াৰ অভিযানৰ অধীনত খেতিপথাৰত কাম কৰি থকা কৃষক আৰু পৰিয়ালবৰ্গক ভেকচিন দি থকাৰ অৱস্থাত স্বাস্থ্যকৰ্মী।

# পূৰ্ণ টিকাকৰণৰ সংকল্প...

**স্বাস্থ্যৰ প্ৰতি কিঞ্চিৎ অবহেলাই কিদৰে বিপদ মাতি আনিব পাৰে সেই সম্পৰ্কত সকলোৱে কোভিডৰ সময়ত অভিজ্ঞতা লাভ কৰিছে। ইয়াৰ পাছত দেশৰ স্বাস্থ্যখণ্ডত লৈ থকা পদক্ষেপবোৰৰ ফলত দেশত কোভিড পৰিস্থিতি যথেষ্ট উন্নত হৈছে আৰু প্ৰায় ১১৩ কোটি লোকক কোভিড ভেকচিনৰ এপালি প্ৰতিষেধক দিয়া হৈছে। কেন্দ্ৰ চৰকাৰে এই ক্ষেত্ৰত কোনো ধৰণৰ সুৰুঙা এৰিব বিচৰা নাই আৰু কোভিড টিকাকৰণৰ গতিৰ বিস্তাৰ সাধন কৰিছে। ভাৰতবৰ্ষত সকলোতকৈ বৃহৎ আৰু বিনামূলীয়া টিকাকৰণ অভিযান ১০০ শতাংশ সম্পূৰ্ণ কৰাৰ লক্ষ্যৰ দিশত আগবাঢ়িব ধৰিছে...**

বিহাৰৰ সিৱান জিলা। ইয়াত এতিয়া শস্য কটাৰ সময় আৰু এই খেতিপথাৰবোৰত এই কাৰ্য চলিব ধৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিটত খেতিপথাৰত কাম কৰি থকা মজদুৰসকল স্বাস্থ্যকৰ্মীৰ দ্বাৰা টিকা দি থকা হৈছে। কেৱল সিৱানেই নহয়, বিহাৰৰ চম্পাৰন. বৈনা আদি অনেক ঠাইত বৰ্তমান টিকাকৰণ অভিযান চলিব ধৰিছে। আৰু এই কাম স্বাস্থ্যকৰ্মীৰ দ্বাৰা গঠিত চলমান দলৰ (মোবাইল টীম) দ্বাৰা কৰা হৈছে। খেতিপথাৰৰ লগতে ৰেলগাড়ী, ৰাস্তা-ঘাট আৰু ঘৰবোৰত টিকাকৰণ অভিযান ক্ষীপ্ৰতাৰে চলিব ধৰিছে। "ঘৰ ঘৰ দস্তক" অভিযানৰ অধীনত ঘৰে ঘৰে স্বাস্থ্যকৰ্মী গৈ টিকাকৰণ দিয়া কাৰ্যৰ অধীনত

# কোভাক্সিনক বিশ্ব স্বাস্থ্য সংস্থাৰ অনুমতি

ভাৰতত প্ৰস্তুত হোৱা কৰ'না ভাইৰাছৰ ভেকচিন কোভাক্সিনক বিশ্ব স্বাস্থ্য সংস্থা আপাতকালীন ব্যৱহাৰৰ বাবে অনুমতি প্ৰদান কৰিছে। বিগত কেইটামান মাহত বিশ্ব স্বাস্থ্য সংস্থা আৰু কোভাক্সিন তৈয়াৰ কৰা কোম্পানী ভাৰত বায়'টেকৰ মাজত আলোচনা চলি আছিল। ৰাষ্ট্ৰ সংঘৰ এই সংগঠনটোৱে একাধিকবাৰ ভাৰতীয় কোম্পানীটোৰ পৰা ভেকচিন সম্বন্ধীয় বিস্তৃত তথ্য বিচাৰি আছিল যাতে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ব্যৱহাৰৰ ক্ষেত্ৰত অনুমতি প্ৰদান কৰিব পৰা যায়। বিশ্ব স্বাস্থ্য সংস্থাই কৰা টুইটত এই কথা ব্যক্ত কৰিছে যে জৰুৰীকালীন ব্যৱহাৰৰ বাবে থকা ঔষধৰ তালিকাত কোভাক্সিনক ৰখা হৈছে। ইয়াৰ ফলত কোভিড প্ৰতিৰোধৰ বাবে থকা ভেকচিনৰ তালিকাত কোভাক্সিনৰ নাম সন্নিৱিষ্ট হৈ পৰিছে। এই কথা সন্তোষ ব্যক্তি কৰি কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰীয়ে কয় যে, "বিশ্ব স্বাস্থ্য সংস্থাক ধন্যবাদ জনাইছোঁ। এয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সংকল্পৰ কাহিনী হয়। দেশবাসীৰ বিশ্বাসৰ কাহিনী হয়। এয়া আত্মনিৰ্ভৰ ভাৰতৰ দিৱালী হয়। কোভাক্সিনৰ জৰুৰীকালীন ব্যৱহাৰৰ অনুমতিৰ বাবে ডাব্লিউএইছঅ'ক ধন্যবাদ।"



## কোভাক্সিনৰ এই আন্তঃৰাষ্ট্ৰীয় অনুমতিয়ে কিদৰে সহায় কৰিব

- বিশ্ব স্বাস্থ্য সংস্থাৰ এই অনুমতিয়ে কোভাক্সিন লোৱা ব্যক্তিৰ বিভিন্ন দেশ যাত্ৰাৰ পথ মুকলি কৰিব।
- বিশ্ব স্বাস্থ্য সংস্থাই এতিয়ালৈ ৮টা ভেকচিনক জৰুৰীকালীন ব্যৱহাৰৰ অনুমতি দিছে। ইয়াৰ ভিতৰত দুটা ভাৰতীয় ভেকচিন।
- এই ভেকচিনৰ তৃতীয় পৰ্যায়ৰ পৰীক্ষাৰ ফলাফলে কয় যে এয়া ৮১ শতাংশ প্ৰভাৱশালী।
- এতিয়া কোভাক্সিনৰ ব্যৱহাৰ আৰু চাহিদা বৃদ্ধি পাব।
- বিশ্ব স্বাস্থ্য সংস্থাই অনুমতি দিয়া ভেকচিনৰ ব্যৱহাৰ সমগ্ৰ বিশ্বই কৰে।
- কোভাক্সিনৰ দুয়োটা পালি লোৱা ব্যক্তিয়ে এতিয়া গ্ৰেট-বৃটেইনকে ধৰি অন্য দেশ ভ্ৰমণ কৰিব পাৰিব।
- ভাৰতত ব্যৱহাৰ হৈ থকা ছীৰাম ইনষ্টিটিউডৰ কোভিশ্বিল্ডক বিঃস্বাঃসঃ পূৰ্বতে অনুমতি প্ৰদান কৰিছে।
- কোভাক্সিন ভেকচিন যথেষ্ট উপযোগী। এই ভেকচিন নিষ্ক্ৰিয় টিকা হয়। এই ভেকচিন মৃত কৰ'না ভাইৰাছৰ পৰা প্ৰস্তুত কৰা হৈছে।
- দেশৰ ২৪ বছৰৰ পুৰণি কোম্পানী ভাৰত বায়'টেকে সৰ্বমুঠ ১৬ টা বেমাৰৰ টিকা নিৰ্মাণ কৰে। আৰু এই টিকা বিশ্বৰ ১২৩ খন দেশক প্ৰেৰণ কৰা হয়। কোভাক্সিন ভেকচিনৰ দুয়োপালিৰ মাজত চাৰি সপ্তাহৰ ব্যৱধান আছে।

অলপতে কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰীয়েও নিজৰ গৃহ জিলাত উপস্থিত হৈ সকলোকে টিকা লোৱাৰ বাবে আহ্বান জনায়। যিসকল লোকে ভেকচিনৰ প্ৰথম পালি লোৱা নাই বা যিসকলে ভেকচিনৰ দ্বিতীয় পালি পোৱা নাই তেওঁলোকৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৩ৰ পৰা ৩০ নৱেম্বৰলৈ ঘৰে ঘৰে টোকৰ (ঘৰ ঘৰ দস্তক) মাৰি ভেকচিন দিয়াৰ বাবে এক অভিযানৰ আৰম্ভণি কৰিছে। এই অভিযানে সম্পূৰ্ণ টিকাকৰণ অভিযানক সহায় কৰিছে। সকলোৰে অংশীদাৰিত্বৰ সহায়ত ভেকটিন কাৰ্যসূচীক এশ শতাংশ সফল কৰাৰ বাবে তথা প্ৰতিজন ভাৰতীয় নাগৰিকক কোভিড মুক্ত কৰাৰ বাবে কেন্দ্ৰ চৰকাৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে।

# ভাৰত কোভিড-১৯ টিকাকৰণৰ প্ৰমাণপত্ৰ ১১০খন দেশত মান্য



২০ নৱেম্বৰৰ পৰা ভাৰতৰ লগতে ১১০খন দেশে কোভিড-১৯ মানপত্ৰক পাৰস্পৰিক মান্যতা দিয়াৰ বাবে স্বীকৃতি দিছে। ইয়াৰ লগতে ভাৰত চৰকাৰে বিশ্বৰ বাকী অংশৰ সৈতে সম্পৰ্কত আছে যাতে বিশ্বৰ সৰ্ববৃহৎ টিকাকৰণ অভিযানৰ হিতাধিকাৰীসকল লাভান্বিত হওক। কোভিড মানপত্ৰ (চাৰ্টিফিকেট) সকলোতে স্বীকৃতি লাভ কৰক তাৰ বাবে কেন্দ্ৰ চৰকাৰে প্ৰচেষ্ট হাতত লৈ আহিছিল কিয়নো শিক্ষা, ব্যাপাৰ-বাণিজ্য, পৰ্যটন আদি বিভিন্ন কাৰকৰ বাবে বিদেশ যাত্ৰাৰ প্ৰয়োজন হয়। এতিয়া কোভিড ভেকচিনৰ চাৰ্টিফিকেটে মান্যতা পোৱাৰ ফলত সকলোৰে সহায়ক হ'ব। স্বাস্থ্য মন্ত্ৰণালয়ৰ শেহতীয়া নীতি নিৰ্দেশনা পঢ়িবলৈ এই লিংকলৈ যাব পাৰেঃ **https://www.mohfw.gov.in/pdf/**। সম্পূৰ্ণ টিকাকৰণ হোৱা যিসকল যাত্ৰীয়ে বিদেশ ভ্ৰমণ কৰিব বিচাৰে তেওঁলোকে কো-উইন এপ্-ৰ পৰা চাৰ্টিফিকেট ডাউনলোড কৰি ল'ব পাৰে। ১১০খনৰ ভিতৰত কানাডা, আমেৰিকা যুক্তৰাষ্ট্ৰ, বৃটেইন, ফ্ৰান্স, জাৰ্মানী, বেলজিয়াম, আয়াৰলেণ্ড, স্পেইন, ফিনলেণ্ড, বাংলাদেশ, ৰাছিয়া আদি দেশবোৰ আছে।

**ঘৰ ঘৰ দস্তক অভিযানঃ এতিয়া ঘৰে ঘৰে গৈ টিকা লগোৱা হৈছে**

দেশৰ যিকেইখন ৰাজ্যৰ অন্তৰ্গত জিলাবোৰত টিকাকৰণৰ হাৰ কম সেই জিলাকেইখনৰ উপায়ুক্তৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বৈঠক অনুষ্ঠিত কৰে। এই সমীক্ষা বৈঠক ঝাৰখণ্ড, নাগালেণ্ড. মণিপুৰ, অৰুণাচল প্ৰদেশ, মহাৰাষ্ট্ৰ, মেঘালয় আৰু অন্য কেতবোৰ ৰাজ্যৰ অন্তৰ্গত টিকাকৰণৰ হাৰ ৪০ শতাংশতকৈ কম হোৱা এনে প্ৰায় ৪০খন জিলাৰ জিলাধিপতিৰ সৈতে বৈঠক অনুষ্ঠিত কৰি এই কথাটো প্ৰধানমন্ত্ৰীয়ে সুনিশ্চিত কৰিছে এই বৰ্ষৰ শেষ হোৱালৈ টিকাকৰণ অভিযানক অধিক বিস্তাৰিত কৰা যাওঁক যাতে আত্মবিশ্বাস-প্ৰত্যয়ৰ সহায়ত নতুন বছৰত প্ৰৱেশ কৰিব পৰা যায়। কেৱল ইমানেই নহয়, কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বানক অধিক গতি প্ৰধান কৰাৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত প্ৰদেশৰ স্বাস্থ্যমন্ত্ৰীসকলৰ সৈতে ১১ নৱেম্বৰত বৈঠকত মিলিত হয়। এই বৈঠকত টিকাকৰণ অভিযানক অধিক শক্তিশালী কৰাৰ বাবে মহত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিশেষত উৰা বাতৰিত ভোল গৈ ভেকচিন নোলোৱা, দুৰ্গম এলেকা, প্ৰাকৃতিক দুৰ্যোগ আদি কাৰণবোৰৰ বাবে ভেকচিন প্ৰক্ৰিয়াৰ গতি কেইখনমান জিলাত ৰাষ্ট্ৰীয় পৰ্যায়তকৈ লেহেমীয়া হোৱা দেখা গৈছে। এই হাৰ বৃদ্ধি কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সুক্ষ্ম




- ভাৰতত এতিয়া কোভিডৰ পৰা সুস্থ হোৱা লোকৰ হাৰ ৯৮.২৭ শতাংশ হৈছে। ভাৰতৰ সক্ৰিয় কোভিড সংখ্যা ১,৩০,৭৯৩ হয়, এয়া ৫২৫দিনৰ ভিতৰত নূন্যতম হৈছে।
- সাপ্তাহিক ধনাত্মক গড় ০.৯৭ হয় আৰু এয়া ক্ৰমাগতভাৱে হ্ৰাস পাইছে।
- সক্ৰিয় ৰোগী এতিয়া দেশৰ সৰ্বমুঠ পজিটিভৰ ০.৩৮ শতাংশ, এয়া মাৰ্চ ২০২০পৰা এতিয়া সৰ্বনিম্ন।
- ভাৰতত এতিয়ালৈ ৬২.৫৭ কোটিৰো (৬২,৫৭,৭৪,১৫৯ পৰীক্ষা কৰা হৈছে।

**এই পৰিসংখ্যা ১৬ নৱেম্বৰলৈ।**



“১০০ বছৰৰ ভিতৰত অহা এই সৰ্ববৃহৎ মহামাৰীৰ সময়ত দেশে অনেক প্ৰত্যাহ্বানৰ সম্মুখীন হৈছিল। কৰ’নাৰ সৈতে দেশৰ যুঁজখনত এটা বিশেষ কথা এয়াও যে আমি নতুন নতুন সমাধান সূত্ৰ উদ্ভাৱন কৰিছোঁ, উদ্ভাৱনৰ পন্থা আৱিস্কাৰ কৰিছোঁ। সকলোকে ভেকচিন, বিনামূলীয়া ভেকচিন অভিযানৰ সময়ত আমি প্ৰায় আঢ়ৈ কোটি ভেকচিন এদিনতে দি আমাৰ সামৰ্থ, সম্ভাৱনা ব্যক্ত কৰিছোঁ।”

**নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী**

ৰণনীতি তৈয়াৰ কৰি, সমিতি গঠন কৰি টিকাকৰণ কাৰ্যসূচীত ক্ষীপ্ৰ গতি প্ৰদান কৰা হৈছে। টিকাকৰণক সফল কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সেয়েহে ৰাজ্যবোৰক ধৰ্মীয় গুৰুৰ সহায় লোৱাৰ পৰামৰ্শ দিছে। দেশত ২০২১চনৰ ১৬ জানুৱাৰীৰ পৰা আৰম্ভ হোৱা টিকাকৰণ অভিযানে এতিয়া দেশৰ সকলো নাগৰিকক সম্পূৰ্ণ টিকাকৰণ কৰি দেশক কোভিডৰ পৰা সুৰক্ষিত কৰাৰ প্ৰতিশ্ৰুতি দিছে।

**বিশ্বৰ বাবে ৫০০ কোটি ভেকচিন তৈয়াৰ কৰাৰ বাবে প্ৰস্তুতি**

বিশ্বৰ শক্তিশালী অৰ্থব্যৱস্থাৰ ২০খন দেশৰ সন্মিনয় জি-২০ত প্ৰধানমন্ত্ৰীয়ে এয়া আশ্বাস দিছে যে ভাৰতে আগন্তুক বৰ্ষৰ ভিতৰত ৫০০ কোটি ভেকচিনৰ পালি প্ৰস্তুত কৰাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে আৰু ইয়াৰে এক বৃহৎ অংশ অন্য ৰাষ্ট্ৰলৈও প্ৰেৰণ কৰা হ’ব। প্ৰকৃতাৰ্থত ভাৰত হৈছে এনে এখন ৰাষ্ট্ৰ যিখনে কোভিড পৰিস্থিতিৰ সময়ত আগবাঢ়ি আহি অন্য দেশৰ সৈতে সহযোগিতা আগবঢ়াই আগন্তুক প্ৰত্যাহ্বানবোৰৰ সৈতে মোকাবিলা কৰাৰ বাবে সাজু হৈছিল। ইয়াৰ বাবেই দেশে ডেৰশখন দেশৰো অধিক দেশক ঔষধৰ লগতে ভেকচিনৰ যোগান ধৰিছিল। জি-২০ৰ বৈঠকত প্ৰধানমন্ত্ৰীয়ে ‘ৱান আৰ্থ, ৱান হেল্‌থৰ’ দৃষ্টিভংগী ৰাখিছিল আৰু জি-২০ নেতৃত্বই সেই প্ৰসংগক প্ৰশংসা কৰিছিল। ●

# দিব্যাংগজনৰ বাবে সুগম্য ভাৰতৰ নিৰ্মাণ



**যিসময়ত ভাৰত আত্মনিৰ্ভৰশীলতাৰ পথত আগবাঢ়িছে তেনে সময়ত দিব্যাংগজনো কিয় আত্মনিৰ্ভৰশীল নহ'ব এই চিন্তাৰ আলমত চলিয়েই বিগত ৭ বছৰত সুগম্য ভাৰতৰ অধীনত এনেকুৱা বিজ্ঞানভিত্তিক সামাজিক পৰিৱেশ তৈয়াৰ কৰা হৈছে যাৰ জৰিয়তে এতিয়া সকলোধৰণৰ শাৰিৰীক অক্ষমতাক পাছ পেলাই দিব্যাংগসকল আগবাঢ়ি গৈছে**

"পূৰ্বতে বিকলাংগ শব্দটো শুনি লাজ লাগিছিল কিন্তু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিব্যাংগ শব্দৰ ব্যৱহাৰ আৰম্ভ কৰে। এতিয়া অসক্ষমতাৰ ভাৱ নাহে। এনেকুৱা লাগে যে আমাৰ লগত দিব্য অংগ আছে। এতিয়া যি ঠাইতে নাযাওঁক কিয় সকলোতে দিব্যাংগসকলক সন্মানৰ দৃষ্টিৰে চোৱা হয়।"

বাৰাণসীৰ দিব্যাংগ অৰুণ ৰায়ে ২১ অক্টোবৰ তাৰিখে দিল্লীৰ ৰাম মনোহৰ লোহিয়া চিকিৎসালয়ত দেশৰ টিকাকৰণ অভিযানৰ অংশস্বৰূপে ১০০ কোটি সংখ্যক কোভিড টিকাৰ পালি গ্ৰহণ কৰাৰ পাছত প্ৰধানমন্ত্ৰীক উদ্দেশ্য কৰি উক্ত বাক্যকেইশাৰী কয়।

সমাজৰ মানসিক ধাৰণা এনেকৈয়ে সলনি হোৱা নাছিল। ইয়াৰ বাবে প্ৰয়োজন হৈছিল এটা চিন্তাৰ আৰু লগতে এটা পথৰ যাৰ জৰিয়তে সমাজৰ মানসিক চিন্তাধাৰাক বৈজ্ঞানিক দিশত আগবঢ়াই নি নতুন সমাজ গঢ় দিয়াৰ বাবে পথ সূচল হয়। এই নতুন সমাজত শাৰীৰিক অক্ষমতাই কোনো বাধাৰ সৃষ্টি কৰিব নোৱাৰে, ইয়াত সকলোৰে সমান অধিকাৰ-সমান সুবিধা লাভ কৰিব। ইয়াৰ আৰম্ভণি হৈছিল ২০১৫ চনৰ ডিচেম্বৰ মাহত, সেইসময়ত প্ৰধানমন্ত্ৰীয়ে দেশবাসীক আহ্বান জনায় কৈছিল, "মোৰ মনলৈ এটা চিন্তাধাৰা আহিছে, আমি দেশৰ বিকলাংগ সকলক এইবুলি সম্বোধন কৰাৰ সলনি দিব্যাংগ বুলি সম্বোধন কৰা উচিত। এওঁলোকৰ হাতত এনে এক বা একাধিক অংগ আছে যিবিলাকত দিব্যগুণ আছে। দিব্যতাৰ সঞ্চাৰ হয়। এয়া আমাৰ দৰে সাধাৰণ শৰীৰবোৰত নাই। মোৰ দেশবাসী, আমি আমাৰ অভ্যাস সলনি কৰি বিকলাংগ শব্দৰ সলনি দিব্যাংগ শব্দ ব্য়ৱহাৰ কৰিব পাৰোঁ। আশা কৰোঁ, আপোনালোকে এই কথাটো আগবঢ়াই নিব।" ইয়াৰ লগে লগে দেশত সুগম্য ভাৰত অভিযানৰ আৰম্ভ হয়। সমাজৰ পৰম্পৰাগত চিন্তাক সলনি কৰাৰ এই আৰম্ভণিয়ে হুইল চেয়াৰত বহি দীৰ্ঘদূৰত্ব অতিক্ৰম কৰি বিশ্বৰেকৰ্ড স্থাপন কৰা ৰবাৰ্ট এম হেন্সেলৰ কথাক সঁচা প্ৰতিপন্ন কৰিছে, তেওঁ কৈছিল, "মই বিকলাংগ হয়, এই কথাটো সঁচা।



# সুগমতা হৈ পৰিছে অধিকাৰ

স্বাধীনতাৰ ইমান বছৰৰ পাছতো সমাজৰ বিভিন্ন দিশত পাছপৰি থকা দিব্যাংগসকল এতিয়া সকলো দিশত আগবাঢ়িছে। খেল জগতৰ পৰা উদ্যোগ খণ্ডলৈ সকলোতে দিব্যাংগজনে সফলতা লাভ কৰিছে। ইয়াৰ বাবে সুগম্য ভাৰত অভিযান ধন্যবাদৰ যোগ্য। দিব্যাংগজনৰ বাবে সহজ-সৰল পৰিৱেশ সৃষ্টিৰ বাবে ২০১৫ চনৰ ৩ ডিচেম্বৰ তাৰিখৰ পৰা আনুস্থানিকভাৱে এই অভিযান আৰম্ভ কৰা হয়। এই অভিযানৰ বিশেষত্ব হৈছে...

## নিৰ্মাণ ভাৰত সুগম্যতা

**লক্ষ্য** কেন্দ্ৰ/ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ সাৰ্বজনীন স্থান, ভৱন, চিকিৎসালয় আদি দিব্যাংগজনৰ বাবে সুগম কৰি তোলা।

### প্ৰগতি

**১৫২৪** ভৱনক সূচল(সুগম্য) কৰা হৈছে। এইবোৰত ৰেম্প, লিফ্ট, পাৰ্কিং, শৌচালয় আদি সুবিধা দিয়া হৈছে।




- ইয়াৰ ভিতৰত ১০৩০ টা কেন্দ্ৰৰ আৰু ৪৯৪টা কেন্দ্ৰীয় শাসিত অঞ্চল আৰু ৰাজ্য চৰকাৰৰ ভৱন আছে।

## পৰিবহন প্ৰণালীৰ সুগমতা

**লক্ষ্য** দেশৰ ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় বিমান চলাচলৰ বন্দৰবোৰক দিব্যাংগজনৰ বাবে সুবিধাজনক কৰি তোলা হৈছে। সকলো এ-১, এ আৰু বি শ্ৰেণীৰ ৰেল ষ্টেচনৰ লগতে অন্যান্য ৰেল ষ্টেচনবোৰৰ ৫০ শতাংশ সম্পূৰ্ণভাৱে দিব্যাংগৰ সুবিধাজনক কৰি তোলা হৈছে।

### প্ৰগতি

- ৩৫ টা আন্তঃৰাষ্ট্ৰীয় আৰু ৬৯ ঘৰুৱা বিমান বন্দৰৰ ভিতৰত ৫৫টা বিমান বন্দৰ সুগম্যতাৰ উপাদান সংযুক্ত কৰা হৈছে।
- ১৩৯১ ৰেল ষ্টেচনত সুগম্যতাৰ সুবিধা প্ৰদান কৰা হৈছে। ইয়াৰ ভিতৰত ৬০৩টা ৰেল ষ্টেচনক সুগম্য অন্তৰ-প্লেটফৰ্ম স্থানান্তৰন আৰু প্লেটফৰ্মৰ কাষত চিহ্ন লগোৱা হৈছে।
- সাৰ্বজনীন পৰিবহনৰ ক্ষেত্ৰত ৬২ টা ৰাজ্য পৰিবহন অধিগ্ৰহণৰ ১,৪৭,৩৬৮ বাছৰ ভিতৰত ৪২০০০ৰো অধিক বাছক আংশিকভাৱে আৰু ১০,০০০ৰো অধিক বাছক দিব্যাংগজনৰ বাবে সম্পূৰ্ণভাৱে সুগম কৰি তোলা হৈছে।
- ৰাজহুৱা পৰিবহন ব্যৱস্থাত এতিয়া হুইল চেয়াৰৰ সহায়ত সহজতে উঠা-নমা কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।
- একেদৰে ৰাজহুৱা পৰিবহন ব্যৱস্থাত দিব্যাংগৰ সুবিধাৰ বাবে অডিঅ' আৰু ভিডিঅ' ঘোষণা প্ৰণালীৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

কিন্তু ইয়াৰ অৰ্থ মাত্ৰ এয়াই যে মই আগবাঢ়ি যোৱাৰ বাবে আপোনালোকতকৈ অন্য পথ গ্ৰহণ কৰিব লাগিব।"

সুগম্য ভাৰত অভিযানৰ উদ্দেশ্য হৈছে চৰকাৰী ভৱন, পথ-পৰিবহন, ৰেল ষ্টেচন, বিমান বন্দৰ, চৰকাৰী ৱেবচাইট আদিবোৰক দিব্যাংগজনৰ সুবিধাজনক কৰি তুলি সকলো সুবিধাৰে উন্নত কৰা। যাতে দিব্যাংগজনৰ বাবে শাৰীৰিক অক্ষমতাই তেওঁলোকৰ ক্ষমতা হৈ পৰক। এই ক্ষেত্ৰত আইনী সুবিধা প্ৰদান কৰাৰ বাবে কেন্দ্ৰ চৰকাৰে

# প্ৰচাৰ, প্ৰসাৰ আৰু সঞ্চাৰৰ ক্ষেত্ৰত সুগমতা

**লক্ষ্য** কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা পৰিচালিত ৱেবচাইটবোৰৰ প্ৰায় ৫০ শতাংশ দিব্যাংগজনৰ বাবে সুগম কৰা হৈছে।




## প্ৰগতি

- ৰাজ্য/কেন্দ্ৰ শাসিত প্ৰদেশৰ ৫৮৮টা ৱেবচাইটত অন্য সুবিধাবোৰৰ লগতে স্ক্ৰীণ ৰীডাৰ, কালাৰ কনট্ৰাস্ট, ট্ৰান্সলেশ্বন (অনুবাদ) আৰু ফন্ট চাইজ কন্ট্ৰোলৰ (আখৰ সৰু-ডাঙৰ কৰা) বাবে সুগম কৰা হৈছে।
- কেন্দ্ৰ চৰকাৰৰ এশৰোঁ অধিক ৱেবচাইটক পূৰ্বতে দিব্যাংগজনৰ বাবে সুগম কৰা হৈছে।
- ভাৰতীয় সাংকেতিক ভাষা অনুসন্ধান আৰু প্ৰশিক্ষণ কেন্দ্ৰৰ দ্বাৰা বিভিন্ন পাঠ্যক্ৰমৰ বাবে প্ৰায় ১৫০০ সাংকেতিক ভাষা দোভাষীক প্ৰশিক্ষিত কৰা হৈছে।
- পৰ্যায়ক্ৰমে টিভিৰ মাধ্যমত সুগম্য সামগ্ৰীক উৎসাহিত কৰা হৈছে। টিভিত সুগম্য নিউজ বুলেটিন আৰু মনোৰঞ্জনধৰ্মী অনুষ্ঠানত ছাবটাইটলৰ ব্যৱস্থা কৰা হৈছে।

# দিব্যাংগজনৰ সবলীকৰণৰ বাবে বিভিন্ন পদক্ষেপ

- দিব্যাংগজনৰ নিযুক্তিৰ বাবে বিশেষ অভিযানৰ অধীনত সংৰক্ষণৰ শতাংশ ৩ৰ পৰা বৃদ্ধি কৰি ৪ কৰা হৈছে। উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানত এয়া এতিয়া ৩ শতাংশৰ সলনি ৫ শতাংশ হয়।
- ৬ বছৰৰ পৰা ১৮ বছৰৰ বয়সৰ শিক্ষাৰ্থীৰ বাবে বিনামূলীয়া শিক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰিছে আৰু চৰকাৰী বিদ্যালয় তথা চৰকাৰী সাহাৰ্যপ্ৰাপ্ত বিদ্যালয়বোৰত ৰেম্প, হেণ্ডৰেল আৰু সুবিধাজনক শৌচালয়ৰ মাধ্যমত দিব্যাংগ শিশুৰ বাবে বিশেষ ব্যৱস্থা।
- প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ তথা বিএড পাঠ্যক্ৰমত সুগম্যতাক এটা বিষয় হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে।
- ভাৰতীয় সাংকেতিক ভাষা গৱেষণা আৰু প্ৰশিক্ষণ কেন্দ্ৰই চিকিৎসা সম্বন্ধীয়, প্ৰশাসনিক শব্দ, কৃষিখণ্ডৰ শব্দ, আইনী শব্দ সন্মিলিত কৰি প্ৰায় ১০ হাজাৰ শব্দৰ সৈতে প্ৰথমবাৰৰ বাবে সাংকেতিক ভাষাৰ শব্দকোষ তৈয়াৰ কৰা হৈছে।
- আনহাতে দিব্যাংগলোকক অধিক কৌশলী কৰি তোলাৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সুগম্য পুস্তকালয়ৰ ৰূপত অনলাইনত পুথিভঁৰালৰ উন্নীতকৰণ কৰা হৈছে। যিঠাইত অনলাইনৰ ব্যৱস্থা নাই তেনেবোৰ ঠাইত ডাকযোগে পুথি প্ৰেৰণৰ ব্যৱস্থা কৰা হৈছে।
- দিব্যাংগজনৰ সুবিধাৰ বাবে ১০টা ভাষাত সুগম্য ভাৰত এপ্ আৰম্ভ কৰা হৈছে। এই প্ৰযুক্তিগত ব্যৱস্থাত দিব্যাংগজনৰ লগতে বয়োজ্যেষ্ঠ লোকৰ সমস্যা সমাধানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।


দিব্যাংগজন অধিকাৰ অধিনিয়ম, ২০১৬ প্ৰণয়ন কৰে। ইয়াৰ অধীনত দিব্যাংগসকলৰ বাবে সুগম্যতা অধিকাৰ হৈ পৰিছে।

সমগ্ৰ বিশ্বত পৰিচয় লাভ কৰা পৰ্যটনস্থলী গুজৰাট কেৱাড়িয়াস্থিত বল্লভভাই পেটেলৰ স্মাৰক স্থান সম্পূৰ্ণৰূপে সুগম্য হয়। এই পৰ্যটনস্থলীলৈ অহা দিব্যাংগজনৰ বাবে সুগম্য লিফ্ট, ই-কাৰ্ট, শৌচালয়, খোৱা পানীৰ ব্যৱস্থা কৰা হৈছে। এয়া বৰ্তমানৰ কেন্দ্ৰ চৰকাৰৰ সদিচ্ছা যে দিব্যাংগজনৰ বাবে এনে সুবিধাৰ ব্যৱস্থা গ্ৰহণ কৰি উদাহৰণ দাঙি ধৰিছে যি ইমানদিনে হোৱা নাছিল। নতুন ভাৰতত সুগম্য ভাৰতৰ জৰিয়তে চৰকাৰে দিব্যাংগজনৰ বাবে দৃষ্টিভংগী সলনি কৰিছে, এতিয়া এই দৃষ্টিভংগী জনতাই আঁকোৱালী লোৱাটো সময়ৰ আহ্বান। ●

## কেবিনেট সিদ্ধান্ত

# কুঁহিয়াৰ, মৰাপাট খেতিয়কৰ বাবে সকাহৰ লগতে ৰাষ্ট্ৰৰ উন্নয়নৰ বাবে কেন্দ্ৰৰ নতুন পদক্ষেপ

দীৰ্ঘ সময়ৰ বাবে অবহেলিত হৈ পৰি ৰোৱা জনজাতীয় গৌৰৱক সন্মান দিয়াৰ প্ৰক্ৰিয়া ২০১৪ চনৰ পৰা চলি অহা অভিযানৰ অংশস্বৰূপে ভগৱান বীৰছা মুণ্ডাৰ ১৫ নৱেম্বৰৰ জয়ন্তীক প্ৰতিবছৰে জনজাতীয় গৌৰৱ দিৱস হিচাপে পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়াৰ লগতে কেন্দ্ৰীয় মন্ত্ৰীমণ্ডলে কুঁহিয়াৰ খেতিয়কক বৃহৎ সকাহ দিয়াৰ লগতে মৰাপাট খেতিয়কৰ জীৱন উন্নত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে কোভিড কালৰ বাবে স্তব্ধ হৈ থকা সাংসদ পুঁজিক বাহাল ৰাখি আত্মনিৰ্ভৰ ভাৰতৰ অভিযানক তীব্ৰ কৰি তোলা হৈছে...





**সিদ্ধান্তঃ কেবিনেটে সাংসদ স্থানীয় ক্ষেত্ৰ বিকাশ যোজনা (এমপিএলএডিএচ) পুনৰাই আৰম্ভ কৰা তথা পঞ্চদশ বিত্ত আয়োগৰ কাৰ্যকালৰ সমান্তৰালকৈ বিত্তীয় বৰ্ষ ২০২৫-২৬লৈ এয়া কাৰ্যকৰী কৰাৰ বাবে মঞ্জুৰি দিছে।**

**প্ৰভাৱঃ** কোভিডৰ সময়ত কেন্দ্ৰ চৰকাৰে ২০২০বৰ্ষৰ ৬ এপ্ৰিল তাৰিখে সাংসদ পুঁজি স্থগিত ৰাখিছিল যাতে কোভিডৰ বিৰুদ্ধে যুদ্ধখন সমগ্ৰ শক্তিৰে যুঁজিব পৰা যায়।

- এতিয়া দেশ পুনৰাই অৰ্থনৈতিক দিশত ঠন ধৰি উঠিছে, এনে প্ৰেক্ষাপটত সাংসদ পুঁজিৰ দৰে বিকাশশীল সমাজৰ বাবে প্ৰয়োজনীয় পুঁজি পুনৰাই আৰম্ভ কৰা হৈছে যাতে সামাজিক উন্নয়নমূলক কামকাজবোৰ চলিব পাৰে।
- আত্মনিৰ্ভৰশীল ভাৰত অভিযানৰ উদ্দেশ্য সম্পূৰ্ণ কৰি তুলিবলৈ সাংসদ পুঁজি বাহাল ৰখাটো প্ৰয়োজনীয়। ইয়াৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় কেবিনেটে সাসংদ স্থানীয় ক্ষেত্ৰ উন্নয়ন আঁচনি পুনৰাই আৰম্ভ কৰা হৈছে।

**সিদ্ধান্তঃ "ইজ অৱ ডুয়িং বিজনেছ"ৰ আধাৰত ব্যৱসায়িক সুগমতা বৃদ্ধিৰ বাবে প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত বহা অৰ্থনৈতিক ব্যৱস্থাপনাৰ কেবিনেট কমিটিয়ে "চেনীৰ বতৰ ২০২০-২১ৰ" বাবে বিভিন্ন কুঁহিয়াৰ পৰা প্ৰাপ্ত কেঁচা সামগ্ৰীৰ পৰা উৎপাদিত উচ্চ ইথানলৰ মূল্যত মঞ্জুৰি।**

**প্ৰভাৱঃ** ইথানল যোগান ধৰোঁতাৰ মূল্যৰ স্থিৰতা আৰু লাভজনক মূল্যৰ নিৰ্ধাৰণ। চি হেভী (ভৰযুক্ত) ম'লেইছ্-ইয্-ৰ (চেনি তৈয়াৰ কৰোঁতে ওলোৱা গেদেৰি) পৰা তৈয়াৰী ইথানলৰ মূল্য ৪৫.৬৯ টকাৰ পৰা ৪৬.৬৬ টকালৈ বৃদ্ধি কৰা হৈছে।

- বি হেভী ম'লেইছ্-ইয্-ৰ পৰা তৈয়াৰী ইথানলৰ মূল্য ৫৭.৬১ টকাৰ পৰা বৃদ্ধি কৰি ৫৯.০৮ টকা কৰা হৈছে।
- জিএছটি আৰু পৰিবহন ব্যয় এতিয়া প্ৰযোজ্য হৈ পৰিব।
- কুঁহিয়াৰ খেতিয়কৰ দীৰ্ঘ সময়ৰ বকেয়া কম কৰা হ'ব।
- উন্নত জৈৱিক ইন্ধনৰ ৰিফাইনেৰী স্থাপন কৰা হ'ব। ইয়াৰ ফলত খাদ্যৰা তেলৰ আমদানি হ্ৰাস পাব।
- ২জি ইথানলৰ মূল্য নিৰ্ধাৰণৰ বাবে ৰাজহুৱা খণ্ডৰ তেল উদ্যোগবোৰক স্বতন্ত্ৰতা দিয়া যাব। ইয়াৰ ফলত উন্নত জৈৱিক-তেল ৰিফাইনেৰী স্থাপন কৰাৰ ক্ষেত্ৰত সহায়ক হ'ব।

**সিদ্ধান্তঃ মৰাপাটৰ খেতিয়ক আৰু শ্ৰমিকসকলৰ বাবে বজাৰ সুৰক্ষাৰ সুনিশ্চিত কৰাৰ স্বাৰ্থত মৰাপাট পেকেজিং সামগ্ৰীৰ বাবে নতুন সংৰক্ষণ নীতি।**

**প্ৰভাৱঃ** মৰাপাটৰ বেগত বাধ্যতামূলকভাৱে ১০০ শতাংশ খাদ্য সামগ্ৰী আৰু ২০ শতাংশ চেনীৰ টোপোলা বন্ধা হ'ব। ৪০ লাখ খেতিয়ক পৰিয়ালৰ লগতে মৰাপাট বেগৰ উদ্যোগৰ সৈতে জড়িত হৈ থকা ৩.৭ লাখ শ্ৰমিক এই সিদ্ধান্তৰ জৰিয়তে লাভান্বিত হোৱাৰ লগতে পৰিৱেশ সুৰক্ষাৰ দিশত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব।

**সিদ্ধান্তঃ কৃষকক সহায় কৰাৰ বাবে কেন্দ্ৰ চৰকাৰে লৈ থকা পদক্ষেপবোৰৰ অংশ হিচাপে কপাহৰ খেতিয়কসকলে ২০১৪-১৫ৰ পৰা ২০২০-২১লৈ নূন্যতম সমৰ্থন মূল্যৰ প্ৰক্ৰিয়াত হোৱা লোকচানবোৰ এতিয়া কেন্দ্ৰ চৰকাৰে পূৰণ কৰিব।**

**প্ৰভাৱঃ** ভাৰতীয় কপাহ আয়োগক ১৭ হাজাৰ ৪০৮ কোটিৰো অধিক ধন দিয়া হ'ব। ৫৮ লাখ কপাহ খেতিয়ক আৰু কপাহৰ উৎপাদন আৰু এই উদ্যোগৰ সৈতে জড়িত হৈ থকা প্ৰায় ৪/৫ কোটি লোক ইয়াৰ দ্বাৰা উপকৃত হৈ পৰিব। কপাহৰ মূল্য স্থিৰ কৰাৰ ক্ষেত্ৰতো এই সিদ্ধান্তই সহায় কৰিব। ●

**কেবিনেট সভাৰ সিদ্ধান্তবোৰ শুনিবলৈ/চাবলৈ এই কিউ আৰ কোড স্কেন কৰক**

# নতুন ভাৰতৰ শক্তিশালী পৰিচয়



৭৭বছৰীয়া তুলসী গৌড়াই ৩০ হাজাৰৰো অধিক বৃক্ষ ৰোপন কৰি পৰিৱেশ ৰক্ষাৰ বাবে প্ৰতিজ্ঞাবদ্ধ হৈছে। কৰ্ণাটকৰ ৰাইজে এওঁক হাবি-জংঘলৰ সৰ্বজান্তা নাম দিছে।

ৰাষ্ট্ৰৰ প্ৰগতিৰ বাবে প্ৰতিগৰাকী নাগৰিকৰ মহত্বপূৰ্ণ অৰিহনা থাকে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই চিন্তাধাৰাৰ আধাৰতেই ২০২০, ২০২১ৰ পদ্ম বঁটাৰ তালিকাত এনে লোকৰ নাম আছে যিসকলক আমি পূৰ্বৰে পৰা জনা নাছিলোঁ। এই লোকসকল হৈছে এনে লোক যিসকল মহানগৰত বাস নকৰে, কোনো টিভিৰ অনুষ্ঠানত আত্মপ্ৰকাশ হোৱা নাই, বাতৰি কাকতত নাম ছপা হোৱা নাই। এওঁলোকক বেছিভাগেই চিনি নাপায় কিন্তু এওঁলোকৰ সেৱা অপৰিসীম। এতিয়া পদ্ম বঁটাৰ বাবে পৰিচয়, জনপ্ৰিয়তা তথা নাম গুৰুত্বপূৰ্ণ নহয়, এতিয়া প্ৰয়োজন কাম কৰিব পৰা অৰ্হতাৰ। নতুন ভাৰতত সামান্য এজন ব্যক্তিয়েও নিজৰ কাম-কাজৰ জৰিয়তে দেশৰ সৰ্বোচ্চ নাগৰিক সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। পদ্ম পুৰস্কাৰৰ বাবে যিকোনো কৰ্মযোগীকে মনোনয়ন কৰাৰ সুবিধা সাধাৰণ লোকে পাইছে। নতুন ভাৰতত এয়াই হৈছে পদ্ম পুৰস্কাৰৰ নতুন ৰূপ।



মাংগালোৰৰ ৬৮বছৰীয়া ফল বিক্ৰেতা হৰেকালা হজব্বাক পদ্মশ্ৰী বঁটাৰে সন্মানিত কৰা হৈছে। শিক্ষাৰ বিস্তাৰৰ বাবে তেওঁ কৰা কামবোৰ গুৰুত্বপূৰ্ণ। মাথোঁ ডেৰশ টকাৰ উপাৰ্জনেৰে এইজনা ব্যক্তিয়ে বিদ্যালয় স্থাপন কৰি শ্ৰেষ্ঠত্বৰ নিদৰ্শন আগবঢ়াইছে।



ৰাজস্থানৰ নাগৌৰ জিলাৰ নিবাসী হিম্মতৰাম ভাংভু বিগত ২৫টা বছৰে বৃক্ষ সংৰক্ষণৰ বাবে কাম কৰি আছে। ৰাজস্থানৰ নাগৌৰ, যোধপুৰ, জেইছেলমেৰ, বাড়মেৰ, সীকৰ, অজমেৰ আদি জিলাত প্ৰায় চাৰে পাঁচ লাখ বৃক্ষ ৰোপন কৰিছে।



ভূপালৰ ভাৰত ভৱনত যিগৰাকী ভূৰি বাঈয়ে শ্ৰমিক হিচাপে কাম কৰিছিল সেই ভাৰত ভৱনত এতিয়া তেওঁৰ চিত্ৰই স্থান পাইছে। ভীল জনজাতিৰ সংস্কৃতিগত দিশবোৰ দেৱালত আৰু কেনভাছত অংকন কৰি তেওঁ সকলোকে জীৱন্ত কৰি পেলাইছে। তেওঁৰ দ্বাৰা প্ৰস্তুত চিত্ৰবোৰ মধ্যপ্ৰদেশৰ পৰা আমেৰিকা যুক্তৰাষ্ট্ৰলৈ সিঁচৰতি হৈ আছে।

"কলাৰ সৈতে মই যথেষ্ট মনপুতি একাত্ম হৈ পৰোঁ। মোৰ এখন চিত্ৰই আজি মোক শ্ৰমিকৰ পৰা চিত্ৰকৰ হিচাপে পৰিচয় দিছে। মই সুখী যে আজি মই এই সন্মান লাভ কৰিছোঁ।"

**— ভূৰি বাঈ**



অন্ধ্ৰপ্ৰদেশৰ অনন্তপুৰৰ নিবাসী দলাভাই চলাপতি ৰাও চামৰাৰ পৰা তৈয়াৰ কৰা পুতলাৰে হোৱা পুতলা খেলৰ জনপ্ৰিয় শিল্পী। পৰম্পৰাগতভাৱে চলি অহা এই পুতলা শিল্প কলাৰ উন্নয়নৰ সাধনাৰ সৈতে জড়িত হৈ থকা এইজন ব্যক্তিয়ে অনেক পুৰস্কাৰ লাভ কৰিছে।



ৰহিবাঈ সোমা পোপৰেক সকলোৱে বীজ মাতা মানে শস্যৰ জানকী বুলি সম্বোধন কৰে। তেওঁ মহৰাষ্ট্ৰৰ আহমেদনগৰৰ নিবাসী। পৰাম্পৰাগতভাৱে কৃষিকাৰ্যৰ সৈতে জড়িত ৰহিবাঈয়ে প্ৰায় ৫০ একৰ ভূমিত ১৭টা শস্যৰ খেতি কৰে। ইতিপূৰ্বে নাৰী শক্তি সন্মান পোৱা ৰহিবাঈৰ কৃষিকাৰ্যক কৃষি বিজ্ঞানীসকলেও প্ৰশংসা কৰিছে।



অযোধ্যাৰ নিবাসী ৮৩ বছৰীয়া চাইকেল মেকানিক মহম্মদ শ্বৰীফক পদ্ম বঁটা দিয়া হৈছে। সমাজ কল্যাণৰ বাবে তেওঁক এই বঁটা দিয়া হৈছে। শ্বৰীফ চাচা (খুৰা) নামেৰে জনাজাত এইজন ব্যক্তিয়ে এতিয়ালৈ প্ৰায় ২৫ হাজাৰৰোঁ অধিক ঠিকনাহীন মৃতদেহৰ সৎকাৰ কৰিছে।

“দেশৰ প্ৰতিষ্ঠিত সন্মান পদ্ম বঁটা লাভ কৰাৰ পাছত মোৰ এয়া অনুভৱ হৈছে যে মোদী চৰকাৰৰ দিনত সমাজ সেৱা প্ৰতি কেন্দ্ৰৰ কদৰ আছে। ২৮ বছৰৰ সেৱাৰ ফল মই পাইছোঁ। যেতিয়ালৈ মোৰ শৰীৰত শক্তি আছে তেতিয়ালৈ মই ঠিকনাবিহীন মৃতদেহৰ সেৱা-সৎকাৰ কৰি যাম।”

**-- মহম্মদ শ্বৰীফ।**



কৰ্ণাটকৰ মঞ্জমা যোগাতী হৈছে দেশৰ প্ৰথমগৰাকী কিন্নৰ পদ্ম বঁটা বিজয়ী। তেওঁৰ জীৱন যথেষ্ট সংঘৰ্ষপূৰ্ণ আছিল। জোগাপ্পা লোকৰ লোকনৃত্য যোগাতীৰ সৈতে জড়িত হৈ থাকি মঞ্জমাৰ মন এইদৰে বিলীন হ'ল যে তেওঁৰ নৃত্যশৈলীৰ বাবে এতিয়া সেই নৃত্যক তেওঁৰ নামেৰে জানে।



চাজ্জাদ আলি জাহিৰক ১৯৭১ চনৰ যুদ্ধৰ নায়ক আখ্যা দিয়া হয়। সেই সময়ত পাকিস্তান সৈন্যবাহিনীৰ অংশ জাহিৰে পূৰ্ব পাকিস্তানত (এতিয়াৰ বাংলাদেশ) সৈন্যবাহিনীৰ দ্বাৰা হৈ থকা অত্যাচাৰৰ প্ৰমাণ লৈ ভাৰতত উপস্থিত হৈছিল। বাংলাদেশ গঠনৰ দিশত তেওঁ মুখ্য ভূমিকা পালন কৰে। কেইবাবছৰৰ পাছত তেওঁ এই সন্মান লাভ কৰিছে।



উষা চৌমাৰ হৈছে ৰাজস্থানৰ সেইসকল ৰত্ন যিসকলে পদ্ম বঁটা লাভ কৰিছে। ৰাষ্ট্ৰপতিৰ হাতৰ পৰা বঁটা লাভ কৰা এই নাৰী এটা সময়ত চাফাই কৰ্মী আছিল। এগৰাকী সন্মাৰ্জক (মেনুৱেল স্কেভেঞ্জিং- মল-মূত্ৰ চাফা কৰা লোক) হিচাপে ৭ বছৰৰ বয়সৰ পৰাই এই কামত ব্যস্ত হৈ থকা উষাই এই সামাজিক প্ৰথাৰ বিৰোধিতা কৰি আহিছিল। তেওঁ সমাজৰ বাবে নিদৰ্শন প্ৰতিষ্ঠা কৰিছে।



চুলথিম চৌজৰক মানুহে লাডাখৰ দশৰথ মাঝি বুলি কয়। লাডাখৰ ঝঞ্চকাৰ উপত্যকাৰ চোংগডে গ্ৰামাঞ্চলৰ নিবাসী চুলথিমে সম্পূৰ্ণ নিজৰ্বীয়া প্ৰচেষ্টাত ৪০ কিঃমিঃ পথ নিৰ্মাণ কৰি তুলিছিল। নিজৰ সম্পত্তি পৰ্যন্ত বিক্ৰী কৰি তেওঁ দৰ্চাৰ পৰা ছিংকুলা পৰ্যন্ত পথছোৱাৰ নিৰ্মাণ কৰিছিল।

❝ পদ্ম সন্মান লাভ কৰি মোৰ এনে লাগিছে যেন মোৰ কষ্ট সফল হৈ পৰিছে। যেতিয়া পথৰ কামটোৰ সৈতে জড়িত হৈ আছিলোঁ তেতিয়া এয়া কেতিয়াও অনুভৱ কৰা নাছিলোঁ যে এয়াও সম্ভৱ হৈ পৰিব। --- **চুলথিম চৌজৰ।** ❞



পশ্চিম বংগৰ দক্ষিণ ২৪-পৰগনা জিলাৰ ঠাকুৰপুৰ এলেকাত মানৱীয় চিকিৎসালয় (হিউমেনিটী হস্পিতাল) স্থাপন কৰি সুভাষিনীয়ে শ্ৰেষ্ঠত্বৰ নিদৰ্শন দাঙি ধৰিছে। প্ৰায় তিনিটা দশক ধৰি কেতিয়াবা ঘৰুৱা বন কৰা কৰ্মী হিচাপে তথা ছব্জী বিক্ৰেতা হিচাপে কাম কৰি পোৱা ধন সঞ্চয় কৰি সুভাষিনীয়ে এই চিকিৎসালয় প্ৰতিষ্ঠা কৰিছে। সম্পূৰ্ণ বিনামূলীয়া চিকিৎসা উপলব্ধ এই চিকিৎসালয়ত দৰিদ্ৰ লোকৰ চিকিৎসা কৰা হয়।

# যিসকলে দেশবাসীক দিছে সাহস আৰু সেৱাৰ পাঠ

ভাৰতৰ স্বাধীনতা আন্দোলন হৈছে এনে এটা আন্দোলন যি আন্দোলনত দেশে সন্মিলিতভাৱে অংশগ্ৰহণ কৰিছে। বিদেশী শাসকক ভাৰতৰ পৰা বাহিৰ কৰিবলৈ দেশৰ সকলো শ্ৰেণীৰ লোকে এই আন্দোলনত যোগদান কৰিছিল। দেশৰ স্বাধীনতাৰ ৭টা দশক অতিক্ৰম কৰাৰ পাছতো স্বাধীনতা আন্দোলনৰ সাহস, আত্মবলিদান, দৃঢ়তা আৰু নিঃস্বাৰ্থপৰতাৰ কাহিনীবোৰে চৰ্চা লাভ কৰি আছে। এই কাহিনীবোৰে আমাৰ মনবোৰক গৌৰৱান্বিত কৰে। দেশৰ স্বাধীনতাৰ বাবে সংগ্ৰাম কৰা ব্যক্তিসকলৰ মনত দেশ স্বাধীন কৰাৰ যি বাসনা আছিল সেই তীব্ৰ ইচ্ছাই আনকো প্ৰেৰণা দিছিল, ইয়াৰ ফলত সকলোৰে সন্মিলিত প্ৰচেষ্টাৰ ফলত দেশে স্বাধীনতা লাভ কৰিবলৈ সক্ষম হৈছিল...



স্বাধীন ভাৰতৰ প্ৰথম কেবিনেটৰ বাবে চৰ্দাৰ বল্লভ ভাই পেটেলক(সোঁফালে) শপত গ্ৰহণ কৰোঁৱাৰ সময়ত তৎকালীন ৰাষ্ট্ৰপতি ড০ ৰাজেন্দ্ৰ প্ৰসাদ।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ অনেক আখ্যান আছে। স্বাধীনতা আন্দোলনত অংশ লৈ আত্মবলিদান দিয়া বীৰ সেনানীসকলৰ জীৱন গাঁথাই সকলোকে প্ৰেৰণা দিয়ে। ইংৰাজ প্ৰশাসকক দেশৰ পৰা উচ্ছেদ কৰাৰ বাবে অব্যাহত থকা স্বাধীনাত সংগ্ৰামত অংশ লোৱা প্ৰতিগৰাকী সেনানীৰ কাহিনীক আজাদী কা অমৃত মহোৎসৱ শিতানৰ জৰিয়তে আপোনালোকৰ কাষলৈ অনাৰ চেষ্টা কৰি থকা হৈছে। প্ৰতিটো শিতানত আমি এনে কেইগৰাকীমান ব্যক্তিৰ সৈতে আপোনালোকৰ পৰিচয় কৰাই আহিছোঁ যিসকলৰ অৱদানে দেশৰ স্বাধীনতা তথা দেশৰ গণতন্ত্ৰ প্ৰতিষ্ঠাত সহায় কৰিছে। নতুন প্ৰজন্মই দেশৰ বাবে বলিদান দিয়া এইসকল বীৰ সেনানীক চিনি পাওক তাৰ বাবেই এই প্ৰচেষ্ট হাতত লোৱা হৈছে। উল্লেখ্য যে স্বাধীনতাৰ এই অমৃত মহোৎসৱ দেশৰ কেন্দ্ৰ চৰকাৰে ২০২৩ চনৰ ১৫ আগষ্ট পৰ্যন্ত পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই পৰ্যন্ত দেশৰ বিভিন্ন প্ৰান্তত অনেক কাৰ্যসূচী চলি থাকিব। দেশৰ স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষত আৰম্ভ হোৱা এই আজাদী কা অমৃত মহোৎসৱ হৈছে স্বাৱলম্বিতাৰ দিশত উঠোৱা এটা গুৰুত্বপূৰ্ণ পদক্ষেপ। এইবাৰৰ শিতানত আমি এনে কেইগৰাকীমান স্বাধীনতা সেনানীৰ কথা উপস্থাপন কৰিছোঁ যিসকলে দেশৰ স্বাধীনতাৰ আগত আৰু পাছতো মহত্বপূৰ্ণ অৱদান আগবঢ়াইছিল।

# ড০ ৰাজেন্দ্ৰ প্ৰসাদে স্বাধীনতা আন্দোলনত সক্ৰিয় ভূমিকা পালন কৰিছিল

**জন্মঃ ৩ ডিচেম্বৰ, ১৮৮৪, মৃত্যুঃ ২৮ ফেব্ৰুৱাৰী, ১৯৬৩**



এগৰাকী ছাত্ৰৰ উত্তৰ বহী পৰীক্ষা কৰি উঠাৰ পাছত পৰীক্ষকে কৈছিল যে, "The examinee is better than Examiner" অৰ্থাৎ পৰীক্ষাৰ্থী পৰীক্ষকতকৈ বেছি ভাল। এই ছাত্ৰ অন্য কোনো নাছিল, তেওঁ হৈছে দেশৰ প্ৰথম ৰাষ্ট্ৰপতি ড০ ৰাজেন্দ্ৰ প্ৰসাদ। 'পঢ় যদি ৰাজেন্দ্ৰ বাবুৰ দৰে পঢ়া'-- বিহাৰত এনে এগৰাকী শিক্ষাৰ্থী নোলাব যিগৰাকীয়ে জীৱনত এইষাৰ কথা শুনা নাই। এয়া কোৱা হয় যে তেওঁৰ স্মৃতিশক্তি ইমান বেছি শক্তিশালী আছিল যে ১৯০০ পৃষ্ঠাৰ আত্মজীৱনীখন লেখিবলৈ তেওঁ কোনো দিনপঞ্জীৰ সহায় লোৱা নাছিল। তেওঁ অতি স্পষ্টতাৰে সকলো কথা ইমান সুন্দৰকৈ লিখিছিল যে সেয়া কালিহে সংঘটিত হৈ গৈছে। বিহাৰৰ চাপৰা জিলাত ৰাজেন্দ্ৰ প্ৰসাদৰ জন্ম ১৮৮৪ চনৰ ৩ ডিচেম্বৰ তাৰিখে হৈছিল। ডাঙৰ হৈ ওকলতি কৰাৰ চিন্তা কৰা ৰাজেন্দ্ৰ প্ৰসাদ গোপাল কৃষ্ণ গোখলেৰ কথাৰ দ্বাৰা অনুপ্ৰাণিত হৈ স্বাধীনতা আন্দোলনত জপিয়াই পৰিছিল। নিমখ সত্যাগ্ৰহ আৰু ভাৰত ত্যাগ আন্দোলনত তেওঁ সক্ৰিয়তাৰে অংশগ্ৰহণ কৰিছিল। দেশ স্বাধীন হোৱাৰ পাছত গঠিত হোৱা সংবিধান সভাৰ তেওঁ অধ্যক্ষ আছিল। ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি হিচাপে তেওঁ ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা ১৯৬২ চনৰ ১৪ মে'লৈ দায়িত্ব গ্ৰহণ কৰিছিল। ১৯৫১ চনৰ ১১ মে' তাৰিখে তদানীন্তন ৰাষ্ট্ৰপতি হিচাপে তেওঁ সোমনাথ মন্দিৰৰ কাৰ্যসূচীত উপস্থিত আছিল। ১৯৬২ চনত তেওঁ ভাৰত ৰত্ন সন্মান দিয়া হয়।

# দেশৰ স্বাধীনতা আন্দোলনৰ অন্যতম সেনানী চি ৰাজাগোপালাচাৰী

**জন্মঃ ১০ ডিচেম্বৰ, ১৮৭৮; মৃত্যুঃ ২৫ ডিচেম্বৰ, ১৯৭২**



স্বামী বিবেকানন্দই এবাৰ কোনো এক ছাত্ৰাবাস ভ্ৰমণ কৰিবলৈ যাওঁতে এগৰাকী ছাত্ৰক প্ৰশ্ন কৰিছিল যে "ভগৱান বিষ্ণুৰ প্ৰতিটো চিহ্নত নীলা আভাস কিয় দেখিবলৈ পোৱা যায়"। তেতিয়া ছাত্ৰজনে উত্তৰ দিছিল, "তেওঁৰ স্বৰূপে অনন্ত কাল আৰু অসীম মহাসাগৰ প্ৰদৰ্শন কৰে।" এই ছাত্ৰজনৰ উত্তৰ শুনি স্বামী বিবেকানন্দক যথেষ্ট উৎসাহিত কৰিছিল। এই ছাত্ৰজনৰ নাম চক্ৰৱৰ্তী ৰাজা গোপালাচাৰী আছিল। ১৮৭৮ চনৰ ১০ ডিচেম্বৰত মাদ্ৰাছৰ (এতিয়া তামিলনাডু) চেলম জিলাৰ ধোৰপল্লী গাঁৱত হৈছিল। তেওঁ এগৰাকী সফল অধিবক্তা, কাৰ্যক্ষম চাকৰিয়াল, ৰাজনৈতিক নেতা আছিল। তেওঁ মহাত্মা গান্ধীৰ আদৰ্শৰ দ্বাৰা যথেষ্ট অনুপ্ৰাণিত হৈছিল। গান্ধীৰ নেতৃত্বত চলা আন্দোলনবোৰত তেওঁ সক্ৰিয়তাৰে অংশগ্ৰহণ কৰিছিল। দাণ্ডী যাত্ৰা অংশগ্ৰহণ কৰি তেওঁ নিমখ আইন ভংগ কৰিছিল। আজীৱন তেওঁ জাতপাতৰ বিপক্ষে মাত মাতি আহিছিল। বৃটিছ শাসনৰ শেষৰগৰাকী গৱৰ্ণৰ লৰ্ড মাউন্টবেটেনৰ পাছত তেওঁ ভাৰতীয় হিচাপে গৱৰ্ণৰ পদত নিযুক্ত হয়। দেশ স্বাধীন হোৱাৰ পাছত তেওঁ নেহৰু মন্ত্ৰীসভাত গৃহমন্ত্ৰীৰ দায়িত্ব পালন কৰে। পাছলৈ তেওঁ ১৯৫২ চনত মাদ্ৰাছৰ মুখ্যমন্ত্ৰী হিচাপে শপত লয়। নেহৰুৰ লগত মতবিৰোধ হোৱাৰ পাছত তেওঁ কংগ্ৰেছ দলৰ পৰা আঁতৰি যায় আৰু নিজা দল গঠন কৰে। তেওঁ সেই দলটোৰ নাম এন্টি কংগ্ৰেছ স্বতন্ত্ৰ পাৰ্টী নাম ৰাখিছিল। ১৯৫৪ চনত তেওঁক দেশৰ সৰ্বোচ্চ সন্মান ভাৰত ৰত্ন দিয়া হয়। কাৰাবাসত থকাৰ সময়ত তেওঁ মেডিটেশ্বন ইন জেল নামৰ এখন কিতাপ লিখে। তেওঁ তামিল ভাষাত ৰামায়ণ ৰচনা কৰিছিল। ১৯৭২ চনত তেওঁৰ মৃত্যু হয়।

# মহিলা সবলীকৰণ আৰু ৰাষ্ট্ৰীয় একতাৰ প্ৰতীক হৈছে সুব্ৰমণিয়াম ভাৰতী


**জন্মঃ ১১ ডিচেম্বৰ, ১৮৮২; মৃত্যুঃ ১১ ছেপ্তেম্বৰ, ১৯২১**



এবাৰ এটা শ্ৰেণীকোঠাত এগৰাকী ছাত্ৰ প্ৰশ্ন কৰিছিল, "আমি জানিব পাৰিছোঁ যে তুমি কালমেঘ হয়। এটা কবিতা শুনোৱাছোন।" ছাত্ৰজনে তাৎক্ষণিক উত্তৰ দিলে "চাৰ, কালমেঘ আদেশত নহয়, নিজৰ ইচ্ছমতেহে বৰষুণ দিয়ে।" এনেকৈ উত্তৰ দিয়া এই ছাত্ৰগৰাকীৰ নাম হৈছে সুব্ৰমণিয়াম ভাৰতী। এই সুব্ৰমণিয়াম ভাৰতীৰ কবিতাৰ কেইশাৰীমান প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৮ চনৰ ১৫ আগষ্টৰ স্বাধীনতা দিৱস উপলক্ষে আওৰাইছিল। সেই কবিতাশাৰী হৈছে एल्लारुम् अमरनिलई आईडुमनान, मुरईअई इंदिया उलागिरिक्को अलिक्कुसम... অৰ্থাৎ ভাৰতে বিশ্বক যিকোনো বান্ধোনৰ পৰা মুক্ত কৰাৰ বাবে পথ প্ৰদৰ্শন কৰিব। সুব্ৰমণিয়াম ভাৰতী হৈছে দেশমাতৃৰ এনে এজন অসাধাৰণ সন্তান যিগৰাকীয়ে নিজৰ দেশভক্তিৰ কবিতাৰ মাধ্যমত দেশবাসীক প্ৰেৰণা দিছিল। ১৮৮২ চনৰ ১১ ডিচেম্বৰ তাৰিখে জন্মগ্ৰহণ কৰা ভাৰতীৰ কবিতাবোৰ পঢ়ি দক্ষিণ ভাৰতৰ জনতাই স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰিছিল। এয়া সঁচাকৈ দুৰ্লভ উপলব্ধি যে মাথোঁ ১১ বছৰ বয়সতেই এট্টায়াপুৰম দৰবাৰত ভাৰতী উপাধিৰে সন্মানিত কৰা হৈছিল। নতুন শৈলী তথা অভিব্যক্তি, সৰল শব্দ, জতুৱা ঠাঁচৰ প্ৰয়োগেৰে লিখা তথা গীতৰ মাধ্যমেৰে মহাকবি সুব্ৰমণিয়াম ভাৰতীৰ কবিতাই তামিল সাহিত্যত এটা নতুন যুগৰ সূচনা কৰিছিল। দেশপ্ৰেমমূলক কবিতা ৰচনা কৰাৰ লগতে সুব্ৰমণিয়াম ভাৰতী স্বাধীনতা সংগ্ৰহৰো সক্ৰিয় সেনানী হোৱাৰ লগতে সমাজ সংস্কাৰক, জাতি প্ৰথাৰ বিৰোধী আছিল। তেওঁ স্বামী বিবেকানন্দৰ শিষ্যা ভগ্নী নিবেদিতাক নিজৰ গুৰু জ্ঞান কৰিছিল। তেওঁক লগ পোৱাৰ পাছত মহিলাৰ সবলীকৰণৰ বাবে ভাৰতী সক্ৰিয় হৈছিল। চক্ৰবৰ্তিনী পত্ৰিকাৰ সম্পাদকৰ দায়িত্বও তেওঁ পালন কৰিছিল।

# হিন্দী ভাষাৰ উত্তৰণত মহত্বপূৰ্ণ অৱদান আগবঢ়োৱা কাকা কালেলকাৰ

**জন্মঃ ১ ডিচেম্বৰ, ১৮৮৫, মৃত্যুঃ ২১ আগষ্ট, ১৯৮১**



হিন্দী ভাষাৰ বিকাশ আৰু প্ৰচাৰত বিশেষ গুৰুত্ব দিয়া দত্তাত্ৰেয় বালকৃষ্ণ কালেলকাৰ এগৰাকী দেশভক্ত আছিল আৰু তেওঁ সমগ্ৰ ভাৰত ভ্ৰমণ কৰি গুজৰাটী, মৰাঠী আৰু হিন্দীত নিজৰ জীৱন বৃত্তান্ত লিখে। তেওঁৰ যাত্ৰা বৃত্তান্ত ইমানেই মনোগ্ৰাহী যে এগৰাকী পঢ়ুৱৈ সেয়া পঢ়ি নিজেই দেশৰ বিভিন্ন প্ৰান্তত ভ্ৰমণ কৰি থকাৰ দৰে অনুভৱ কৰে। মহাত্মা গান্ধীৰ সহযোগী হিচাপে কাম কৰা দত্তাত্ৰেয় বালকৃষ্ণ কালেলকাৰক সকলোৱে কাকা কালেলকাৰ নামেৰে চিনি পায়। সমাজ সংস্কাৰক, ইতিহাসবিদ, সাংবাদিক, শিক্ষাবিদ আদি বিভিন্ন ক্ষেত্ৰত তেওঁ কাম কৰিছে আৰু সফলতা লাভ কৰিছিল। কাকা কালেলকাৰে স্বাধীনতা আন্দোলনত সক্ৰিয় ভূমিকা পালন কৰিছিল তথা এগৰাকী শিক্ষাবিদ হিচাপে তেওঁ আহমেদাবাদত গুজৰাট বিদ্যাপীঠ স্থাপন কৰিছিল। তেওঁ হিন্দী সাহিত্যৰ উত্থানৰ বাবেও কাম কৰিছিল আৰু মৈথিলীচৰণ গুপ্ত, হজাৰী প্ৰসাদ দ্বিবেদী, সেঠ গোবিন্দদাস আদিৰ দৰে ব্যক্তিৰ সৈতে লগ লাগি হিন্দীক ৰাষ্ট্ৰভাষা কৰাৰ বাবে ভূমিকা পালন কৰিছিল। এওঁলোকৰ প্ৰচেষ্টাৰ ফলতেই দেৱনাগৰী লিপিত লিখা হিন্দীক ১৯৪৯ চনৰ ১৪ ছেপ্তেম্বৰত চৰকাৰী ভাষা হিচাপে স্বীকৃতি দিয়া হৈছিল। ১৯৫০ৰ দশকত কালেলকাৰৰ অধ্যক্ষতাত প্ৰথমবাৰৰ বাবে পাছপৰা শ্ৰেণীৰ আয়োগ গঠন কৰা হৈছিল। অনেক বাধা প্ৰত্যাহ্বানৰ পাছত ২০১৭চনত ১২৩ সংখ্যক সংশোধনৰ মাধ্যমত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চৰকাৰে সংসদত এয়া উত্থাপন কৰে আৰু ২০১৮ চনত ৰাষ্ট্ৰপতিৰ অনুমতিৰ পাছত পাছপৰা শ্ৰেণীৰ ৰাষ্ট্ৰীয় আয়োগে সাংবিধানিক মৰ্যদা লাভ কৰে। ১৯৬৫ চনত সাহিত্য অকাডেমী বঁটা লাভ কৰা কালেলকাৰৰ ১৯৮১ চনৰ ২১ আগষ্টত দেহাৱসান হয়।

# স্বাধীনতা সংগ্ৰামৰ সাহসী, বিপ্লৱী নেতা ৰাজনাৰায়ণ মিশ্ৰ

**জন্মঃ ২৬ আগষ্ট, ১৯২০ মৃত্যুঃ ৯ ডিচেম্বৰ ১৯৪৪**




ইংৰাজ শাসকৰ বিৰুদ্ধে বৈপ্লৱিক পন্থাৰে প্ৰতিবাদ কৰি ৰাজনাৰায়ণ মিশ্ৰই বৃটিছ শাসকক ব্যতিব্যস্ত কৰি তুলিছিল। দেশপ্ৰেমিক ৰাজনাৰায়ণ মিশ্ৰই দাসত্বৰ শিকলি অস্বীকাৰ কৰি মাতৃৰ স্বাধীনতাৰ বাবে নিজৰ প্ৰাণ আহুতি দিয়াৰ সংকল্প কৰি লৈছিল। ইংৰাজ শাসকে ৰামনাৰায়ণ মিশ্ৰক ফাঁচীৰ কাৰাদণ্ডৰে দণ্ডিত কৰিছিল। এয়া কোৱা হয় যে ৰাজনাৰায়ণ মিশ্ৰাক দিয়া ফাঁচী ইংৰাজ শাসকৰ দ্বাৰা ভাৰতত দিয়া হোৱা অন্তিম ফাঁচী আছিল। উল্লেখ্য যে ১৯৪৪ চনৰ ৯ ডিচেম্বৰ তাৰিখে পুৱা ৪টা বজাত ৰাজনাৰায়ণ মিশ্ৰাক ফাঁচি দিয়া হৈছিল। তেওঁক অন্তিম ইচ্ছা সুধিলত তেওঁ দুটা ইচ্ছাৰ কথা কৈছিল, প্ৰথম- তেওঁ নিজৰ ফাঁচীৰ গাঁঠি নিজে লগাব আৰু দ্বিতীয়- তেওঁ পাৰ্থিৱ শৰীৰটো বিপ্লৱী সহযোগীৰ হাতত অৰ্পন কৰা। লখিমপুৰ-খেৰিৰ মিতৌলীৰ অন্তৰ্গত ভীখমপুৰ গাঁৱত ৰাজনাৰায়ণ মিশ্ৰৰ জন্ম হৈছিল। ১৯২০ চনৰ ২৬ আগষ্টত জন্ম হোৱা মিশ্ৰ পাঁচজন ভ্ৰাতৃৰ সৰ্বকণিষ্ঠ আছিল। মাথোঁ ২২ বছৰ বয়সত অস্ত্ৰ জমা কৰি ৰাখি তেওঁ ইংৰাজক ভাৰতৰ পৰা খেদাৰ পৰিকল্পনা কৰিছিল। ১৯৪২ চনত অস্ত্ৰ-শস্ত্ৰ লুট কৰাৰ এটা ঘটনাত চলা গুলীচালনাত লখিমপুৰ খেৰিৰ জিলা উপায়ুক্তৰ মৃত্যু হৈছিল। এই ঘটনাৰ পাছত ৰাজনাৰায়ণে পলায়ন কৰিছিল কিন্তু সেই ঘটনাৰ বাবে তেওঁৰ পৰিয়ালবৰ্গক ইংৰাজে যথেষ্ট হাৰাশাস্তি কৰিছিল। ১৯৪৩ চনৰ অক্টোবৰ মাহত মিৰাটৰ গান্ধী আশ্ৰমৰ পৰা তেওঁক আটক কৰা হৈছিল আৰু ফাঁচীৰ কাৰাদণ্ডৰে দণ্ডিত কৰা হৈছিল। মৃত্যুৰ সময়ত এই বীৰ সেনানীয়ে কৈছিল 'ইনকিলাব জিন্দাবাদ'।

# টোগান নেংমিংজা চাংমা হৈছে গাৰো পাহাৰৰ বীৰ সেনানী

**জন্মঃ উইলিয়ামনগৰত, মৃত্যুঃ ১২ ডিচেম্বৰ, ১৮৭২**



ইংৰাজে যেতিয়া ১৮৭২ চনত গাৰো পাহাৰ দখল কৰাৰ বাবে আক্ৰমণ কৰিছিল তেতিয়া ইংৰাজক উচিত প্ৰত্যুত্তৰ দি বীৰ শ্বহীদ হোৱা গাৰো সেনানী আছিল টোগান নেংমিংজা চাংমা বা পা টোগান চাংমা। এইগৰাকী বীৰ সেনানী অন্য একাধিক গাৰো সেনাৰ সৈতে মিলি ইংৰাজ সেনাৰ ওপৰত আক্ৰমণ কৰিছিল। মেঘালয়ৰ পূব গাৰো পাহাৰৰ উইলিয়ামনগৰত জন্মগ্ৰহণ কৰা টোগান চাংমাক আজিও গাৰোপাহাৰৰ লোক তথা মেঘালয় চৰকাৰে প্ৰতিবছৰে সোঁৱৰণ কৰে। ভাৰতীয় স্বাধীনতা সেনানীৰ বাবে টোগান চাংমা প্ৰেৰণাৰ উৎস হয়। শিশু কালৰ পৰাই বীৰ সেনানীৰ গুণ থকা টোগান চাংমা নিজৰ এলেকাৰ জনপ্ৰিয় আছিল আৰু তেওঁ কেইবাখনো পাহাৰীয়া গ্ৰামাঞ্চল এলেকাৰ মুখ্য ব্যক্তি হৈ পৰিছিল। ১৮৫৭ চনৰ পাছত ইংৰাজে ক্ৰমাণ্বয়ে সমগ্ৰ ভাৰতবৰ্ষ অধিকাৰ কৰাৰ বাবে সামৰিক কুচকাৱাজ আৰম্ভ কৰিছিল। এই অভিযানৰ অংশস্বৰূপে ইংৰাজে মেঘালয়ৰ ঘন জংঘল এলেকাবোৰতো নিজৰ প্ৰভাৱ বিস্তাৰ কৰাৰ বাবে আগুৱাই গৈছিল। ইংৰাজ সেনাই গাৰো পাহাৰত প্ৰৱেশ কৰিছিল। এই কথাটো দেশপ্ৰেমী টোগান চাংমাৰ সহ্য হোৱা নাছিল। সেয়েহে তেওঁ একাধিক গাৰো সেনাৰ সৈতে পৰম্পৰাগত অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত হৈ ইংৰাজ সেনাৰ ওপৰত আক্ৰমণ কৰিছিল। অতৰ্কিত আক্ৰমণত ইংৰাজ সেনাৰ যথেষ্ট ক্ষতিসাধন হয় কিন্তু মাৰণাস্ত্ৰৰে যুদ্ধ কৰা ইংৰাজৰ সৈতে গাৰো বীৰ সেনাই বেছিপৰ যুঁজ দিব নোৱাৰিলে। কিন্তু টোগান চাংমাই অন্তিম মুহূৰ্তলৈ বীৰত্বৰে যুঁজ দি থাকিল আৰু শেষত ইংৰাজ গুলীত ধৰাশায়ী হৈ পৰে। তেওঁৰ মৃত্যু দিৱস ১২ ডিচেম্বৰৰ দিনটো মেঘালয় চৰকাৰে বিশেষ দিন হিচাপে পালন কৰি আহিছে। ●



## ৫২ সংখ্যক ভাৰতীয় আন্তঃৰাষ্ট্ৰীয় ছবি মহোৎসৱ

# প্ৰথমবাৰৰ বাবে অ'টিটি প্লেটফৰ্মবোৰক সুবিধা

২০-২৮ নৱেম্বৰলৈ গোৱাত অনুষ্ঠিত হোৱা ৯ দিনীয়া ৫২ সংখ্যক ভাৰতীয় আন্তঃৰাষ্ট্ৰীয় ছবি মহোৎসৱত (আইএফএফআই) যুৱ প্ৰজন্মৰ উদীয়মান ছবি পৰিচালকসকলক সুবিধা প্ৰদান কৰা হৈছে। মুখ্যধাৰাৰ ছবি উদ্যোগৰ সৈতে যুৱপ্ৰজন্ম জড়িত হৈ পৰাৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। অভিনেত্ৰী হেমা মালিনী আৰু চেন্ট্ৰেল বৰ্ড অব্ ফিল্ম চাৰ্টিফিকেশ্বনৰ অধ্যক্ষ প্ৰসূন যোশীক এইবাৰৰ ছবি মহোৎসৱৰ বছৰটোৰ চলচিত্ৰ ব্যক্তিত্ব হিচাপে মনোনীত কৰা হৈছে।

গোৱাত অনুষ্ঠিত ৫২ সংখ্যক ভাৰতীয় আন্তঃৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱৰ লগত সংগতি ৰাখি ঘোষিত হোৱা সত্যজিৎ ৰায় লাইফটাইম এচিভমেন্ট বঁটা হলীউডৰ প্ৰসিদ্ধ পৰিচালক মাৰ্টিন স্ক'ৰছেচী আৰু হাংগেৰীৰ প্ৰতিষ্ঠিত চলচিত্ৰ নিৰ্মাতা ইস্তেভান সাজাবোক প্ৰদান কৰা হয়। আনহাতে হিন্দী চলচিত্ৰ অভিনেত্ৰী হেমা মালিনী আৰু লেখক প্ৰসূন যোশীক বছৰটোৰ চলচিত্ৰ ব্যক্তিত্ব বঁটা দিয়া হয়।

### অ'টিটি প্লেটফৰ্মবোৰৰ সৈতে সহযোগিতা

এয়া প্ৰথমবাৰৰ বাবে এনে হৈছে যে আইএফএফআইয়ে দেশৰ প্ৰমুখ অ'টিটি প্লেটফৰ্মবোৰক ছবি মহোৎসৱত অংশগ্ৰহণৰ বাবে আহ্বান জনাইছে। প্ৰথমবাৰৰ বাবে নেটফ্লিক্স, এমেজন, প্ৰাইম ভিডিঅ, ছনী লিভ আদি ডিজিটেল মঞ্চই এই মহোৎসৱত অংশ লৈছে। শেহতীয়াকৈ অ'টিটি প্লেটফৰ্মবোৰ দেশত জনপ্ৰিয় হৈ পৰিছে। এই প্লেটফৰ্মবোৰে ডিজিটেল মাধ্যমত ছবি মহোৎসৱত অংশগ্ৰহণ কৰিছিল। দেশত অটিটি জনপ্ৰিয় হৈ পৰাৰ ফলত ভাৰতীয় আন্তঃৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱে এই সুবিধা মুকলি কৰিছে। ●



"ভাৰত লোক গাঁথাৰ ভূমি। ভাৰতীয় কাহিনীবোৰে বিশ্বৰ কল্পনাশক্তিক গতি প্ৰদান কৰিছে। এই দেশত হৰেক ৰকমৰ গল্প আছে। এই কাহিনীবোৰৰ বাবেই এই ভূমিক প্ৰকৃতাৰ্থত 'পটভূমিৰ ঠাই' আখ্যা দিয়া হয়।

**অনুৰাগ ঠাকুৰ**
কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী

## মহোৎসৱৰ কেতবোৰ বিশেষ বিন্দু

- আইএফএফআইয়ে ভাৰতৰ যুৱ প্ৰজন্মক এখন মঞ্চ প্ৰদান কৰা হৈছে। এই মহোৎসৱত ৩৫ বছৰৰ তলৰ বয়সৰ ৭৫ গৰাকী প্ৰতিভাৱানক নিমন্ত্ৰণ কৰা হয় আৰু তেওঁলোকে ছবি নিৰ্মাতাৰ সৈতে মিলিত হয়।
- প্ৰথমবাৰৰ ব্ৰিকছ ৰাষ্ট্ৰৰ ছবি ব্ৰিকছ ছবি মহোৎসৱৰ মাধ্যমত প্ৰদৰ্শন কৰা হয়। ব্ৰিকছৰ পাঁচখন ছবি হৈছে ব্ৰাজিল, ৰাছিয়া, দক্ষিণ আফ্ৰিকা, চীন আৰু ভাৰত। আৰম্ভণিৰ ছবি হিচাপে কাৰ্লোচ সৌৰাৰ দ্বাৰা পৰিচালিত ছবি দ্যা কিং অৱ দ্যা ৱৰ্ল্ড (অল ৰে দে তোডো অল মুণ্ডো) প্ৰদৰ্শিত হয়।
- ৫২ সংখ্যক আইএফএফআই ছবি মহোৎসৱে দিলীপ কুমাৰ, সুমিত্ৰা ভাৱে, সুৰেখা চিকৰী, বুদ্ধদেৱ দাশগুপ্তা, জ্যা পল্ বেলমোণ্ডো, বাৰ্ট্ৰাণ্ড টেভেৰনীয়াৰ, খ্ৰিষ্টোফাৰ প্লামাৰ, জ্যা ক্ল' কাৰিয়েৰক শ্ৰদ্ধাঞ্জলি অৰ্পন কৰে।



**PMO India** @PMOIndia
पिछले मुख्यमंत्रियों के लिए विकास वहीं तक सीमित था जहां उनका घर था।

लेकिन आज जितनी पश्चिम की पूछ है, उतनी ही पूर्वांचल के लिए भी प्राथमिकता है।

पूर्वांचल एक्सप्रेसवे आज यूपी की इस खाई को पाट रहा है, यूपी को आपस में जोड़ रहा है: PM @narendramodi



**Rajnath Singh** @rajnathsingh
The UP state government under the leadership of CM @myogiadityanath ji has done commendable work in maintaining law and order.

The Union Government is working hand-in-hand with the state government to promote R&D and growth of MSMEs.



**Amit Shah** @AmitShah ·
प्रधानमंत्री @narendramodi जी स्वयं उत्तर प्रदेश से सांसद भी हैं जो यहाँ की समृद्धि हेतु निरंतर प्रयासरत रहते हैं।

मोदी जी ने यूपी के विकास हेतु भारत सरकार के खजाने खोले और योगी जी ने योजनाओं को नीचे तक पहुँचाने का काम किया।

जिसके फलस्वरूप आज यूपी हर क्षेत्र में नंबर 1 बना है।



**Nitin Gadkari** @nitin_gadkari
माँ अन्नपूर्णा देवी जी का वाराणसी में अपने सही स्थान पर लौटना यह हमारी समृद्ध संस्कृति और विरासत को बहाल करने में प्रधानमंत्री श्री @narendramodi जी की मंशा और उद्देश्य को स्पष्ट रूप से दर्शाता है।
#BringingOurGodsHome
पिछले 7 वर्षों के दौरान हमारी 75% मूर्तियां और सांस्कृतिक विरासत की वस्तुएं भारत वापस आ गई हैं। इसके लिए मैं माननीय प्रधानमंत्री जी को धन्यवाद देता हूं। #BringingOurGodsHome



**Piyush Goyal** @PiyushGoyal
I thank PM @NarendraModi ji for institutionalising role of auditing in nation-building, by marking the first #AuditDiwas.

The CAG's role in strengthening transparency & accountability in governance is paramount.

The institution's legacy must be protected & improved.



**Dharmendra Pradhan** @d...
अच्छी सड़कें विकास की बुनियादी जरूरत है। आज #PurvanchalExpressway के लोकार्पण के साथ ही उत्तर प्रदेश देश का सबसे बड़े एक्सप्रेसवे नेटवर्क वाला राज्य बन गया है। इस उपलब्धि पर मैं सभी प्रदेशवासियों और मुख्यमंत्री श्री @myogiadityanath जी को बधाई देता हूँ। #एक्सप्रेस_प्रदेश

---

मर्निং কনছাল্টৰ সমীক্ষাত ৰাষ্ট্ৰপতি বাইডেন ষষ্ঠ, প্ৰধানমন্ত্ৰী জনছন দশম স্থানত

## বিশ্বৰ সৰ্বাধিক জনপ্ৰিয় নেতা প্ৰধানমন্ত্ৰী মোডী





## অৰুণ জেটলি, সুষমা স্বৰাজ, ৰামবিলাস পাছোৱানলৈ মৰণোত্তৰভাৱে পদ্ম বিভূষণ

২০২০ বৰ্ষৰ পদ্ম বঁটা প্ৰদান

## হেমা মালিনী, প্ৰসূন যোশীক বছৰটোৰ 'চলচ্চিত্ৰ ব্যক্তিত্ব'ৰূপে মনোনীত



ৰাজ্যপালৰ সন্মিলন

## ভাৰতে ভালদৰে কৰিছে কোভিডৰ মোকাবিলা ঃ ৰাষ্ট্ৰপতি

নতুন দিল্লী, ১১ নৱেম্বৰ ঃ বহু উন্নত দেশৰ তুলনাত আমাৰ দেশে ক'ৰ'নাৰ মোকাবিলা ভাল ধৰণে কৰিছে। এতিয়াও ভেকচিন প্ৰদানৰদ্বাৰা দেশবাসীৰ প্ৰাণ ৰক্ষা কৰাত নিয়োজিত হৈ আছে। ১০৮ কোটিতকৈও অধিক টিকাকৰণৰ জৰিয়তে নাগৰিকৰ জীৱন ৰক্ষাৰ যি প্ৰয়াস, সেয়া আগবঢ়াই নিয়া হৈছে।— ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ মন্তব্য এয়া। ৰাষ্ট্ৰপতি ভৱনত আজি আয়োজিত ৰাজ্যপালসকলৰ সমাৰোহত অংশ লৈ ৰাষ্ট্ৰপতিগৰাকীয়ে এই অভিমত ব্যক্ত কৰে। তেওঁ লগতে কয়— 'ভাৰত পৃথিবীৰ এনে এখন ডাঙৰ



অৰ্থ ব্যৱস্থাৰ দেশ, যিয়ে পেৰিছ জলবায়ু চুক্তিৰ লক্ষ্যক সময়মতে পূৰণ কৰিছে।' কোভিড পৰিস্থিতিৰ বাবে যোৱা ২০১৯ৰ পাছত দুবছৰৰ মূৰত ৰাষ্ট্ৰপতি ভৱনত ৰাজ্যপালসকলৰ সমাৰোহ অনুষ্ঠিত হৈছে। অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, গৃহমন্ত্ৰী অমিত শ্বাহ উপস্থিত থাকে।

## আৰ বি আইৰ দুখন নতুন আঁচনি মুকলি প্ৰধানমন্ত্ৰীৰ

দেশৰ বিত্ত মন্ত্ৰণালয়ৰ দাবী, আই এম এফৰ ভৱিষ্যদ্বাণী

## বিশ্বৰ দ্ৰুততম অৰ্থনীতিৰ দিশে ভাৰত



## পেলনীয়া কাগজ-পত্ৰ বিক্ৰীৰে কেন্দ্ৰীয় চৰকাৰৰ আয় ৪০ কোটি

নতুন দিল্লী, ২ নৱেম্বৰ ঃ চৰকাৰী কাৰ্যালয়ৰ পেলনীয়া কাগজ-পত্ৰ বিক্ৰী কৰি কেন্দ্ৰীয় চৰকাৰে আয় কৰিলে ৪০ কোটি টকা। ৪০ কোটি টকা আয় কৰাৰ লগতে পেলনীয়া ফাইল, কাগজ-পত্ৰ আদি নোহোৱা হোৱাৰ ফলত বিভিন্ন চৰকাৰী কাৰ্যালয়বোৰৰ প্ৰায় ৮ লাখ বৰ্গফুট ঠাইো খালী হ'ল। চৰকাৰী কাৰ্যালয়বোৰ চাফ আৰু তাত ঠাই উলিওৱাৰ বাবে যোৱা ২ অক্টোবৰৰপৰা এক অভিযান আৰম্ভ কৰা হৈছিল। ৩১ অক্টোবৰলৈকে চলা এই অভিযানৰ তথ্য সদৰি কৰি কেন্দ্ৰীয় মন্ত্ৰী জিতেন্দ্ৰ সিঙে কয় যে এই সময়ছোৱাত চৰকাৰী কাৰ্যালয়বোৰৰ ১৫,২৩,৪৬৪টা ফাইল পৰীক্ষা কৰা হৈছিল। ইয়াৰ ভিতৰত ১৩,৭৩,২০৪টা ফাইল কামৰ ফাইল হিচাপে পোৱা গৈছিল। বাকী ফাইলবোৰ নষ্ট কৰি দিয়া হৈছিল অথবা ওজন কৰি বিক্ৰী কৰি দিয়া হৈছিল। ফাইলবোৰ পৰীক্ষা কালত সেইবোৰৰ ভিত্তিত ৩,২৮,২৩৪টা বাজহুৱা অভিযোগ বিবেচনালৈ অনাৰ লগতে ইয়াৰে ২,৯১,৬৯২টা অভিযোগ নিষ্পত্তি কৰা হৈছিল।

মুক্তিযোদ্ধা বীৰছা মুণ্ডাৰ স্মৃতিত সংগ্ৰহালয় মুকলি প্ৰধানমন্ত্ৰীৰ

## ১৫ নৱেম্বৰ হ'ব 'জনজাতীয় গৌৰৱ দিৱস'



RNI No. :
DELASS/2020/78827
December: 1-15, 2021

New India SAMACHAR Fortnightly

RNI Registered No DELASS/2020/78827, Delhi Postal License No DL(S)-1/3547/2020-22, WPP NO U (S)-95/2020-22, posting at BPC, Meghdoot Bhawan, New Delhi - 110 001 on 26-30 advance Fortnightly (Publishing Date November 19, 2021, Pages - 56)

৬৫ সংখ্যক মহাপ্ৰয়াণ দিৱস ৬ ডিচেম্বৰ ২০২১

# বাবা চাহেবক স্মৰণ



“ভগৱান বুদ্ধই ‘ভৱন্তু সত মংগলম’ৰ মন্ত্ৰ দিছিল। বাবা চাহেব আম্বেডকাৰে এয়া প্ৰায়ে আওৰাইছিল। তেওঁ এইবুলি তৰ্ক দিছিল যে গণতন্ত্ৰত এয়া সকলো চৰকাৰৰ দায়িত্ব আৰু কৰ্তব্য হয় যে সমাজৰ প্ৰতিজন লোকৰ কল্যাণয়েই হৈছে চৰকাৰৰ লক্ষ্য। ৰাজনৈতিক দলে ইয়াৰ অন্য পৰিভাষা দিব পাৰে, যেনে... সকলোৰে বিকাশ, সকলোৰে বিশ্বাস।”

**ৰামনাথ কোৱিন্দ, ৰাষ্ট্ৰপতি**

Assamese

**Editor**
**Jaideep Bhatnagar**, Principal Director General, Press Information Bureau, New Delhi

**Published & Printed by:**
**Satyendra Prakash**, Principal Director General, BOC on behalf of Bureau of Outreach and Communication

**Published from**
**Room No–278, Bureau of Outreach and Communication, 2nd Floor, Soochna Bhawan, New Delhi -110003**

**Printed at** Aravali Printers & Publishers Pvt. Ltd., Okhla Industrial Area Phase-II, New Delhi-110020